# দুধনৈ মহাবিদ্যালয় আলোচনী

২০০৮-০৯

দুধনৈ মহাবিদ্যালয়











তত্বাবধায়িকা
ড° দিপালী ডেকা

সম্পাদক
ৰূপম বড়ো






DUDHNOI COLLEGE




DUDHNOI COLLEGE
দুধনৈ মহাবিদ্যালয়


নৱাগত আদৰণি সভা
দুধনৈ মহাবিদ্যালয়, দুধনৈ, গোৱালপাৰা
দিনাংকঃ- ১-৯-০৯

হৰগোবিন্দ ডেকা —
৪/১১/২০১১

# দুধনৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ

৩৭ তম বৰ্ষ ঃ দ্বাবিংশ সংখ্যা

২০০৮-২০০৯ বৰ্ষ

প্ৰতি,

মাননীয়/মাননীয়া

........................................................................

........................................................................

তত্বাৱধায়িকা ঃ ড° দিপালী ডেকা

সম্পাদক ঃ ৰূপম বড়ো

***Dudhnoi Mahavidyalay Alochani :*** *An annual collection of articles written in Assamese, Bodo, Rabha, Garo and English, published by Dudhnoi College Students' Union, Dudhnoi College, Dudhnoi, 783124, Editor : Rupam Boro and Prof.in-charge : Dr. Dipali Deka.*

# দুধনৈ মহাবিদ্যালয় আলোচনী

## সম্পাদনা সমিতি

সভাপতি : ড° গোপাল ফুকন

তত্ত্বাৱধায়িকা : ড° দিপালী ডেকা

সম্পাদক : ৰূপম বড়ো

সদস্য/সদস্যাবৃন্দ : ড° হৰকুমাৰ নাথ
ড° ৰজত চন্দ্ৰ ৰাভা
শ্ৰীমতী পাৰুল নাথ
শ্ৰীজীৱেশ্বৰ কোচ
শ্ৰীৰূপজ্যোতি মজুমদাৰ

বেটুপাতৰ পৰিকল্পনা : ড° দিপালী ডেকা

অঙ্গ সজ্জা ও অলঙ্কৰণ : ড° দিপালী ডেকা
জয়া দাস
সুব্ৰত গোস্বামী
অমৃত সিংহা

মুদ্ৰণ : শৰাইঘাট অফছেট প্ৰেছ
বামুণীমৈদাম, গুৱাহাটী-২১

# অধ্যক্ষৰ কলম



ছাত্ৰ-ছাত্ৰীসকলেই হ'ল মহাবিদ্যালয়খনৰ সবাতোকৈ অমূল্য সম্পদ। মহাবিদ্যালয় এখনৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত সকলো ব্যক্তিৰ ধনাত্মক চিন্তাধাৰা আৰু সহায়-সহযোগে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধন কৰাৰ লগতে বহু সময়ত অসাধ্য সাধন কৰিবলৈও অনুপ্ৰেৰণা যোগায়। প্ৰত্যেক শিশুৰ বাবে নিজৰ ঘৰখনেই উত্তম পঢ়াশালি। ইয়াৰ উপৰিও শিশু অৱস্থাত প্ৰাথমিক বিদ্যালয় তথা মাধ্যমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ পৰা তেওঁলোকে বহু জ্ঞান আহৰণ কৰাৰ লগতে নিজৰ সহপাঠীসকল আৰু চৌপাশৰ পৰিৱেশৰ পৰাও বহু জ্ঞান তথা অভিজ্ঞতা লাভ কৰে। প্ৰায় পোন্ধৰ/সোতৰ বছৰ কাল অতিবাহিত কৰাৰ পিছত তেওঁলোকে উচ্চ মাধ্যমিক বিদ্যালয়/উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ দেওনা পাৰ হৈ মনত অদম্য উৎসাহ-উদ্দীপনা আৰু অলেখ ৰঙীন স্বপ্ন লৈ মহাবিদ্যালয়ত ভৰি দিয়েহি। সাধাৰণতে এই স্তৰত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজ বিচাৰ-বুদ্ধিৰে পৰিচালিত হোৱাৰ পৰিৱৰ্তে কোনো বিপথগামী সতীৰ্থৰ উচটনি আৰু প্ৰৰোচনাৰে প্ৰভাবান্বিত হোৱা দেখা যায়। তেতিয়া ক্ষণিকৰ ভুল সিদ্ধান্তই যে জীৱনৰ দিশ সলনি কৰি ভৱিষ্যতলৈ অমানিশাৰ অন্ধকাৰ নমাই আনিব পাৰে, তেওঁলোকৰ সেই কথা চিন্তা কৰাৰ অৱকাশ নাথাকে।

প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মাজত লুকাই থকা সম্ভাৱনা নাইবা প্ৰতিভাসমূহৰ সঠিক দিশত বিকাশ সাধন কৰিব পাৰিলে আৰু জীৱনৰ অন্ততঃ প্ৰথম ২০ টা বছৰ অধ্যয়ন, সৎকৰ্ম আৰু সৎচিন্তাৰে অতিবাহিত কৰিব পাৰিলে তেওঁলোকে নিজকে একোজন সফল আৰু প্ৰকৃত মানুহৰূপে সমাজত পৰিচয় দিব পাৰিব।

নিচাযুক্ত দ্ৰব্য সেৱন তথা সহজ উপায়ে অৰ্থোপাৰ্জন আদিৰ দৰে কুকৰ্মৰ প্ৰতি আকৰ্ষণে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশৰ পৰিৱৰ্তে বিনাশহে মাতি আনে। ছাত্ৰাৱস্থাত অধ্যয়নক মুখ্য আৰু অৰ্থোপাৰ্জনক গৌণ স্থান দিয়াটো আটাইতকৈ শুভ-লক্ষণ। আজিকালিৰ অভিভাৱকসকলেও নিজৰ সন্তানৰ সকলো ধৰণৰ দাবী যিকোনো উপায়ে পূৰণ কৰাটোতে নিজৰ কৰ্ত্তব্য শেষ বুলি ভবা দেখা যায়। তেওঁলোকৰ এনে মনোভাব বৰ্ত্তমানৰ সমাজখনৰ স্খলনৰ এটি মুখ্য কাৰণ বুলি মই বিবেচনা কৰো। নিজৰ সন্তানৰ আচাৰ-ব্যৱহাৰ, চাল-চলনৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখি প্ৰয়োজন সাপেক্ষে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সহযোগত গঠনমূলক ব্যৱস্থা গ্ৰহণ কৰাটো অভিভাবকসকলৰ কৰ্তব্যৰ ভিতৰত পৰে।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল সাধাৰণতে অতি শান্ত আৰু অমায়িক স্বভাৱৰ। আমি আশাবাদী, যি দুই-এক বিপথগামী ছাত্ৰ-ছাত্ৰী আছে তেওঁলোকে কুচিন্তা, কুসঙ্গৰ পৰা মুক্ত হৈ আত্মসংশোধন কৰি ভৱিষ্যতে সমাজৰ একোখন মৰ্য্যদাপূৰ্ণ স্থানত প্ৰতিষ্ঠিত হ'ব পাৰিব। মহাবিদ্যালয়খনৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে একো একোটা সুন্দৰ ভৱিষ্যৎ গঢ়ি ল'বলৈ সক্ষম হওঁক, তাৰ বাবে মই আন্তৰিক শুভাশীৰ্ব্বাদ যাচিলোঁ।

"জয়তু দুধনৈ মহাবিদ্যালয়"

গোপাল ফুকন

ড° গোপাল ফুকন

অধ্যক্ষ, দুধনৈ মহাবিদ্যালয়

# Editor's Pen



At the outset, I wish all the readers a very very "Happy New Year, i.e 2011. I would like to take an opportunity to offer my heartiest thanks to those martyrs who had died and sacrificed their own life for the protection of their race, literature, country and mother language. Those people always attract me who have interest in reading books, magazines etc.

Really, I am very glad to profound it that, I was elected as the editor of Dudhnoi College Magazine (Dudhnoi Mahavidyalay Alochani)for the session 2008-2009. After taking this responsibility, I also tried my best to complete the magazine at proper time.

The yearly college magazine has great contribution in enhancing creative power of the students and it can act more or less as a good medium of education. Because the standard of a magazine helps to identify the level of a college. Through a magazine the students can get better opportunity to augment their talents which help them to procceed in the way of their prosperous life. It needs mention that the teachers have great contribution in making our magazine valuable and readable because as the teacher of an institution of higher education definitely they possess more knowledge. Hence, they can write constructive articles in various aspects which may help the students in earning knowledge and getting morals.

I could not spare much time for this magazine due to poor condition of my health during my working period and for that I feel extremely sorry. Besides, I felt sad when I received only few articles from the students as well as the teachers which were not sufficient for publication of a college magazine. So, now I request all the teachers and students of my college to give their valuable articles to the magazine secretary at proper time and help him\her in making the magazine colorful and gorgeous in future.

I must offer my deep gratitude and heartiest thanks to the Honorable in-charge of the magazine Dr. Dipali Deka madam for her sincere, honest and proper guidance in this line. From the very begining of this attempt, madam remained constantly and seriously engaged in maintaining the quality and standard of the magazine which really overwhelmed me.

I also offer my sincere gratitude to the Honourable president of the Editorial Board as well as the principal of our college, Dr. Gopal Phukan sir and Honourable members of the Eeditorial Board, Dr. Harkumar Nath, sir, Dr. Rajat ch. Rabha sir, Mrs. Parul Nath madam, Mr. Jibesware Koch sir and Mr. Rupjyoti Majumdar sir respectively who has guided me in all respect to publish the magazine successfully. I am very much eager to acknowledge my sincere gratitude to my friends Mantu kalita, Rajib Rabha, Lewka Basumatary, Jitupan Rabha, Dinesh Rabha, Satyabati Rabha, Jagyeswar Brahma and Phukan Basumatary for extending their helping hands in all directions and giving valuable suggestions during my working period.

Finally, I hope, that our Dudhnoi College Magazine may earn a lots of respect in the society and prosperity in future. I beg pardon from the readers if unknowingly there remains some mistakes in my whole endeavour. With this hope, I would like to finish my editorial report.

With sincere love and gratitude

"Long Live Our Dudhnoi College"

**Rupam Boro**

Editor, College Magazine (Dudhnoi Mahavidyalay Alochani)

D. C. S. U., 2008-2009

# সূচীপত্র

## অসমীয়া বিভাগঃ

### প্ৰবন্ধ, গল্প, ৰস-ৰচনা


| | | |
|---|---|---|
| ভাৰতীয় আধ্যাত্মিকতা আৰু আজিৰ সমাজৰ নৈতিক স্খলন | ✍ কপিল কলিতা | ১ |
| আত্মাৰ বৈশিষ্ট্য | ✍ ৰমাকান্ত ৰাভা | ৩ |
| এগছি আশাৰ চাকি | ✍ সৰোজিনী ৰাভা | ৫ |
| ৰাষ্ট্ৰীয় শিক্ষাব্যবস্থা, বিজ্ঞান শিক্ষা, বিজ্ঞানৰ গুৰুত্ব আৰু মূল্য | ✍ ড° দিপালী ডেকা | ৭ |
| চেৰাপুঞ্জী (চহৰা) ৰ স্মৃতিৰ প্ৰসঙ্গত ভ্ৰমণ আৰু পৰ্যটন উদ্যোগ | ✍ জীবেশ্বৰ কোচ | ১৩ |
| এনভেলপৰ বিলাপ | ✍ ড° ৰজত চন্দ্ৰ ৰাভা | ১৬ |
| আকাশ, লতা আৰু কণমাই | ✍ মনীষা ৰাভা | ১৮ |
| যুৱ-মানসিকতা, উচ্ছৃংখলতা, শিক্ষানুষ্ঠান আৰু সামাজিক আন্তঃক্ৰিয়া— এটি আলোচনা | ✍ পাৰুল নাথ | ২১ |
| নৃগোষ্ঠীয় ৰাজনীতিৰ দৃষ্টিকোণৰ পৰা ৰাভাসকলৰ স্বায়ত্বশাসন দাবীৰ আন্দোলনঃ এক চমু আলোকপাত | ✍ ধ্ৰুৱজ্যোতি দাস | ২৪ |
| পেটুৰাৰ হাস্যকৰ পৰিয়াল | ✍ ধ্ৰুৱজ্যোতি সিংহ ৰায় | ২৬ |
| টুক্ৰেশ্বৰী দেৱালয় | ✍ হীৰামণি সিংহা | ২৭ |


### কবিতা


| | | |
|---|---|---|
| সেউজীয়া সপোনবোৰ | ✍ মণিকংকণা নাথ | ২৮ |
| যন্ত্ৰণা | ✍ কপিল নাথ | ২৮ |
| কবিতা | ✍ জিণ্টি বৰুৱা | ২৮ |
| আনে নুশুনাকৈ বজাবা বাঁহী | ✍ দীনেশ ৰাভা | ২৯ |
| মোৰ হিয়াৰ কবিতা | ✍ জিতুপন ৰাভা | ২৯ |
| নিৰিবিলি নিশা | ✍ বিতোপন ৰাভা | ৩০ |
| মিচ্ড্কল, চুইচ্ অফ্, নেটৱৰ্ক ইত্যাদি | ✍ দিপু সিংহ | ৩০ |
| অপেক্ষাৰ অন্তত | ✍ ৰবেন ৰাভা | ৩১ |
| গোলাপ | ✍ বিশ্বজিৎ কছাৰী | ৩২ |
| নাৰী | ✍ মৌচুমী বড়ো | ৩২ |
| মই গোৱালপাৰা | ✍ সুৰভি ৰাভা | ৩৩ |
| প্ৰেয়সী | ✍ ৰাতুল ৰাভা | ৩৩ |
| তোমাৰ চাৱনি | ✍ গৈব্যাঞ্জলী কছাৰী | ৩৪ |
| শান্তিৰ সন্ধান | ✍ কপিল দেৱ ৰাভা | ৩৪ |
| বাৰিষাৰ এটি ৰাতি | ✍ মামনী ৰাভা | ৩৫ |
| মোৰ পৃথিৱী | ✍ পনোজ ৰায় | ৩৫ |
| হৃদয়ৰ গোপন কথা | ✍ মুন মুন কলিতা | ৩৬ |
| পলাশৰ জুই | ✍ গীতিমা ৰাভা | ৩৬ |
| তুমি মোৰ হ'বানে | ✍ ববিতা কুমাৰী পাঠক | ৩৭ |
| তুমি | ✍ দেৱজিৎ ৰাভা | ৩৭ |
| ঘড়ী | ✍ সত্যজিত কলিতা | ৩৮ |
| এই সময় সুখৰ নহয় | ✍ আকাশ দাস | ৩৮ |
| মোৰ বাস্তৱ জীৱন | ✍ অলকা দাস | ৩৯ |
| দুধনৈ মহাবিদ্যালয় | ✍ বৰ্ণালী কলিতা | ৩৯ |
| তোমাৰ বাবেই হেৰাই যোৱাৰ প্ৰস্তুতি | ✍ হৰিপাল খাখলাৰী | ৪০ |
| এবুকু মৰমৰ অপেক্ষাত | ✍ হিৰুমণি চৌধুৰী | ৪০ |
| তোমাৰ কথা মনত পৰিলে | ✍ জোনাকী ৰাভা | ৪১ |
| অভিনয় | ✍ মণ্টু কলিতা | ৪১ |
| সংগী | ✍ মুকেশ ৰাভা | ৪২ |
| বৰ্ষা নাহিবা ৰাতি | ✍ অৰূপ নাথ | ৪২ |
| বৰষুণ | ✍ কল্যাণ চান | ৪৩ |
| অনুভূতি | ✍ প্ৰাণজিৎ সিংহা | ৪৩ |
| অবুজ মন | ✍ দিশা শৰ্মা | ৪৩ |
| নগৰীত মেটেকা ফুল | ✍ ড° ফণীভূষণ দাস | ৪৪ |

| | | |
|---|---|---|
| অভিমান | ✍ বিনোদ বাভা | ৪৪ |
| তুমি অনন্যা | ✍ ড° নিৰুপা ৰয় বৰুৱা | ৪৫ |
| এটি অবুজ কবিতা | ✍ বীৰেন ভূঞা | ৪৬ |
| *English Section:* | | |
| *Poem* | | |
| What I want | ✍ Jeuti Marak | ৪৭ |
| Light | ✍ Wrestlind R. Marak | ৪৭ |
| Desert of our lost love | ✍ Prabin Prasad | ৪৭ |
| Permanent Name | ✍ Nakul Kachari | ৪৮ |
| Childhood | ✍ Laxmi Sharma | ৪৮ |
| *Article* | | |
| Interpreting the "IDEOLOGY OF TEACHING": A Self Psychological Approach | ✍ Naren Das | ৪৯ |
| A Study of the Educational Problems of Rabha Women of Dudhnoi area in Assam | ✍ Satyabati Rabha | ৫২ |
| Magnetar : Super Strong Magnetized Neutron Star | ✍ Abdul Kader | ৫৪ |
| Traditional Village Organisation of the Karbi Society- A Brief Note | ✍ Waheeda Begum | ৫৬ |
| LET US GO TO MARKET | ✍ Kalyan Borpuzari | ৫৮ |
| "The Mighty Heart: Florence Nightingale"- An Inspirational Note | ✍ Minakshi Pathak | ৬০ |
| Our Examination System and the Examinees | ✍ Juri Mani Nath | ৬২ |
| গাৰো বিভাগ | | |
| Dudhnoi College | ✍ Hambathen Momin | ৬৩ |
| "Chadambeni Somoi" | ✍ Tengjeritha Sangma | ৬৩ |
| Bidani Chinikko Ringgen | ✍ Brithy Bala Marak | ৬৪ |
| ৰাভা বিভাগ | | |
| নাঙো মনি কিয়া | ✍ প্ৰীতি হাটো | ৬৫ |
| নাঙি তাছি কয়ে | ✍ ভৰেন বাভা | ৬৫ |
| নাঙি চাগৰাছং | ✍ আনন্দ চন্দ্ৰ বাভা | ৬৬ |
| বড়ো বিভাগ | | |
| सिखारद | ✍ रुपम बर' | ৬৭ |
| गोर्बोनि राणी | ✍ कर्न खाखलारी | ৬৭ |
| थरथिंसे जिउ | ✍ रतन बर' | ৬৮ |
| अनसाय | ✍ अनसाय बर' | ৬৮ |
| लैथो गेजेरनि बिबार | ✍ अजय हाज'वारी | ৬৯ |
| जोनोमफुरी | ✍ निपन बर' | ৬৯ |
| जोंथि | ✍ लेवका खाखोलारी | ৭০ |
| आं सानाखैमोन | ✍ अनसुमै हाजोआरि | ৭০ |
| दा फावसाय | ✍ प्रनव मोचाहारी | ৭১ |
| नोंनि थाखाय | ✍ सुमित बसुमतारी | ৭১ |
| अनसाय बयखौबो आंनि होनना | ✍ ध्रबजित बर' | ৭২ |
| सिखांदो बर'फोर | ✍ उजला खाखलारी | ৭২ |
| बर' हारि | ✍ रतन बर' | ৭৩ |
| बर' बिमानि मोदै | ✍ प्रसान्त खाखलारी | ৭৩ |
| सिमां | ✍ सुमित बसुमतारी | ৭৪ |
| बर' सिरल्ला | ✍ अमृत बसुमतारी | ৭৪ |
| सुबुं फोथायनाय आरो बिगियाननि बिजिरनाय | ✍ लिलि ब्रह्म | ৭৫ |
| खुगा सल' नंखाय बाथानि आथिं गुसुं | ✍ थरायना भुनूमा दैमारी | ৭৬ |
| माउरिया | ✍ रामु बर' | ৭৭ |
| প্ৰতিবেদন | | ৮০-৯০ |
| **Students exhibiting their talents in variuos compelitions during the College week 2008-2009** | | ৯১-৯৪ |



# অসমীয়া বিভাগ

# ভাৰতীয় আধ্যাত্মিকতা আৰু আজিৰ সমাজৰ নৈতিক স্খলন

✍ কপিল কলিতা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

ধৰ্ম দৰ্শন আৰু আধ্যাত্মিকতাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই বিশ্বৰ ভিতৰতে সদায় এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। ভগৱান শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰ মহাসমৰৰ প্ৰাক্‌মুহূৰ্তত অৰ্জ্জুনৰ ক্লীৱত্ব নাশি তেওঁক কৰ্মত প্ৰবৃত্ত কৰিবৰ কাৰণে যি তত্ত্বজ্ঞান দিছিল স্বয়ং ভগৱানৰ শ্ৰীমুখ নিঃসৃত এই বাণীসমূহেই পৃথিৱীৰ শ্ৰেষ্ঠ মহান ধৰ্মগ্ৰন্থ শ্ৰীমদ্ভাগৱদ গীতাৰ সৃষ্টিৰ আধাৰ। ভগৱান কৃষ্ণই অৰ্জ্জুনৰ আগত অষ্টাদশ যোগৰ সম্পূৰ্ণ তত্ত্বজ্ঞান ব্যক্ত কৰাৰ পিছত এইদৰে কৈছিল— "ইতি তে জ্ঞানমাখ্যাতঃ গুহ্যাদ্ গুহ্যতৰং ময়া।" বিমৃশ্যৈতদশেষণ যথেচ্ছসি তথা কুৰু।।" অৰ্থাৎ "মই তোমাক গোপনীয়তকৈও পৰম গোপনীয় জ্ঞানৰ কথা ক'লো। তুমি এই কথাবোৰ ভালদৰে বিবেচনা কৰি যি ভাল বুলি ভাবা তাকে কৰা।" ভগৱান কৃষ্ণৰ এই বাণীত ভাৰতীয় আধ্যাত্মিক পৰম্পৰাৰ উদাৰতা আৰু মহানতা স্পষ্টৰূপে প্ৰতিফলিত হৈছে। উদাৰ আৰু আহল-বহল দৃষ্টিভংগী ভাৰতবৰ্ষৰ ধৰ্মীয় আৰু আধ্যাত্মিক পৰম্পৰাৰ বিশেষ বৈশিষ্ট্য। প্ৰাক্ ঐতিহাসিক কালৰে পৰা ভাৰতবৰ্ষই আধ্যাত্মিক ক্ষেত্ৰত বিশ্বৰ ভিতৰতে এখন সুকীয়া স্থান অধিকাৰ কৰি আহিছে। বেদ-উপনিষদৰ যুগৰে পৰা ভাৰতবৰ্ষই আধ্যাত্মিক মণি মুকুতাৰ দেশ হিচাপে সমগ্ৰ বিশ্বৰ পণ্ডিত সমাজৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাৰতবৰ্ষৰ এই আধ্যাত্মিক ভাৰত আপ্লুত হৈ পাশ্চাত্যৰ অনেকে আত্মিক সুখ শান্তি বিচাৰি ভাৰতবৰ্ষৰ পিনে দৃষ্টিনিক্ষেপ কৰিছে। ফলস্বৰূপে গঢ়ি উঠিছে ISKCON (International Society for Krishna Consciousness) লেখীয়া আন্তৰ্জাতিক ধৰ্মীয় সংগঠনৰ। এই সংগঠনৰ প্ৰায়ভাগ পাশ্চাত্যৰ লোকে পাশ্চাত্য জগতত থকা অফুৰন্ত দৈহিক সুখ-স্বাচ্ছন্দ্য ত্যাগ কৰি ভাৰতবৰ্ষত বিৰাজ কৰি থকা নৈতিক আৰু আধ্যাত্মিক তত্ত্ব দৰ্শন গ্ৰহণ কৰি পৰমাৰ্থিক সুখ শান্তি লাভত অধিক গুৰুত্ব আৰোপ কৰিছে। এনেদৰে সুমহান দেশ ভাৰতবৰ্ষই যুগে যুগে বিশ্ব মানৱক ধৰ্মীয় আদৰ্শ প্ৰদান কৰি আহিছে। ধৰ্মৰ ক্ষেত্ৰত ভাৰতবৰ্ষই সদায় বিলাওঁতাৰ ভূমিকাহে গ্ৰহণ কৰি আহিছে— লওঁতাৰ নহয়। এই কথাবোৰকে প্ৰতিপন্ন কৰি এগৰাকী বিশ্ব বিশ্ৰুত ইতিহাসবিদ ইংৰাজ পণ্ডিত আৰ্ণল্ড টইনবিয়ে "India's Contribution to World Unity" শীৰ্ষক এটি নিবন্ধত লিখিছে— "Politics is one of the more superficial of man's activities. Religion cuts far deeper, and at the religious level, India has not been a recipient; she has been a giver. About half of the total number of the living higher religions are of Indian origin." ভাৰতবৰ্ষৰ মানুহৰ উদাৰ সহনশীল আৰু বহল দৃষ্টিভংগীৰ বাবেই ইয়াত হিন্দুসকলৰ শৈৱ, শাক্ত, বৈষ্ণৱ আদিৰ লগতে বৌদ্ধ, জৈন, শিখ, ইছলাম, খৃষ্টান আদি বিভিন্ন ধৰ্মাৱলম্বী লোকসকল অতীজৰেপৰা শান্তিপূৰ্ণভাৱে সহাৱস্থান কৰি থাকিব পাৰিছে।

পূণ্যভূমি ভাৰতবৰ্ষৰ জয়গুণ গাই মহাপুৰুষ শংকৰদেৱে কীৰ্ত্তন ঘোষাত লিখিছে—

কোটি কোটি জন্ম অন্তৰে যাহাৰ
আছে মহাপুণ্য ৰাশি।
সি সি কদাচিত মনুষ্য হোৱয়
ভাৰতভূমিত আসি।।
ভাৰতে মনুষ্য জন্ম নুহিকে সেহ্বৰে।
তোমাক নভজি আত্মঘাত কৰি মৰে।।

মহাপুৰুষ মাধৱদেৱে বৰগীতত লিখিছে—

ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰত বাৰিষে।

আকৌ নামঘোষাত মাধৱদেৱে লিখিছে—

"ভাৰতবৰিষ ধন্য কলিযুগ, হৰি হৰি হৰি হৰি এ হৰি হৰি ব্ৰহ্মা াৰ প্ৰাৰ্থনী নৰতনু অনুপাম"। এনেদৰে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে 'ভাৰত ৰত্নৰ দ্বীপত মনুষ্য জন্ম লাভ কৰা পৰম সৌভাগ্যৰ কথা বুলি অভিহিত কৰি গৈছে।

খৃঃপূঃ প্ৰায় আঢ়ৈ হাজাৰ বছৰ সময়ৰ পৰা ভাৰতবৰ্ষত উপনিষদৰ যুগ আৰম্ভ হৈছিল বুলি পণ্ডিত সকলে ঠাৱৰ কৰিছে। উপনিষদৰ যুগত ভাৰতবৰ্ষত যি অপৰিসীম জ্ঞান অন্বেষণ আৰম্ভ হৈছিল— সেই যুগৰ উপৰিও তাৰ বহু পিছৰ কালতো পৃথিৱীৰ অন্যান্য প্ৰান্তত তেনেকুৱা জ্ঞানৰ স্ফুৰণ হোৱা দেখিবলৈ পোৱা নাযায়। ইউৰোপৰ পঞ্চদশ ষোড়শ শতিকাৰ নৱজাগৰণৰ কালছোৱাত যি জ্ঞানোন্মেষ হৈছিল তাকো ভাৰতবৰ্ষৰ উপনিষদৰ যুগৰ সৈতে তুলনা কৰিব নোৱাৰি। ভাৰতবৰ্ষৰ জনগণ আৰু ইউৰোপৰ জনগণৰ মানসিক আৰু বৌদ্ধিক পাৰ্থক্যৰ কথা এটি উদাহৰণৰ পৰা সহজে বুজিব পাৰি। মহাপুৰুষ মাধৱদেৱে ঘোষা শাস্ত্ৰৰ নাম ছন্দত লিখিছে— "গোৱিন্দ গোৱিন্দ গোৱিন্দ গোৱিন্দ গোবিন্দ ৰামমুৰাৰি। অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।।" ষোড়শ শতিকাত ভাৰতবৰ্ষত মানুহে অনন্তকোটি ব্ৰহ্মাণ্ডৰ অস্তিত্বৰ কথা উপলব্ধি কৰিব পাৰিছিল। অথচ সেই সময়তো ইউৰোপৰ মানুহৰ কাৰণে পৃথিৱীখনেই ব্ৰহ্মাণ্ড আছিল।

যুগ যুগ ধৰি বৌদ্ধিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক ক্ষেত্ৰত অতি উচ্চ স্থান লাভ কৰি অহা ভাৰতবৰ্ষ আজি সকলো স্তৰতে স্খলিত হৈছে। ঈশ্বৰে সৃষ্টি কৰা এই সুন্দৰ পৃথিৱীখন মানুহে সৎকৰ্মৰ দ্বাৰা স্বৰ্গলৈ উন্নীত কৰিব পাৰে আৰু অসৎ কৰ্মৰ দ্বাৰা নৰকতো পতিত কৰিব পাৰে। মানুহৰ জীৱনলৈ মানুহে নমাই অনা দুখ-দুৰ্দশা দেখি ইংৰাজ কবি উইলিয়াম ওৱাৰ্ডচ্ৱাৰ্থে আক্ষেপ কৰি এটি কবিতাত কৈছে—

"The wealthiest man amongst us is the best
No gandeur now in nature or in book
Delights us. Rapine, avarice, expense,
This is idolotry; and these we adore:
Plain living and high thinking are no more."
(London, September, 1802)

আজি পৃথিৱীৰ অন্যান্য প্ৰান্তৰ লগতে ভাৰতবৰ্ষৰ সমাজ জীৱনলৈও গভীৰ বিপৰ্যয় নামি আহিছে। দুৰ্নীতি, শোষণ, নিপীড়ন, অন্যায়, অত্যাচাৰ, অনাচাৰ, হিংসা, বিদ্বেষ আৰু সন্ত্ৰাসৰ ক'লা ডাৱৰে চৌদিশ আৱৰি ধৰিছে। চাৰিওফালে হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণৰ লেখীয়া জঘন্য কৰ্মবোৰ অতি সাধাৰণভাৱে সংঘটিত হ'ব ধৰিছে। আধুনিক ভাৰতীয় সমাজৰ বিপৰ্যয় দেখি ১৯৫৬ চনতে ভাৰতবৰ্ষৰ প্ৰখ্যাত দাৰ্শনিক পণ্ডিত ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণনে কৈছিল, "We have to fight today not so much against death and disease as against man's inhumanity to man, oppression and injustice." অৰ্থাৎ মৃত্যু অথবা ব্যাধিৰ বিৰুদ্ধে আজি আমি সিমান সংগ্ৰাম কৰিব লগা হোৱা নাই, যিমান সংগ্ৰাম কৰিব লগা হৈছে মানুহৰ প্ৰতি মানুহৰ বৰ্বৰতা, নিপীড়ন আৰু অন্যায়ৰ বিৰুদ্ধে।

ক্ষমতাশালী লোকসকলে কেৱল ভোগ, লালসা, লোভ, মোহ, কাম, ক্ৰোধত মদমত্ত হৈ থাকি হিতাহিত জ্ঞান হেৰুৱাই নিজৰ অধঃপতন অনাৰ লগতে সমাজৰো বিপৰ্যয় আনিছে। এচামে আকৌ চলে-বলে কৌশলে ৰাজনৈতিক ক্ষমতা হস্তগত কৰাৰ উদ্দেশ্যে হাতত মাৰনাস্ত্ৰ লৈ উগ্ৰপন্থী সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈছে। যিখন দেশত মহাপুৰুষ শংকৰদেৱে প্ৰদান কৰা প্ৰেম, কৰুণা, দয়া আৰু অহিংসাৰ বাণীসমূহে মানৱ সমাজক অতিক্ৰম কৰি গৈ জীৱ-জন্তু, গছ-লতা, পশু-পক্ষীকো সামৰি লৈছিল। সেই দেশখনেই সাম্প্ৰতিক কালত হিংসাৰ বধ্যভূমিত পৰিণত হৈছে। আজি শংকৰ-মাধৱৰ দেশ এই অসমভূমিতে অনেক লোক গোষ্ঠীগত সংঘৰ্ষত লিপ্ত হৈছে। ইয়াতকৈ আৰু দুৰ্ভাগ্যজনক কথা কি থাকিব পাৰে?

সাম্প্ৰতিক কালত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত যি সামাজিক আৰু ৰাজনৈতিক সংকট আৰু বিপৰ্যয় সংঘটিত হৈছে তাৰ অৰ্থনৈতিক সামাজিক আৰু অন্যান্য অনেক কাৰণ থাকিলেও মূল কাৰণ যে শুদ্ধ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ আৰু আদৰ্শৰ অভাৱ তাত তিল মাত্ৰও সন্দেহ নাই। নৈতিক আৰু আধ্যাত্মিক চিন্তা চেতনা অবিহনে মানুহ পশুতুল্য হয়। মানুহ হ'ব লাগে প্ৰকৃততে প্ৰবৃত্তিৰ নিয়ন্ত্ৰক। নানান জাতি-উপজাতিৰে গঠিত যাউতিযুগীয়া প্ৰেম-প্ৰীতি, ভাতৃত্ব আৰু সমন্বয়ৰ গঢ় লৈ উঠা আমাৰ এই সমাজখনৰ পশচাদমুখী গতি ৰোধ কৰি পুনৰ উত্তৰণৰ পথ প্ৰশস্ত কৰাটো দেশ আৰু জাতিক ভালপোৱা প্ৰতিগৰাকী লোকৰে পবিত্ৰ কৰ্তব্য। ই বৰ্তমান সময়ৰ আহ্বান। তাকে কৰিবলৈ হ'লে মহাপুৰুষ শংকৰদেৱ মাধৱদেৱকে প্ৰমুখ্য কৰি কবীৰ, সুৰদাস, নানক প্ৰভৃতি ধৰ্মগুৰু সকলৰ চিৰন্তন বাণী আৰু আদৰ্শসমূহ ভাৰতবৰ্ষৰ মানুহে আন্তৰিকতাৰে গ্ৰহণ আৰু অনুশীলন কৰিব লাগিব। ০০০০

# আত্মাৰ বৈশিষ্ট্য

✍ ৰমাকান্ত ৰাভা
পৰীক্ষাগাৰ সহায়ক, উদ্ভিদ বিজ্ঞান বিভাগ

পুহমহীয়া ঠাণ্ডাত গা ধুবৰ বাবে মাকে ৰুমীলৈ এক কেট্‌লি পানী গৰম কৰি গা ধোৱা ঘৰত থৈ দিছিল। ৰুমীয়ে আহি দেখে যে পানী ঠাণ্ডা হৈ গৈছে। "মা পানী চেঁচা হৈ গ'ল, কেনেকৈ গা ধুম!" ৰুমীয়ে মাকক চিঞৰি ক'লে। মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী ৰুমীৰ ৰাতিপুৱা শ্ৰেণীলৈ পাঠ গ্ৰহণ কৰিবলৈ যাবলৈ খৰখেদা লাগিছিল।

"গাটো ধুবলৈ আহোতে ইমান দেৰি কৰিছা, পানী চেঁচা নহৈ গৰম হৈ থাকিব নেকি? যিমানেই উতলোৱা পানী নহওক কিয় সময়ত চেঁচা হোৱাটো পানীৰ বৈশিষ্ট্য বুজিছা।" এই বুলি কৈ মাকে চেঁচা হোৱা পানীখিনি আকৌ গৰম কৰিবলৈ লৈ গ'ল। "আহা! সোণকালে গা ধোৱাহি, নহ'লে পানী আকৌ চেঁচা হ'ব" এই বুলি কৈ মাকে গৰম পানীখিনি বাল্টি এটাত ঢালি ঢালি পুনৰ কৈ গ'ল—"শীতলতা যেনেকৈ পানীৰ এটা বৈশিষ্ট্য বা গুণ তেনেকৈ অন্য পদাৰ্থ বা প্ৰাণীৰো কিছুমান নিৰ্দ্দিষ্ট বৈশিষ্ট্য বা গুণ থাকে।" আৰু কিহৰ কিহৰ কি কি গুণ থাকে কোৱাচোন মা!" ৰুমীয়ে গা ধুই উঠি তাইৰ আধ্যাত্মিক জ্ঞান আহৰণৰ বাব সদা আগ্ৰহী মাকক সুধিলে। "চোৱা! সূৰ্য্যই আমাক পোহৰ দিয়ে। গতিকে সূৰ্য্যৰ বৈশিষ্ট্য বা গুণ হ'ল পোহৰ দিয়া। সেইদৰে মেঘৰ বৈশিষ্ট্য হ'ল বৰষুণ দিয়া, কুলিৰ বৈশিষ্ট্য হ'ল মিঠা মাত মতা ইত্যাদি। আৰু এটা কথা। প্ৰকৃততে আমি সকলোবোৰ জীৱই একো একোটা আত্মাহে। আত্মাৰো কিছুমান বৈশিষ্ট্য আছে, জানানে?" মাকে ক'লে।

"আত্মা কি আৰু আত্মাৰনো কি বৈশিষ্ট্য আছে মা?" ৰুমীয়ে মাকক অলপ আচৰিত হৈ প্ৰশ্ন কৰিলে। মাকে ৰুমীক ভাত বাঢ়ি দি ক'লে "ভাত খোৱা। আত্মানো কি সেই বিষয়ে মই কওঁ বাৰু শুনা। আত্মা এনে এক শক্তি যি শৰীৰত থাকিলেহে জীৱৰ শৰীৰে লৰচৰ কৰে, কাণেৰে শুনে, চকুৰে দেখে অথবা মুখেৰে মাতিব পাৰে। সকলোবোৰ জৈৱিক কাম শৰীৰৰ দ্বাৰা আত্মাইহে কৰে। আত্মা এক চেতন শক্তি। জীৱৰ শৰীৰটো আত্মা থকা দুদিনীয়া ঘৰহে। আত্মা ওলাই যোৱাৰ পিচত এই শৰীৰৰ কোনো কাম নাই। মাটিৰ লগত এই শৰীৰ মিলি যায়। আত্মা তিৰবিৰাই থকা আকাশৰ তৰাটোৰ দৰেই উজ্বল এক জ্যোতিবিন্দু স্বৰূপ। ই ইমান সৰু যে ইয়াক চকুৰে দেখা সম্ভৱ নহয়। চকুৰ দুই চেলাউৰিৰ মাজৰ কপালৰ ফোঁট লোৱা ঠাইখিনিতে আত্মাই অৱস্থান কৰে। মন্দিৰত পূজাৰীয়ে মন্ত্ৰ মাতি নিজৰ কপালতো সেন্দুৰ অথবা চন্দনৰ ফোঁট লয় আৰু হিন্দু বিবাহিতা মহিলাসকলে সেই স্থানত সেন্দুৰৰ ফোঁট লয়। হিন্দু বিধবা আৰু বৃদ্ধাসকলে সেই স্থানত চন্দন মিটিকাৰ (তীৰ্থৰ পৰা অনা এবিধ বগা মাটি) ফোঁট লয়। আনহাতে মুছলিম ধৰ্মৰ লোকে কপালখনৰ সেই ঠাইখিনি ইমান পবিত্ৰ বুলি ভাবে যে সেইবাবে তাত একোৱেই নলয়। আত্মা শৰীৰ ৰূপী মটৰ গাড়ীখনৰ চালকৰ দৰে। চালকে যেনেকৈ মটৰ গাড়ীখন নিয়ন্ত্ৰণ কৰে, তেনেকৈ আত্মাই শৰীৰক নিয়ন্ত্ৰণ কৰে।

প্ৰকৃতাৰ্থত আমি সকলোবোৰ একোটা আত্মাহে। আত্মা শৰীৰৰ ভিতৰত অদৃশ্য হৈ থাকে কাৰণে শৰীৰকে সৰ্বস্ব বুলি ভাবি লোৱা হয়। শৰীৰটো মূলতঃ জড় বস্তুহে। আত্মা তাৰ চৈতন্য শক্তি। মানুহে আত্মাৰ কথা পাহৰি কেৱল শৰীৰটোৰ কথা চিন্তা কৰে বাবে মানুহ দেহ অভিমানী অৰ্থাৎ অহংকাৰী হৈ পৰে। আত্মা মূলতঃ হ'ল সূক্ষ্ম বিচাৰ ক্ষমতা সম্পন্ন এক অদ্ভূত শক্তি। যি ব্যক্তিক মানসিক ভাবে বলিষ্ঠ কৰি তুলিব পাৰে আৰু মনত এক অনাবিল প্ৰশান্তি প্ৰদান কৰিব পাৰে।" একেৰাহে বহুখিনি কথা কৈ উঠি মাক অলপপৰ মনে মনে ৰ'ল। "আত্মাৰ এই মূলগুণটোৰ বিষয়ে তুমি কেনেকৈ জানিলা মা?" নীৰৱতা ভঙ্গ কৰি ৰুমীয়ে সুধিলে! মাকে পুনৰ ক'বলৈ আৰম্ভ কৰিলে,

"আত্মাই যেতিয়া কিবা এটা ভাবে, চিন্তা কৰে, বিচাৰ

কৰে বা কোনো ইচ্ছা প্ৰকাশ কৰে তেতিয়া কোৱা হয়- মনে বিচাৰে। কিন্তু নিৰ্ণয় বা সিদ্ধান্ত কৰোতা হ'ল বুদ্ধি। যেতিয়া আত্মাই কিবা এটা কৰিবলৈ শেষ সিদ্ধান্ত লয়, তেতিয়া তাক বুদ্ধি নিৰ্ণয় শক্তি বুলি কোৱা হয়। বিজুলী শক্তিৰ দৰে আত্মাৰো শক্তি আছে। মন, বুদ্ধি আৰু সংস্কাৰ হ'ল আত্মাৰ শক্তি। আত্মাৰ শক্তি অতি সূক্ষ্ম। যেনেকৈ আত্মা দেখা নাযায়, তেনেকৈ আত্মাৰ শক্তিও দেখা নাযায়, অনুভৱহে কৰা হয়। প্ৰকৃততে মন হৈছে আত্মাৰেই বিচাৰ শক্তি বা সংকল্প শক্তি আৰু বুদ্ধি হৈছে আত্মাৰ বিবেচনা শক্তিৰ নাম। যি ব্যক্তিক মানসিক প্ৰশান্তি প্ৰদান কৰিব পাৰে।

আজিকালি নানা সমস্যা আৰু ব্যস্ততাৰ বাবে মানুহ বিবেচনাহীন, খঙাল আৰু অশান্ত হৈ পৰে। কিছুমানে নকৰিবলগীয়া কামো কৰে। কিন্তু মন কৰিবাচোন সকলো মানুহেই শান্তি বিচাৰে। হাই কাজিয়া, ঘৰুৱা, অশান্তি কোনেও ভাল নাপায়। বাৰু! হাঁহি থকা মানুহ এজন দেখিলে যিমান ভাল লাগে, খঙাল বা গোমোঠা হৈ থকা মানুহ এজন দেখিলে তোমাৰ সিমান ভাল লাগেনে?" মাকে ৰুমীক সুধিলে। "ওহো! মুঠেই ভাল নালাগে!" ৰুমীয়ে মূৰ জোকাৰি ক'লে— "তোমালোকে কলেজলৈ যাওঁতে কেতিয়াবা বাটত বেয়া কথা শুনিলে বা বেয়া বস্তু দেখিলে ভাল লাগে জানো? তাৰোপৰি কেতিয়াবা মাৰা-দেউতাৰাই নজনাকৈ বেয়া কাম কৰিলে মনটো দোষী দোষী নালাগেনে?" মাকে ৰুমীক আকৌ সুধিলে। "বেয়া কথা শুনিলে বা দেখিলে মনটো বৰ বেয়া লাগে মা! মই কিন্তু আজিলৈকে সজ্ঞানে কোনো বেয়া কাম কৰা নাই। দাদাইহে এবাৰ চানা খাবলৈ দেউতাৰ টেবুলৰ পৰা পইচা চুৰি কৰি ভয় খাইছিল আৰু পিচত নিজকে দোষী দোষী যেন লগাত কথাটো মোক কৈ দিছিল।" "আত্মাই যে বেয়া কাম বা চিন্তা ভাল নাপায় তাৰ প্ৰধান কাৰণ হ'ল, শুদ্ধতা বা পবিত্ৰতা হৈছে আত্মাৰ অইন এক বিশেষ গুণ। তদুপৰি পৰস্পৰৰ প্ৰতি থকা মৰম স্নেহ হৈছে আত্মাৰ মহত্ব।" মাকে ক'লে। "কিন্তু মা আজিকালি মানুহৰ অৰ্থাৎ আত্মাৰ এই গুণবোৰ নোহোৱা হৈ গৈছে নেকি বাৰু? চাৰিওফালে দেখোন পাৰাপাৰহীন অশান্তিহে দেখা গৈছে।" ৰুমীৰ মুখত এনে এক গুৰুতৰ প্ৰশ্ন শুনিব বুলি মাকে ভবাই নাছিল। "তুমি সঁচা কথাকে সুধিছা মাজনী। আত্মা প্ৰকৃততে শক্তিৰ এক ৰূপ তথা শান্তিৰ এক নিয়ন্ত্ৰক। আজিকালি মানুহে নিজকে চিনি নোপোৱাৰ ফলত অৰ্থাৎ নিজকে আত্মাৰহে অধীন বুলি ভাবিব নোৱাৰাৰ বাবে শৰীৰৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰা হৈছে, তেওঁলোকে খোৱা-পিন্ধা আৰু আমোদ-প্ৰমোদতহে বেছি ব্যস্ত হৈ পৰিছে। ইয়াৰ ফলত মানুহৰ দিনে দিনে লোভ, মোহ, খং, ঈৰ্ষা, কামনা-বাসনা ইত্যাদি ৰিপু সমূহ বাঢ়ি গৈছে আৰু এই বিকাৰ সমূহহে বৰ্তমান মানুহৰ দুখ-অশান্তিৰ মূল কাৰণ হৈ পৰিছে"- মাকে গহীনাই কৈ গ'ল।

গতিকে সদায় মনত ৰাখিবা আমি প্ৰত্যেকেই একোটা আত্মাৰ দ্বাৰা পৰিচালিত শৰীৰ মাথোন। এই কথা উপলব্ধি কৰিলেহে মানুহৰ দেহ অভিমান অৰ্থাৎ অহংকাৰ ভাব নোহোৱা হ'ব। ফলত মনৰ বিকাৰ সমূহ লাহে লাহে আঁতৰি যাব আৰু সুখ-শান্তি আনন্দেৰে ধৰা উপচি পৰিব।

মাকৰ কথাবোৰ শুনি ৰুমীৰ মনটো যেন কিবা এক বিশেষ ধৰণে ফৰকাল হৈ পৰিল। মাকক মাত লগাই প্ৰফুল্ল মনেৰে তাই ঘৰৰ পৰা কলেজলৈ বুলি ওলাই গ'ল।

0000

## কৌতুক

◆ দুবছৰৰ মূৰত দুই বন্ধু লগ হ'ল।

ধীৰেন ঃ হাৰে' ৰমেন, তোৰ চুলি পকি শেষ দেখোন?

ৰমেন ঃ হ'বই বন্ধু, মই বিয়া পাতিলো নহয়!

◆ খান্তা ঃ সকলোতকৈ ডাঙৰ চেলেঞ্জ কি কচোন?

বান্তা ঃ পৰীক্ষাৰ বহীত একো উত্তৰ নিলিখি যদি 'সাহস আছে পাছ কৰাই দিয়কচোন' বুলি বহীখনৰ শেষত লিখি থৈ অহাটো।

*সংগ্ৰাহকঃ* **যজ্ঞেশ্বৰ ব্ৰহ্ম**



# এগছি আশাৰ চাকি

সৰোজিনী ৰাভা
অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ

হাতত তিতা কাপোৰ দুখনমান লৈ মানুহগৰাকী দুৱাৰ মেলি বাহিৰলৈ ওলাই আহিল। তেজগোৰা লনি মুখখন, লাহী গা। কপালত ডাঙৰকৈ লোৱা সেন্দুৰৰ ফোঁটটোৰে, শিৰত দগ্‌মগাই থকা সেন্দুৰেৰে আৰু হাতে কানে পিন্ধা সোণৰ নতুন গহনাৰে নতুন কইনাৰ সকলো লাৱণ্য লৈ কাহিলিপুৱাৰ কোমল পোহৰত উদ্ভাসিত হৈ উঠিছে মানুহ গৰাকী। হালধীয়া বুটা বছা সেউজীয়া কপাহী কাপোৰ এসাজ পিন্ধিছে তেওঁ। দীঘল চুলি-কোছা পিঠিত সিঁচৰতি হৈ আছে। তেওঁ এইমাত্ৰ গা ধুই ওলাই আহিছে। চুলিৰ আগেৰে তেতিয়াও তেওঁৰ টোপ্-টোপ্‌কৈ পানী পৰি আছে।

আগদিনা ৰাতিলৈকে উখল-মাখল হৈ থকা ৰভাতল এতিয়া নিজম। বাৰাণ্ডাতে ৰৈ তেওঁ নতুন আলহীৰ দৰে চাৰিওফালে চকু ফুৰালে। তাৰ পাছত গহীন খোজেৰে চোতাললৈ নামি আহিল। চোতালখন পাৰ হৈ কাপোৰ মেলি দিবলৈ সূচল ঠাই এডোখৰ বিচাৰি তেওঁ ইফালে-সিফালে চালে। চোতালৰ এমূৰে দীঘলকৈ বান্ধি থোৱা ৰছীডাল দেখি তেওঁ সেইফালে আগবাঢ়ি গ'ল। ৰছীডালত কাপোৰবোৰ এখন এখনকৈ মেলি দি তাতে ৰৈ তেওঁ দূৰলৈ চাই থাকিল। পূবৰ আকাশখন ৰঙা হৈছে মাত্ৰ। চাৰিওফালে টোপনিৰ প্ৰশান্ত নিৰ্জনতা। তেওঁৰ সুগঢ়ী মূখখনত, আয়ত চকুযোৰত নাৰীত্বৰ তৃপ্তি আৰু পূৰ্ণতাৰ নিয়ম-সহজ আবেগ।

বিয়াৰদিনাখন অৰ্থাৎ কালিলৈকে এই ঠাইডোখৰ, ঘৰটো, মানুহবোৰ তেওঁৰ কাৰণে কিমান দূৰৰ, কিমান অচিনাকি আছিল। অথচ আজি কিমান আপোন কিমান ওচৰৰ হৈ গ'ল। এতিয়াৰ পৰা এইখন ঘৰ তেওঁৰ নিজৰ। এই মানুহবোৰ তেওঁৰ আত্মীয়। সেওঁতাত সেন্দুৰৰ ৰেখা লৈ তেওঁ এইখন ঘৰলৈ আহিছে নতুন এক জীৱন আৰম্ভ কৰিবৰ কাৰণে। তেওঁ এতিয়া ছোৱালী নহয়, বোৱাৰী। দায়িত্বহীন তৰুণী জীৱন এৰি এটা দিনতে তেওঁ দায়িত্ব সচেতন বোৱাৰীলৈ ৰূপান্তৰিত হৈ গৈছে। এদিন তেওঁ ইউনিভাৰ্চিটিৰ হোষ্টেলত থাকিবলৈ অহা তাৰ্কিক, যুক্তিবাদী ৰিৰাজৰ বলিষ্ঠ ব্যক্তিত্বত মুগ্ধ হৈছিল— তাৰ সৈতে অলেখ স্বপ্নময়, কৰ্মমুখৰ উৎসাহৰ মুহূৰ্ত পাৰ কৰিছিল; সেই দিনবোৰ এতিয়া আৰু একে হৈ নাথাকিব। তেওঁৰ কৰ্মব্যস্ত মুক্ত আৰু স্বতন্ত্ৰ জীৱনৰ সৈতে এতিয়া গৃহস্থীৰ দায়িত্বও যোগ হৈ গ'ল।

'বৌ।'

কোনোবাই মতা শুনি মানুহগৰাকীয়ে পিছলৈ উভতি চালে। বাৰাণ্ডাত থিয় হৈ থকা ছোৱালীজনীলৈ চাই তেওঁ লাহেকৈ হাঁহিলে।

'তুমি গা ধুলাই নে বৌ?' ছোৱালীজনীয়ে ক'লে। 'অ'। ইমান সোণকালে উঠিলা যে ৰূপালী?' তিতা চুলি কোছা আগলৈ আনি হাতেৰে আগৰ পানীবোৰ টুকি টুকি মানুহগৰাকী চোতাল পাৰ হৈ বাৰাণ্ডালৈ উঠি আহিল। হাতেৰে চকু মুখ মোহাৰি-মোহাৰি ছোৱালীজনীয়ে সামান্য বিৰক্তিৰে ক'লে—

'টোপনিয়েই নাহিল। ৰীণাই ইমান বেয়াকৈ শোৱে। ৰীণা মানে মাহীৰ ছোৱালীজনী যে— কালি যে গুলপীয়া কাপোৰ এযোৰ পিন্ধিছিল তাই। ৰাতি মোৰ লগতে শুলে। এনে গৰম। উঠিয়েই আহিলো।' অলপ ৰৈ তাই আকৌ সুধিলে—

'চাহ খাবা?'

'খালোহেঁতেন। তুমি মুখ ধুলা?'

'নাই। উঠিছোহে। অলপ ৰ'বা। মুখ ধুই আহো।'

'মই ৰুমৰ পৰা আহো। তুমি মুখ ধোৱাগৈ।'

'ৰুমলৈ কিয় বা?' মিচিকিয়া হাঁহি মাৰি ৰূপালীয়ে তেওঁলৈ চালে। একো নকৈ লাহেকৈ হাঁহি মানুহগৰাকী ভিতৰলৈ সোমাই গ'ল। সুগন্ধৰে ভৰি থকা নতুন আচবাবেৰে সজোৱা কোঠাটোত সোমাই বিচনাৰ ওচৰলৈ আহি তেওঁ আঠুৱাৰ মাজেৰে শুই থকা ৰিৰাজলৈ চালে। বগা পাইজামা পাঞ্জাবী পিন্ধি গাৰু এটা সাৱটি ৰিৰাজ শুই আছে। মানুহগৰাকীৰ

অস্ফুট হাঁহি এটা বিৰিঙি উঠিল। ক'ব নোৱাৰাকৈ তেওঁৰ দুগাললৈ এসোঁতা তপত তেজ বৈ আহিল। বিচনাৰ ওচৰৰ পৰা কোমলকৈ খোজ পেলাই মানুহগৰাকী ড্ৰেছিং টেবুলৰ ওচৰলৈ আহিল। চুলিখিনিৰে শুকানকৈ সাধাৰণ খোপা এটা বান্ধিলে। ফোঁটটো ভালকৈ লৈ কাপোৰ সাজ ঠিক কৰি দুৱাৰৰ ফালে খোজ ল'লে।

'ৰাইমা।'

ৰিৱাজৰ মাত শুনি ৰাইমা থমকি ৰ'ল। উভটি চাই হাঁহি ক'লে—

'সাৰ পাই আছা?'

'শুনা'- টোপনি গধুৰ মাতেৰে ৰিৱাজে ক'লে।

'কি?'

'শুনাচোন'- ৰাইমা বিচনাৰ ওচৰলৈ উভটি আহিল।

'বহা।'

আঁঠুৰাখন উঠাই ৰাইমা বিচনাত বহিল।

'কিবা কবা?' ৰাইমাই ৰিৱাজৰ চুলিখিনি চুই চুই সুধিলে। গাৰুটো গুচাই তাইক এহাতেৰে বুকুৰ মাজলৈ টানি আনি ৰিৱাজে ক'লে—

'শুই থাকা।'

'এই, কি কৰিছা? চাওঁ, এৰি দিয়া।'

'নিদিওঁ।'

'উৎপাত নকৰিবা ৰিৱাজ।'

'কৰিলে কি কৰিবা?'

ৰাইমাই হাঁহি দিলে। ৰিৱাজৰ বাহুৰ মাজত নিজকে এৰি দি লাহেকৈ ক'লে— 'ৰূপালী বৈ আছে। চাহ খাও গৈ।'

'চাহ মোতকৈ ডাঙৰ হ'ল নহয়। যোৱা বাৰু।' ৰিৱাজৰ চুলিখিনি আউল-বাউল কৰি দি হাঁহি হাঁহি ৰাইমা ওলাই আহিল। তাইক দেখা পাই পাকঘৰৰ পৰা ৰূপালীয়ে মাতিলে—

'ইয়ালৈকে আহা বৌ।'

পাকঘৰলৈ সোমাই আহি তাই মূঢ়া এটাত বহিল। তাইক চাহ একাপ দি নিজেও একাপ লৈ ৰূপালীও মূঢ়া এটাত বহিল।

'তোমাৰ কলেজ কেতিয়া খুলিব?' ৰাইমাই সুধিলে।

'আৰু চাৰিদিন আছে।' ৰূপালীয়ে ক'লে।

'তোমাৰ মেজৰ চাবজেক্ট কি? ৰাইমাই সুধিলে।

'অসমীয়া। তুমি আহিলা মোৰ ভালেই হ'ল। মোক কিবাকিবি দেখুৱাই দিব পাৰিবা। তুমি চাকৰিটো এৰি দিলা কিয়?' ৰূপালীয়ে সুধিলে।

'নাই ঘৰৰ ওচৰৰ স্কুল। আমিয়েই খোলা। এনেয়ে কৰি আছিলো— ওচৰৰে ছোৱালী এজনী আছে। ৰিজাল্টো ভাল। ঘৰৰ অৱস্থা বৰ ভাল নহয়। আমি তাইক দিবলৈকে ঠিক কৰি থৈছিলো, পাছ কৰি ওলালেই।

'তোমালোকে এনেকুৱা কাম বহুত কৰিছা নহয়? এই ইস্কুল-টিস্কুল খোলা।'

'কৰিছোঁ দুই এটা। আমাৰ এটা গ্ৰুপ আছে জানা? আমাৰ বহুত কাম কৰাৰ আঁচনি আছে। এতিয়া ইয়ালৈ আহিছো যেতিয়া ইয়াতো কৰিব পাৰিম। তুমিও থাকিবা।'

'এতিয়া আৰু ক'ত পাৰিবা চাগে।' ৰূপালীয়ে উদাসীনভাৱে ক'লে।

'কিয়?'

'মানুহে বেয়া বুলি ক'ব। মোৰো পিচে ঘূৰি ফুৰিবলৈ ভাল নালাগে। এইবোৰ ছচিয়েল কাম কৰি ফুৰে কাৰণে আমাৰ ঘৰৰ ওচৰৰ জোনালীৰ কিমান বদনাম। তাই পিচে খাতিৰেই নকৰিছিল কাকো। এতিয়া ঘৰৰ মানুহে দৰা বিচাৰি হাহাকাৰ কৰি ফুৰিছে। ক'ত আৰু ইমান সহজতে পায়!' ৰূপালীয়ে আপোন মনে কথা কৈ গৈছে। ৰাইমাই হাঁহি দিলে। হাঁহি হাঁহি তাই ক'লে—

'হয় নেকি? তুমি পিছে পাছ কৰি কি কৰিবা? এম. এ পঢ়িবানে?'

'মই পাছ কৰি? চিঠি এখনকো নপঢ়ো। ইমান বেয়া পাওঁ পঢ়ি। মই যে তোমালোকৰ ঘৰলৈ গৈছিলো! তোমাৰ কিতাপবোৰ দেখি মোৰ মূৰ ঘূৰাই গৈছিল জানা। বাপ্‌ৰে নোৱাৰি দেই।'

অলপ সময় বৈ ৰূপালীয়ে আকৌ ক'লে—

'দাদাইঁতে ইউনিভাৰ্চিটিত উলিওৱা মেগাজিনত তোমাৰ প্ৰবন্ধ এটা ওলাইছিল, দাদাই মোক দেখুৱাইছিল, মই মাক দেখুৱালো। মায়েতো ভয়েই খাইছিল।

'ভয় খাইছিল? কিয়?'

ইমান পঢ়া-শুনা কৰিছা-বোৱাৰী হৈ আহিবা কি কৰা। আজিকালিৰ ছোৱালীবোৰ যিহে।'

'তুমি কি ক'লা?'

'মইনো কি ক'ম। মইতো তেতিয়া তোমাক দেখাই নাছিলো। মাই কি কয় জানা— বোৱাৰীবোৰে বোলে বেছি পঢ়া-শুনা কৰিব নালাগে। কৰিনো কি লাভ হ'ব?' বিয়া হৈ ভাতহে ৰান্ধিব লাগিব। দেউতা আকৌ ওলোটা। খালি পঢ় পঢ়কৈ থাকে। .......' ৰূপালীয়ে আৰু কিবা-কিবি কৈ গ'ল। ৰাইমাই আনমনা হৈ শুনি থাকিল। ০০০০

# ৰাষ্ট্ৰীয় শিক্ষাব্যৱস্থা, বিজ্ঞান শিক্ষা, বিজ্ঞানৰ গুৰুত্ব আৰু মূল্য

ডঃ দিপালী ডেকা
প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ



'চাইন্টিয়া' (Scientia) নামৰ লেটিন শব্দটোৰ পৰাই 'Science' অৰ্থাৎ 'বিজ্ঞান' শব্দটোৰ উদ্ভৱ হৈছে। বিজ্ঞান হৈছে প্ৰণালীবদ্ধ জ্ঞান, যি জ্ঞানে জীৱনৰ সকলো ক্ষেত্ৰতে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। বিজ্ঞানৰ সংক্ষেপে অনেক সংজ্ঞা দিব পৰা যায়, ইয়াৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল—

- বিজ্ঞান হৈছে সুসংগঠিত সামান্য বুদ্ধি (Common-sense)।
- প্ৰাকৃতিক পৰিঘটনাসমূহৰ প্ৰকাশেই হ'ল বিজ্ঞান
- বিজ্ঞান সত্যৰ এক অমূল্য আকৰ।
- সত্যানুসন্ধানৰ সেন্দুৰীয়া পথটিৰ নামেই হৈছে বিজ্ঞান ইত্যাদি, ইত্যাদি।

থূলমূলকৈ বিজ্ঞান হৈছে পৰীক্ষণ আৰু নিৰীক্ষণৰ ফলশ্ৰুতিত বিকাশ লাভ কৰা আন্তঃসংযোগী ধাৰণাৰ এটি ধাৰা, যি ধাৰা পৰীক্ষণ-নিৰীক্ষণক পৰ্য্যায়ক্ৰমে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ফলপ্ৰসূ হয়।

এই বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানৱজীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ ফলত আজি ই মানৱৰ সামাজিক তথা সাংস্কৃতিক জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। আধুনিক মানৱৰ দৈনন্দিন জীৱনৰ অনেক প্ৰক্ৰিয়া বিজ্ঞানৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত হয়। বিজ্ঞানেই মানুহক প্ৰকৃতিৰ সৰ্বশক্তিমান প্ৰাণীৰূপে পৰিগণিত হোৱাত অনবদ্য বৰঙণি আগবঢ়াইছে। ৰাতিপুৱা শুই উঠাৰ পৰা নিশা নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লোৱাৰ মুহূৰ্তলৈকে যদি লক্ষ্য কৰা যায়, তেন্তে দেখা যায় যে, আমি দাঁত ঘঁহিবলৈ ব্যৱহাৰ কৰা টুথ্‌পেষ্টটো, খাবলৈ লোৱা চাহকাপ, উপভোগ কৰা ৰেডিঅ'ৰ গান অথবা দূৰদৰ্শনৰ কাৰ্য্যসূচীসমূহ, টোপনি যোৱাৰ আগমুহূৰ্তলৈকে পঢ়া কিতাপখন, অহৰহ ব্যৱহাৰ কৰা বিদ্যুৎচালিত সা-সুবিধাসমূহ এই সকলোবোৰতে নিহিত হৈ আছে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ অলেখ তত্ত্ব।

সাধাৰণ মানুহৰ মাজত বিজ্ঞান সম্পৰ্কে থকা ধাৰণাটো হৈছে, ই এক উচ্চমানৰ জীৱন প্ৰদানৰ সঁজুলি অথবা আনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ ক্ষমতা আৰু দক্ষতা আহৰণৰ ই এটি সুচল পথ। প্ৰকৃততে বিজ্ঞানক আমি এনেদৰে কেতিয়াও জীৱন-ধাৰণৰ উন্নত মান আহৰণৰ বাবে উন্নত দেশসমূহৰ পৰা ধাৰ কৰি অনা এবিধ অস্ত্ৰ জ্ঞান কৰিব নালাগে। ইয়াৰ পৰিবৰ্তে আমি বিজ্ঞানক সমাজ, সংস্কৃতি, জীৱন-ধাৰণশৈলী, চিন্তা আৰু পৰিকল্পনা, নৈতিকতা, সৌন্দৰ্য আৰু আধ্যাত্মিক দিশৰো এটি অবিচ্ছেদ্য অংশ হিচাবে গ্ৰহণ কৰা উচিত। 'আমি কোন' 'আমি কেনেদৰে সম্পৰ্কিত', 'আমি ক'ৰ পৰা আহিছো' আৰু 'আমি ক'লৈ গৈ আছো' ইত্যাদি প্ৰশ্নৰ গভীৰ আধ্যাত্মিক বিশ্লেষণৰ সৈতে বিজ্ঞানৰ সংযোগ স্থাপন কৰিব পাৰিলেহে সমস্যাবোৰৰ সমাধানৰ সঠিক দিশ নিৰ্ণয় কৰা সম্ভৱপৰ হ'ব।

গতিকে দেখা যায় যে বিজ্ঞান এনে এটি বিষয় যাৰ আনুষ্ঠানিক শিক্ষা শিক্ষাৰ্থীসকলৰ বাবে অপৰিহাৰ্য্য UNESCO ৰ আন্তৰ্জাতিক শিক্ষা আয়োগ (International Education Commission) ৰ মতে, 'বৰ্তমান যুগৰ শৈক্ষিক অনুষ্ঠানসমূহৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তি শিক্ষাৰ এক অত্যাৱশ্যকীয় উপাদান হৈ পৰিছে, শিশু তথা যুৱ সমাজক

সামাজিক শক্তি নিয়ন্ত্রণক্ষম তথা উৎপাদনক্ষম কৰি গঢ়ি তোলাৰ বাবে বিজ্ঞানক শিক্ষাৰ প্ৰতিটো ক্ৰিয়াকলাপৰ সৈতে সাঙুৰি লোৱা আৱশ্যক, যাতে শিক্ষাৰ্থীসকলে স্বনিয়ন্ত্ৰণৰ ক্ষমতা লাভ কৰাৰ উপৰিও সমাজৰ আন ব্যক্তিসকলকো বিজ্ঞানৰ ক্ৰীতদাস হোৱাৰ পৰিৱৰ্তে এক বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হোৱাত সহায় কৰিব পাৰে।"

আনুষ্ঠানিক স্তৰত বিজ্ঞান শিক্ষাৰ বিভিন্ন পদ্ধতিসমূহক নিম্নোক্ত বিভাগসমূহত বিভক্ত কৰিব পাৰি—

- কোনো নতুন চিন্তাত সাধাৰণ জ্ঞানৰ প্ৰয়োগ
- সেই চিন্তাৰ সৈতে সঙ্গতি ৰাখি তথ্য সংগ্ৰহ
- সংগৃহীত তথ্যৰ বিশ্লেষণ
- তথ্য সংশ্লেষণ
- তথ্যৰ মূল্যায়ণ

অৱশ্যে কিছুমান তথ্য সংগ্ৰহ আৰু কিছু কৌশল আয়ত্ব কৰোৱাটোৱেই বিজ্ঞান শিক্ষাৰ লক্ষ্য হ'ব নোৱাৰে, প্ৰত্যেক সমস্যাৰ সমাধানৰ সৈতে জড়িত মূলনীতিসমূহ বোধগম্য কৰোৱাটোহে বিজ্ঞান শিক্ষাৰ মূল লক্ষ্য হোৱা উচিত। W. Pauli ৰ মতে, " The aim of science teaching is not the acquisition of information and a few skills but to attain the understanding of the relationship which connects the answer to the problem." সত্যৰ আকৰৰ পৰা সংশ্লেষিত জ্ঞানেই হ'ল বিজ্ঞান, যি জ্ঞানে নৱ নৱ সৃষ্টিৰ সম্ভাৱনা আনে। বিজ্ঞান শিক্ষাই বৈজ্ঞানিক দৃষ্টিভংগী গঢ়াত আৰু জ্ঞানান্বেষণৰ বৈজ্ঞানিক পদ্ধতি অনুসৰণ কৰাত সহায় কৰে।

বিজ্ঞান শিক্ষাৰ জৰিয়তে লাভ কৰা ফলসমূহে আমাৰ দৈনন্দিন জীৱনতো বৰ্ণনাতীত ভূমিকা গ্ৰহণ কৰিছে। যেতিয়া আমি আমাৰ ককা-আইতাহঁতক তেওঁলোকে শৈশৱত দেখা বাসগৃহৰ নমুনা, পৰিবহন আৰু যোগাযোগ পদ্ধতি ইত্যাদিৰ বিষয়ে প্ৰশ্ন কৰো, তেতিয়া তেওঁলোকৰ প্ৰজন্মৰ প্ৰতিজন ব্যক্তিয়ে একেটা উত্তৰ দিয়ে যে তেওঁলোকে এতিয়া আৰু তেতিয়াৰ পৰিবেশৰ মাজত আকাশ-পাতাল প্ৰভেদ প্ৰত্যক্ষ কৰিছে। একালত নিষ্কলংক তীখা, নাইলন, প্লাষ্টিক অথবা টেলিভিচন, এৰোপ্লেন আদি সম্বন্ধে মানুহৰ কোনো ধাৰণাই নাছিল। অথচ আশাতীতভাবে এই সকলোবিলাকে এতিয়া অতি কম দিনৰ ভিতৰতে উন্নতিৰ শীৰ্ষবিন্দু স্পৰ্শ কৰিবলৈ উদ্যত হৈছে। কাৰ বাবে? কেৱল বিজ্ঞানৰ সাধনাৰ বাবেই নহয়নে? আজি বিজ্ঞান শিক্ষা আৰু প্ৰযুক্তিয়ে মনুষ্যজীৱনৰ পথ আৰু তেওঁলোকৰ কাৰ্যদক্ষতাৰ অভূতপূৰ্ব পৰিবৰ্তন আনি দিছে। আনকি একো একোটা বৃহৎ এলেকাৰ বিকাশৰ গতি ক্ষীপ্ৰতৰ কৰিছে বিজ্ঞানে। আমাৰ দৈনন্দিন বিভিন্ন ক্ষেত্ৰত বিজ্ঞান সাধনাৰ ফলসমূহে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে নিম্নোল্লেখিত ধৰণে—

(1) **বিজ্ঞানশিক্ষা আৰু কৃষি ঃ** জীৱিত বস্তুসমূহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৱশ্যকতা হৈছে খাদ্য। প্ৰায় দহহাজাৰ বছৰৰ পূৰ্বে মানুহে খেতিৰ জৰিয়তেহে যে বিৰামহীনবাবে খাদ্য সংগ্ৰহ কৰিব পৰা যায় এই কথা জানিব পাৰিছিল। প্ৰকৃতাৰ্থত কৃষিৰ আৱিষ্কাৰেই প্ৰথমতে মানুহক জীৱশ্ৰেষ্ঠৰ আসনত স্থাপন কৰে। মানুহৰ প্ৰথম মৌলিক প্ৰয়োজন যিহেতু কৃষি, গতিকে কৃষি বিজ্ঞান তথা কৃষি প্ৰযুক্তিয়ে ক্ৰমাৎ প্ৰসাৰ লাভ কৰি বৰ্তমানৰ উন্নত অৱস্থা পাইছে।

ভাৰতীয় শিক্ষা আয়োগৰ (Indian Education Commission) মতে কৃষিৰ বিজ্ঞানভিত্তিক শিক্ষাৰ বিকাশেই হ'ল দেশৰ বিকাশৰ আটাইতকৈ উল্লেখযোগ্য দিশ। এই আয়োগৰ মতে, "The most significant is the development of a new agricultural technology based on science. During the past hundred years, agriculture in many parts of the world has been revolutionised, in part by the development of chemical engineering and mechanisation and in part by a more fundamental revolution in man's biological understanding. This new scientific understanding of the nature of living creatures both plants and animals has led to a spectacular improvement in agricultural technology."

কৃষিয়ে মানুহক প্ৰতিদিনে খাদ্য সংগ্ৰহ কৰিব লগা হোৱা দুঃচিন্তা তথা যন্ত্ৰণাৰ পৰা নিষ্কৃতি দিয়ে। কৃষিৰ জৰিয়তে বছৰৰ কেইটামান নিৰ্দিষ্ট ঋতুত শস্য চপাই ইয়াক জমা কৰি খাদ্য আহৰণ প্ৰক্ৰিয়াটো অব্যাহত ৰখা হয়। এই প্ৰসংগত 'সেউজ বিপ্লৱে' কৃষিক্ষেত্ৰত বিজ্ঞানৰ প্ৰভাৱ অধিক সুস্পষ্ট কৰাৰ কথা উল্লেখ কৰিব পাৰি। সাৰ আৰু কীট-নাশকৰ বৈজ্ঞানিক পদ্ধতিত উপযোগী ব্যৱহাৰ, উন্নত কৃষিপদ্ধতিৰ প্ৰয়োগ, বিচিত্ৰপ্ৰকাৰৰ উচ্চমানবিশিষ্ট বীজৰ ব্যৱহাৰ ইত্যাদি সকলো প্ৰক্ৰিয়াই বৰ্তমান শস্য উৎপাদনৰ হাৰ বৃদ্ধিত সৰ্বতোপ্ৰকাৰে সহায় কৰিছে।

বৰ্তমান কৃষি বিশ্ববিদ্যালয়সমূহে কৃষকসকলে ভাগ ল'ব পৰাকৈ বিভিন্ন ৰাজহুৱা সভা, আলোচনাচক্ৰ আদিৰ আয়োজন

কৰে আৰু লগতে কৃষক মেলাৰো আয়োজন কৰে য'ত কৃষকসকলে নিত্যনতুন কৃষিপ্ৰযুক্তি আৰু নানাধৰণৰ উন্নত বীজ প্ৰয়োগ সম্পৰ্কীয় জ্ঞান লাভ কৰিব পাৰে। ৰেডিঅ' তথা দূৰদৰ্শন যোগে সম্প্ৰচাৰ হোৱা বিভিন্ন ধৰণৰ কৃষি শিক্ষামূলক অনুষ্ঠান, বতৰ বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে প্ৰচাৰিত বতৰৰ আগলিবতৰা ইত্যাদিৰ যোগেদিও কৃষকসকলে পূৰ্বসাবধানতা (Precaution) অৱলম্বন কৰিব পাৰে। মুঠতে বিজ্ঞানে কৃষিক্ষেত্ৰত এক নৱবিপ্লৱৰ সূচনা কৰিছে বুলি ক'ব পৰা যায়।

**(2) বিজ্ঞান শিক্ষা আৰু স্বাস্থ্য ঃ** স্বাস্থ্যক্ষেত্ৰত বিজ্ঞানশিক্ষাৰ ভূমিকা অতুলনীয়। বৰ আই, কলেৰা আৰু প্লেগজাতীয় মহামাৰী চলি থকা অৱস্থাত কোনো এখন ঠাইৰ বাসিন্দাসকলে স্থান পৰিবৰ্তন কৰি অইন এখন সুৰক্ষিত ঠাইলৈ যাবলগীয়া হোৱা ঘটনা সৌ-সিদিনালৈকে ঘটি থকা দেখা গৈছিল। কিন্তু চলিত দিনবোৰত এইবোৰ মহামাৰী ৰোগত মৃত্যু হোৱাৰ ঘটনা সংবাদ মাধ্যমৰ যোগেদিয়েই হওক অথবা অইন কোনো মাধ্যমেৰেই হওক আনকি শুনিবলৈও পোৱা নাযায়। বিজ্ঞান সাধনাৰ ফল নানাৰকমৰ ঔষধ আৰু প্ৰতিষেধক ভেক্‌চিন ইত্যাদি আজি প্ৰাণৰক্ষাকাৰী বুলি প্ৰমাণিত হৈছে। আধুনিক যুগত মানুহ আৰু পশুপক্ষীৰ ৯০% ৰোগ সংশ্লেষিত দৰবৰ (Synthetic drugs) সহায়ত আৰোগ্য কৰা হয় আৰু সেয়েহে সমগ্ৰ পৃথিৱীজুৰি বহুজাতিক কোম্পানীবোৰৰ সংশ্লেষিত দৰব উৎপাদন এতিয়া অনেক কোটিটকীয়া ব্যৱসায় হৈ পৰিছে। এই ঔষধবোৰৰ তালিকাত অন্তৰ্ভুক্ত হৈছে নানা ৰকমৰ বিষনাশক (Analgesics), উষ্ণতাহ্ৰাসক (Antipyretics), পচননিবাৰক (Antiseptic), নিদ্ৰাকাৰক (Hypnotics), মেলেৰিয়ানাশক (Antimalarials), প্ৰস্ৰাৱৰ্দ্ধক (diuretics), বেক্টেৰিয়ানাশক (Bacterioicides) ইত্যাদি আৰু এইবোৰে বিভিন্ন ৰোগৰ চিকিৎসাক্ষেত্ৰত একৰকমৰ আলোড়নৰ সৃষ্টি কৰিছে।

এক্সৰে, তেজস্ক্ৰিয় আইছ'টপ, TMT, CAT, MRI, স্কেন, NMR স্কেন, ECG, আল্ট্ৰাচাউণ্ড, ইক'কাৰ্ডিঅ'গ্ৰাফী EEG, EMG ইত্যাদি হৈছে আমাৰ স্বাস্থ্যৰক্ষাৰ উদ্দেশ্যে শেহতীয়াভাবে বিজ্ঞানে আগবঢ়োৱা কেইবিধমান অতি গুৰুত্বপূৰ্ণ অৱদান।

**(3) বিজ্ঞান শিক্ষা আৰু উদ্যোগশিল্প ঃ** বিজ্ঞান শিক্ষা আৰু সাধনাত সৃষ্ট নন আৱিষ্কাৰে উদ্যোগশিল্পৰ বৃদ্ধিৰ হাৰ ত্বৰান্বিত কৰিছে। অৱশ্যে এই কথা অনস্বীকাৰ্য্য যে আৰম্ভণিতে মানুহৰ শক্তিৰ একমাত্ৰ উৎস আছিল কেৱলমাত্ৰ নিজৰ শৰীৰটো। কিন্তু বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে মানুহৰ যাবতীয় অনেক কাম-কাজ যন্ত্ৰই কৰি দিব পৰা হৈছে, কৰাটো সহজ কৰি দিব পৰা হৈছে অথবা ক্ষিপ্ৰতাৰে কৰি দিব পৰা হৈছে। উদাহৰণস্বৰূপে পৰিষ্কাৰক দ্ৰব্য, ৰং, ৰাসায়নিক সাৰ, কীটনাশক, ভেকুৰনাশক, ৰোগনাশক ইত্যাদি দ্ৰব্যৰ প্ৰয়োগ পদ্ধতিৰ সকলোবোৰ কাৰ্য্য এতিয়া স্বয়ংক্ৰিয় যন্ত্ৰই কৰি দিব পৰা হৈছে।

তীখা উৎপাদন, বস্ত্ৰ-উৎপাদন, অট'মবাইল, ৰেললাইন, বৈদ্যুতিক সামগ্ৰী উৎপাদন ইত্যাদি হৈছে উদ্যোগ শিল্পৰ উদাহৰণ। হস্ততাঁতৰ সহায়ত এসপ্তাহত খুব বেছি মাথোন কেইমিটাৰমান কাপোৰ উৎপাদন কৰিব পৰা যায়। ইয়াৰ বিপৰীতে বস্ত্ৰশিল্প উদ্যোগৰ কল-কাৰখানাৰ জৰিয়তে এদিনতে আনকি কেইবালাখ মিটাৰ কাপোৰ উৎপাদন কৰা হয়। যন্ত্ৰৰ সহায়ত উন্নত মানদণ্ডৰ সামগ্ৰী বুজন পৰিমাণত, কম সময়ত আৰু কম মূল্যত লাভ কৰিব পৰা যায়। এইক্ষেত্ৰত কোথাৰী আয়োগৰ এটি বহুমূলীয়া মন্তব্য উল্লেখ কৰিব পাৰি— "The wealth and prosperity of a nation depends on the effective utilization of its human and material resources through industrialization. The use of human material for industrialization demands its education in science and training in technical skills. Industry opens up possibilities of greater fulfilment for the individual."

**(4) বিজ্ঞানশিক্ষা আৰু গৱেষণা ঃ** বিজ্ঞানশিক্ষাৰ অগ্ৰগতিৰ লগে লগে আজি বিশ্ববিদ্যালয়সমূহে গৱেষকসকলক গৱেষণাৰ ভিন ভিন ক্ষেত্ৰ যেনে উদ্যোগশিল্প, কৃষি, ইন্ধন প্ৰযুক্তি, ঔষধ প্ৰযুক্তি, খাদ্যৰ বিকাশ ইত্যাদি ক্ষেত্ৰত গৱেষণাৰ কাম চলাবলৈ U.G.C. CSIR, ICMR, IARI আৰু অন্যান্য বৈজ্ঞানিক কাৰ্য্যকৰ্ত্তা সংগঠনৰ জৰিয়তে নানা সা-সুবিধা আগবঢ়াইছে। গতিকে বিজ্ঞান শিক্ষাৰে শিক্ষিত আগ্ৰহী আৰু উচ্চকাংক্ষী ব্যক্তিসকলৰ কৰ্মসংস্কৃতিৰ ক্ষেত্ৰখনৰ পৰিধিও অভাবনীয়ভাবে প্ৰসাৰিত হৈছে।

**(5) বিজ্ঞানশিক্ষা আৰু বাসোপযোগী পৰিবেশ ঃ** এই কথা অনস্বীকাৰ্য্য যে মানব সমাজৰ বিকাশৰ লগে লগে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰকাশৰ স্তৰো উন্নীত হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰে মানৱ সমাজক নানা দিশত লাভান্বিত কৰাৰ লগতে ই জীৱজগতখনৰ জীয়াই থকাৰ পৰিবেশ সৃষ্টি কৰাৰ দিশতো উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। বিজ্ঞান

আৰু প্ৰযুক্তিৰ প্ৰতিটো নৱ প্ৰবৰ্ত্তনে আজি মানৱজীৱনৰ অলেখ ন ন দিশ উন্মোচন কৰিছে। অৱশ্যে আনহাতে মানৱৰ হিতাৰ্থে বিজ্ঞানে সৃষ্টি কৰা সামগ্ৰীসমূহৰ স্বয়ং মানুহে অপপ্ৰয়োগ কৰাৰ ফলত প্ৰাকৃতিক পৰিবেশ প্ৰতিকূল হৈ পৰা দেখা যায়।

**(6) বিজ্ঞানশিক্ষা আৰু নাৰী ঃ** এখন সমাজৰ সভ্যতা-সংস্কৃতিৰ মানদণ্ড কিমান উচ্চ অথবা নিম্ন সেই কথাৰ উমান পোৱা যায়, সেই সমাজখনত নাৰীৰ স্থান সম্পৰ্কে অধ্যয়ন কৰিলে। সেইদৰে আজিৰ অগ্ৰগামী যুগত কোনো এখন দেশৰ উন্নয়নৰ মানদণ্ড প্ৰকৃতাৰ্থত কিমান উচ্চ অথবা নিম্ন সেই কথাৰ উমান পোৱা যায় সেই দেশখনৰ কিমান বেছি অথবা কম সংখ্যক নাৰী বিজ্ঞান শিক্ষাৰে শিক্ষিত তাক অধ্যয়ন কৰিলে। চলিত দিনবোৰত বিজ্ঞানে সমাজত সৰ্বসাধাৰণ নাৰীৰ স্থান নিঃসন্দেহে উন্নত কৰিছে। উদাহৰস্বৰূপে পৌৰাণিক দিনত আমাৰ দেশৰ তিৰোতাসকলে ৰান্ধনীঘৰৰ ধোঁৱা সেৱন কৰাৰ ফলত নানাৰকমৰ ৰোগত ভুগিবলগীয়া হৈছিল, পানীসংগ্ৰহৰ বাবে কেইবাকিলোমিটাৰ পদব্ৰজে অতিক্ৰম কৰি নৈ বা পুখুৰীলৈ যাবলগীয়া হৈছিল, চিকিৎসাৰ অভাৱত বিশেষকৈ প্ৰসূতিসকলে নানাৰকমৰ ৰোগত ভুগিবলগীয়া হৈছিল ইত্যাদি, ইত্যাদি। বিজ্ঞানৰ আশীৰ্বাদত আজিৰ নাৰী এনে অবৰ্ণনীয় যন্ত্ৰণাৰ পৰা মুক্ত হৈছে। বিজ্ঞানে আজিৰ নাৰীক কেৱল গৃহিণী হৈ থাকিবলৈ নিদি চিকিৎসক, অভিযন্তা, পাইলট, গৱেষক, প্ৰতিৰক্ষা বিষয়া, প্ৰশাসনীয় বিষয়া ইত্যাদি নানা পদত অধিষ্ঠিত কৰি মানৱসমাজলৈ সেৱা আগবঢ়োৱাৰ সুবিধা প্ৰদান কৰিছে। মুঠতে বিজ্ঞানশিক্ষাৰ আশীষ শিৰত লৈ আজিৰ নাৰীয়ে মূৰ তুলি জীয়াই থকাৰ সুবৰ্ণ সুযোগ লাভ কৰিছে।

**(7) বিজ্ঞানশিক্ষা আৰু যোগাযোগ ব্যৱস্থা ঃ** বিজ্ঞানশিক্ষাৰ অইন এটি গুৰুত্বপূৰ্ণ অৱদান হৈছে যোগাযোগ ব্যৱস্থা। আজি U.G.C ৰ দ্বাৰা দূৰদৰ্শনযোগে নিৰ্দ্দিষ্ট সময়ত উচ্চশিক্ষা সম্বন্ধীয় বিভিন্ন ধৰণৰ কাৰ্য্যসূচীৰ সম্প্ৰচাৰ হোৱা দেখা যায়। তাৰোপৰি কিছুমান অইন এজেন্সিয়েও শিক্ষা সম্পৰ্কীয় অনেক কাৰ্য্যসূচী দূৰদৰ্শনযোগে প্ৰচাৰ কৰা দেখা যায়। এইক্ষেত্ৰত উপগ্ৰহ কেন্দ্ৰসমূহেও (Satellite Channels) গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। টেলিফোন, তাঁৰ বাৰ্তা, ৰেডিঅ' আৰু বৰ্তমান দূৰদৰ্শনে আমাক সমগ্ৰ পৃথিৱীৰ খবৰ এটা মুহূৰ্ততে যোগান ধৰিবলৈ সক্ষম হৈছে, যিহেতু এতিয়া বাতৰিসমূহ বেতাৰ তৰংগৰ জৰিয়তে সংগ্ৰহ কৰা হয়। এই তৰংগসমূহে পোহৰ-তৰংগৰ গতিৰ সৈতে চলাচল কৰে আৰু ই প্ৰতি চেকেণ্ডত সম্পূৰ্ণ পৃথিৱীখনক সাতবাৰ প্ৰদক্ষিণ কৰিব পাৰে। সদ্যহতে ম'বাইল ফোন, Email আৰু ইণ্টাৰনেটে সমগ্ৰ পৃথিৱীখনৰ পৰিসৰ একেবাৰে ক্ষুদ্ৰ কৰি পেলাইছে।

UNESCO ৰ আন্তৰ্জাতিক শিক্ষা আয়োগ (International Education Commissiom) ৰ মতে "Science and technology must become essential components in any educational enterprises, they must be incorporated into all educational activity intended for children, young people and adults, in order to help the individual to control social energies as well as natural and productive ones thereby achieving mastery ever himself, his choices and actions and finally, they must help a man to acquire a scientific turn of mind so that he becomes able to promote science without being enslaved by it."

National Policy on Education (1992) য়ে আনুষ্ঠানিক শিক্ষাৰ পৰিধিৰ বাহিৰৰ ব্যক্তিসকলকো সাঙুৰি ল'ব পৰাকৈ বিজ্ঞানশিক্ষাক প্ৰসাৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই মত অনুসৰি, "Every effort will be made to extend science education to the vast numbers who have remained outside the pale of formal education."

স্কুল পৰ্য্যায়ত বিজ্ঞানক এটা বিষয়ৰূপে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছিল কেনন উইলচনে ১৮৬৭ চনত। ইয়াৰ বাবে তেওঁ এনেদৰে যুক্তি আগবঢ়াইছিল যে "বিজ্ঞান হৈছে সঠিক, সূক্ষ্ম আৰু উচ্চতম পৰ্য্যায়ৰ নিৰীক্ষণ কৰিব পৰা গুণ আহৰণৰ বাবে আটাইতকৈ উত্তম শিক্ষক, ই ব্যক্তিৰ মনৰ প্ৰকৃতিক সত্যসন্ধানী হ'বলৈ আৰু মনুষ্যত্বৰ মূলধন সত্যৰ প্ৰতি আস্থাভাজন হ'বলৈ শিকায়। তেওঁ কৈছিল, "বিজ্ঞানে শিকায়, 'সাক্ষ্য কাক বোলে,' 'প্ৰমাণ কাক কয়' (Science teaches what evidence is, what proof is)।

১৯৬৪ চনত কোথাৰী আয়োগে স্কুলীয়া পাঠ্যক্ৰমত বিজ্ঞানক এক গুৰুত্বপূৰ্ণ স্থানত ৰখাৰ ওপৰত জোৰ দিছিল। ইয়াৰ ফলশ্ৰুতিত স্কুলীয়া শিক্ষাৰ প্ৰথম দহবছৰত বিজ্ঞান আৰু গণিতক এক বাধ্যতামূলক বিষয় হিচাবে শিক্ষাদান কৰিবলৈ আয়োগে অনুমোদন জনায়। ইয়াৰ উপৰিও আয়োগে মাধ্যমিক স্তৰৰ ইচ্ছুক মেধাবী ছাত্ৰ-ছাত্ৰীসকলে যাতে বিজ্ঞানক ঐচ্ছিক বিষয়ৰূপে অধ্যয়ন কৰিব পাৰে তাৰ সমৰ্থনত মত পোষণ কৰে। কোথাৰী আয়োগৰ অনুমোদন অনুসৰি, "We lay

great emphasis on making science an important element in the school curriculum. We, therefore, recommended, that science and mathematics should be taught on a compulsory basis to all pupils, as a part of general education during the first then years of schooling. In addition, there should be provision of special courses in these subjects at the secondary stage for students of more than average ability."

ভাৰতবৰ্ষত NCERT (National Council of Educational Research and Training) ৰ প্ৰচেষ্টাত উচ্চ মাধ্যমিক স্তৰত বিজ্ঞান আজি এটি বাধ্যতামূলক বিষয় হৈ পৰিছে। কিছুমান বিশেষ মূল্যৰ বাবে আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমত বিজ্ঞানক এই বিশেষ স্থান দিয়া হৈছে। বিজ্ঞান বিষয়টোৰ শিক্ষাৰ এই বিশেষ মূল্যসমূহক নিম্নোক্ত শিতানকেইটিত বিভক্ত কৰিব পৰা যায়—

**(ক) বৌদ্ধিক মূল্য (Intellectual value) ঃ** বিজ্ঞানে মানুহৰ চিন্তাশক্তিৰ আৰু বিচাৰশক্তিৰ নতুন পথৰ সন্ধান দিয়ে। Huxley ৰ মতে, "বিজ্ঞান হৈছে এক সুসংগঠিত সামান্য বুদ্ধি (Common sence)।" বিজ্ঞান অধ্যয়নে আমাৰ চাৰিওদিশৰ জগতখন সম্পৰ্কে এক প্ৰকৃত স্বকীয় অন্তদৃষ্টি প্ৰদান কৰে। বিজ্ঞানে মানুহৰ বুদ্ধিমত্তাক তীক্ষ্ণতা প্ৰদান কৰে, বৌদ্ধিকভাবে সৎ হ'বলৈ শিকায়, নিৰীক্ষণ আৰু বিচাৰৰ ক্ষেত্ৰত অতি সূক্ষ্ম অথচ জটিল পদ্ধতি অৱলম্বন কৰিবলৈ বাট দেখুৱায়। যিসকল ব্যক্তি বিজ্ঞান বিষয়ৰ ডিগ্ৰীধাৰী হৈও এইসমূহ গুণৰ এটাৰো অধিকাৰী হ'ব নোৱাৰে, তেওঁলোকে নিজকে বিজ্ঞান অনুৰাগী বুলি দাবী কৰাৰ থল নাথাকে।

**(খ) ব্যৱহাৰিক মূল্য (Utilitarian value) ঃ** বৰ্তমান যুগটো হৈছে বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ। আমি ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱাৰ পৰলৈকে দিনটোৰ সমস্ত ক্ৰিয়াকলাপৰ নিৰ্দেশ কৰে বিজ্ঞানে। বিজ্ঞানে আমাৰ দেশৰ জনগণৰ জীৱন, সমাজ তথা পৰম্পৰা এই সকলোৰে আমূল পৰিবৰ্তন সাধন কৰিছে। ফলস্বৰূপে প্ৰতিগৰাকী ব্যক্তিৰ আৱশ্যকতা তথা অগ্ৰাধিকাৰৰ প্ৰকৃতিৰো পৰিবৰ্তন ঘটিছে। কাৰ্য্যালয় তথা বাসগৃহসমূহত শীত-তাপ নিয়ন্ত্ৰণকাৰী যন্ত্ৰ, শীতলকাৰক (Cooler) উত্তাপবৰ্দ্ধক (Heater) ইত্যাদি সংযোগৰ জৰিয়তে বিজ্ঞানক ব্যৱহাৰ কৰি প্ৰতিকূল বতৰৰ প্ৰভাব ৰোধ কৰাৰ লগতে জীৱনক আৰামদায়ক আৰু উপভোগ্য কৰি তুলিছে। ৰেডিঅ,' দূৰদৰ্শন আদিৰ বহুল ব্যৱহাৰে অসূৰ্য্যস্পৰ্শা গ্ৰামাঞ্চললৈও অভাবনীয় পৰিবৰ্তন আনি দিছে। দৈনন্দিন জীৱনত ব্যৱহৃত বিজ্ঞান প্ৰদত্ত সামগ্ৰীসমূহৰ যথোপযুক্ত ব্যৱহাৰৰ বাবে বিজ্ঞানত ব্যৱহৃত বিজ্ঞান প্ৰদত্ত সামগ্ৰীসমূহৰ যথোপযুক্ত ব্যৱহাৰৰ বাবে বিজ্ঞানৰ ন্যূনতম জ্ঞান নহ'লে আজিৰ প্ৰতিগৰাকী ব্যক্তিৰ জীৱন একপ্ৰকাৰ অচল হৈ পৰা পৰিলক্ষিত হয়।

**(গ) বৃত্তিমূলক মূল্য (Vocational value ) ঃ** বিজ্ঞানে শিক্ষাৰ্থীসকলক বিভিন্ন ধৰণৰ বৃত্তি যেনে চিকিৎসা, কৃষি, অভিযন্ত্ৰণ, মহাকাশ বিজ্ঞান ইত্যাদিৰ বাবে প্ৰস্তুত কৰে। বিজ্ঞান শিক্ষাই নিষ্কৰ্মা হৈ থকা সমস্যাৰ পৰা শিক্ষা লাভ কৰা সকলক নিষ্কৃতি প্ৰদান কৰে। স্কুল পৰ্য্যায়তে বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰি তুলিব পাৰিলে, ই পিছৰ জীৱনত যিকোনো উৎপাদনমুখী কাম কৰাত তেওঁলোকৰ সহায়ক হয়।

**(ঘ) নৈতিক মূল্য (Moral value ) ঃ** বিজ্ঞানে শিক্ষাৰ্থীসকলৰ চৰিত্ৰগঠনৰ তিনিটা মূল দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে— 'সত্য', 'সুন্দৰ' আৰু সৎগুণ'। বিজ্ঞান এনে এটি বিষয় য'ত সাফল্য লাভ কৰিবলৈ হ'লে সত্যবাদীতা গুণটো অৰ্জন কৰা শিক্ষাৰ্থীসকলৰ বাবে জৰুৰী। যি ব্যক্তিয়ে নিৰীক্ষণ কৰি পোৱা বস্তু এটাৰ ভুল ব্যাখ্যা ডাঙি ধৰে, বাস্তৱ সত্যৰ ওপৰত কল্পনাৰ ৰহন সানি অতিৰঞ্জিত কৰে, তেনে ব্যক্তিয়ে এজন বিজ্ঞান অধ্যয়নকাৰী হিচাবে নিজকে প্ৰবঞ্চনা কৰে, নিজৰ শক্তি আৰু সময়ৰ অপচয় কৰে। সেইবাবেই বিজ্ঞানক সততাৰে কৰা সত্যানুসন্ধান বুলি কোৱা হয়।

**(ঙ) মনোবৈজ্ঞানিক মূল্য (Psychological value ) ঃ** বৈজ্ঞানিক পদ্ধতিসমূহ মনোবিজ্ঞানৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। 'কৰি শিকা' (learning by doing), 'ক্ৰিয়াকলাপ পদ্ধতি,' (activity method), 'সংহত তথা জীৱিত নিদৰ্শ নিৰীক্ষণ কৰি শিকা' (learning by observing concrete and living species) ইত্যাদি হৈছে মনোবিজ্ঞানৰ প্ৰাথমিক নীতি আৰু এইবোৰেই হ'ল বিজ্ঞানৰো মূল নীতি।

**(চ) বৈজ্ঞানিক পদ্ধতিত প্ৰশিক্ষণৰ মূল্য (Value of training in scientific method) ঃ** বিজ্ঞানে শিক্ষাৰ্থীসকলক কোনো সমস্যাৰ নিৰ্দিষ্ট পদ্ধতি অনুসৰণ কৰি সমাধান কৰিবলৈ উদগনি যোগায়। সংক্ষেপে কোনো এটা সমস্যাৰ বৈজ্ঞানিক পদ্ধতিত সমাধান কৰাৰ ক্ষেত্ৰত নিম্নোক্ত স্তৰকেইটা জড়িত হৈ থাকে— (i) সমস্যাটোৰ সঠিক পৰিদৰ্শন (ii) সমস্যাটো সমাধানৰ বাবে যুঁজ দিবলৈ নিৰ্দিষ্ট পদ্ধতি প্ৰণয়ন (iii) তথ্য সংগ্ৰহ আৰু

(iv) সংগৃহীত তথ্যৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ।

**(ছ) নান্দনিক মূল্য (Aesthetic value ) ঃ** হেন্‌ৰি পিয়নকেয়াৰে কৈছিল যে, "বিজ্ঞান শিক্ষাৰ্থীসকলে কোনো এটা সমস্যাৰ সঠিক সমাধানত যিমান আগ্ৰহী তাতকৈ যিটো পদ্ধতি অনুসৰণ কৰি সমস্যাটো সমাধান কৰে সেই পদ্ধতিটোৰ সৌন্দৰ্য্যৰ প্ৰতি অধিক আগ্ৰহী হয়। কিট্‌চৰ মতে "Truth is beauty", অৰ্থাৎ "সত্য সুন্দৰ" আৰু বিজ্ঞান সদায় সত্যৰ ওপৰত প্ৰতিষ্ঠিত, সেয়েহে বিজ্ঞান সুন্দৰ। তাৰোপৰি বিজ্ঞান এবিধ কলা, সেয়েহে বিজ্ঞানপ্ৰেমী প্ৰত্যেকজন ব্যক্তি প্ৰকৃততে একোজন কলাকাৰ।

এবাৰ মহান বিজ্ঞানী ফেৰাডেই তেওঁৰ অনুৰাগী বিজ্ঞানী টিণ্ডেললৈ লিখিছিল, "I am old and you are young but then our subjects are so glorious that to work on them rejoices and encourages the feeblest delights and enchants the strongest."

**(জ) সাংস্কৃতিক মূল্য (Cultural value ) ঃ** বিজ্ঞান সদায় প্ৰগতিবাদী। বৈজ্ঞানিক আৱিষ্কাৰৰ বুৰঞ্জী, বৈজ্ঞানিকসকলৰ দুঃসাহসিক কাৰ্য্য, তেওঁলোকৰ জীৱন শৈলী ইত্যাদি সকলোবোৰে বিজ্ঞানক মনুষ্যসম্বন্ধীয় সমগ্ৰ অধ্যয়নৰ শীৰ্ষত স্থাপন কৰিছে। বিজ্ঞানৰ এক স্বকীয় সাহিত্য আছে আৰু ই মনুষ্যসম্বন্ধীয় অধ্যয়নৰ কোনোটো শাখাৰ তুলনাত কম ক্ষমতাসম্পন্ন অথবা নিম্নমানৰ নহয়।

ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশ এখনত যদি বিজ্ঞানে পূৰ্ণবিকাশ লাভ কৰি অলৌকিক শক্তিসম্পন্ন হ'ব লাগে তেন্তে বিজ্ঞান দেশখনৰ সাংস্কৃতিক আৰু আধ্যাত্মিক পৰম্পৰাৰে পুষ্ট হৈ সমাজৰ এক অবিচ্ছেদ্য অঙ্গ হৈ পৰিব লাগিব।

**(ঝ) বৈজ্ঞানিক মানসিকতা বিকাশৰ মূল্য (Value of development of scientific attitudes) ঃ** মুক্ত মানসিকতা, পৰিৱৰ্তনশীল সিদ্ধান্ত লোৱাৰ মানসিকতা, জটিলভাবে নিৰীক্ষণ কৰাৰ মানসিকতা, অন্ধসংস্কাৰমুক্ত মানসিকতা আৰু ভ্ৰান্ত বিশ্বাসৰ পৰা নিজক দূৰতে ৰখাৰ মানসিকতা ইত্যাদি সকলোবোৰ মিলি এজন ব্যক্তিৰ সুস্থ বৈজ্ঞানিক মানসিকতাৰ বিকাশ সাধন হয়।

গতিকে, ছাত্ৰাৱস্থাতে বিজ্ঞানক এক প্ৰিয় বিষয়ৰূপে হৃদয়েৰে গ্ৰহণ কৰি উল্লেখিত মানসিকতাবোৰৰ গঢ় দিব পাৰিলেহে এজন ব্যক্তিয়ে জীৱনৰ পিছৰ পৰ্য্যায়ত নিজকে এজন সফল বিজ্ঞানী তথা জীৱশ্ৰেষ্ঠ মানৱৰ আসনত বহুৱাবলৈ সক্ষম হ'ব পাৰে। 0 0 0 0

**প্ৰসঙ্গ পুথিঃ**

1. Teaching of Science. A Soni, Tandon Publication, Ludhiana.
2. History of Indian Education -B.C. Rai, Prakashan Kendra, Lucknow,

## কৌতুক

◆ এজন শিক্ষকে ছাত্ৰ এজনক সুধিলে, 'তুমি কোৱাচোন লাচিত বৰফুকন কোন আছিল?'

ছাত্ৰ—অসমৰ ৰাজ্যপাল ছাৰ।

শিক্ষক— 'নাই হোৱা।' এইবাৰ তেওঁ আন এজনক সুধিলে,

আন এজন ছাত্ৰ— মিলিটেৰী অফিচাৰ ছাৰ।

শিক্ষক— 'নাই হোৱা' তেওঁ আকৌ আন এজনক সুধিলে

আন এজন ছাত্ৰ— 'চন্দ্ৰত অৱতৰণ কৰা প্ৰথম গৰাকী অসমীয়া মহিলা ছাৰ।'

লগে লগে শিক্ষকে তেওঁক একচৰ দিলে। তেতিয়া ছাত্ৰজনে সুধিলে— 'সিহঁতৰো ভুল হৈছিল ছাৰ। সিহঁত দুটাক নামাৰি মোক কিয় মাৰিলে ছাৰ?'

শিক্ষক—'সিহঁত দুটাতো পুৰুষতে ৰ'ল। তই একেবাৰে মহিলাৰ ওচৰ পালিগৈ যে!'

◆ এজন মানুহে আন এজন মানুহক ক'লে, 'হেৰা! তোমাৰ বহুত গুণ আছে দেই!' দ্বিতীয়জন মানুহ—'হয়, হয় মোৰ প্ৰায় এশটা গুণ আছে, সেইবাবে বহুতে মোক শগুণ বুলি কয়।'

✍ শ্ৰীদীপজ্যোতি বড়ো
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

# চেৰাপুঞ্জী (চহৰা) ৰ স্মৃতিৰ প্ৰসঙ্গত ভ্ৰমণ আৰু পৰ্যটন উদ্যোগ

✍ জীৱেশ্বৰ কোচ
মুৰব্বী, বড়ো বিভাগ



১-১: মানুহৰ জীৱনটো নানান ব্যস্ততা, সুখ-দুখ, হা-হুতাহ আৰু বিভিন্ন সা-সমস্যাৰে জৰ্জৰিত। এনে অৱস্থাৰ পৰা কিছু সময় সকাহ পাবলৈ মানুহে ভ্ৰমণ কৰিবলৈ যায়, পিক্‌নিকলৈ ওলায় আৰু সমবায় ভিত্তিত কামত হাত দিয়ে। তদুপৰি, নিজৰ প্ৰিয় বিষয়-বস্তুৰ প্ৰতি অনুৰক্তি প্ৰকাশ কৰে। কাৰণ, দীৰ্ঘদিন ধৰি একেটা কামতে লাগি থাকিলে জীৱনটো একঘেঁয়া হৈ পৰে আৰু ফলত সৃষ্টি হয় নানা বিৰক্তি আৰু অনীহাৰ। এনে প্ৰাত্যহিকতাৰ পৰা নিস্কৃতি পাবলৈ মানুহে নানা উপায় উলিয়াইছে আৰু সেইবোৰ কৰি অতাই মানুহৰ দেহটো, মনটো সতেজ হৈ পৰে আৰু পিছলৈ কাম কৰিবলৈ নতুন প্ৰেৰণা লাভ কৰে।

১-২: যিয়েই নহওক, নেদেখা ঠাই চোৱা আৰু নজনা কথা জনাৰ মানুহৰ যি হেঁপাহ, সেয়া স্বাভাৱিক আৰু চিৰন্তন। এই লৈ সত্যনাথ বৰাই তাহানিতে লিখিছে "... নানা দেশৰ নানা বস্তু আৰু নানা মানুহ নেদেখিলে বিশ্ব-অধ্যয়ন সম্পূৰ্ণ নহয়। পুথিত যিবিলাক বস্তুৰ কথা পঢ়া যায়, দেশ ফুৰিলে সেইবিলাক বস্তু দেখা যায়। চকুৰে নেদেখিলে কেৱল বৰ্ণনা পঢ়ি সকলো বস্তুৰ সবিশেষ তত্ত্ব পোৱা নাযায়।" তদুপৰি, আমাৰ সমাজত এষাৰ প্ৰবচন আছে— 'দহ ঠাই ফুৰে যি, দহ কথা শিকে সি।'

এনে তাড়নাতে, আমিও ব্যক্তিগতভাৱে কিছু ঠাই ফুৰিছো- ভূটানৰ বুম্‌ঠাং, গেচ্ছা আদিত ভূমুকি মাৰিছো, কাইবুল লামজাও (মণিপুৰঃ কংলেইপাক) নামৰ ঠাইত এশিঙিয়া হৰিণ 'ছাংহাই' বিচাৰি ফুৰিছো, বাল্‌পাক্‌ৰামৰ ৰহস্যময় ঠাইত বিচৰণ কৰিছো, চান্‌ডুবিৰ নৈসৰ্গিক ৰূপ পান কৰিছো, কোণাৰ্কৰ সূৰ্য মন্দিৰৰ ভাস্কৰ্য চাই অভিভূত হৈ পৰিছো আৰু বহু সৰু-সুৰা ঠাই ঘূৰিছো, যাৰ স্মৃতিও স্মৰণীয়! কিন্তু এতিয়াও বহু ঠাই আছে, যিবোৰ ক্ৰমাগতভাৱে দৰ্শন কৰাৰ আঁচনি লৈছো।

২-১: এইবেলি পূজাৰ বন্ধত এক অনন্য-সুন্দৰ অভিজ্ঞতা লাভ কৰিছো- আমাৰ নিচেই ওচৰৰ চুবুৰীয়া মেঘালয়ৰ চেৰাপুঞ্জী (চহৰা)ত এভূমুকি মাৰি। আমাৰ পৰিয়াল আৰু শিক্ষক-বন্ধু ড° তপন কলিতা (দুধনৈ কলেজ), কুমুদ ৰায় চৌধুৰী (দুধনৈ হাইস্কুল) আৰু পৱিত্ৰ কলিতাৰ (দহেলা হাইস্কুল) পৰিয়াল লগ লাগি প্ৰথমে শ্বিলঙত থাকিবলৈ ল'লো। তাৰ পিছদিনা, পুৱাভাগৰ এক মিঠা আমেজ লৈ চেৰাপুঞ্জীলৈ বুলি ওলালো। শৰৎ কালৰ পুৱা, তাতে চেৰাপুঞ্জী! কেনে অপূৰ্ব ঠাই! কি যে মনোমুগ্ধকৰ প্ৰকৃতি আৰু শীতল জলবায়ু! দেহ-মন উজাৰ কৰি দিছো, আমি আটায়ে। সুদৃশ্য জলপ্ৰপাত, পাহাৰ, গছ-গছনি, মাজে-মাজে আকৌ সমতল!

আমি মাউছ্‌মাই কেভ্ (গুহা) চাবলৈ গ'লো। পুৱাৰ ভাগত মানুহৰ সমাগম কিছু কম আছিল। কিন্তু দুপৰীয়াৰ

পিছত, মানুহ ইমান বাঢ়িল, যেন এক মেলাহে। সৰু ঠাইডোখৰ যথেষ্ট চাফা, এক বাসোপযোগী ঠাই! অৱশেষত, গুহাত প্ৰবেশ কৰিলো। এয়া এক অনন্য অভিজ্ঞতা! গুহাটোৰ ভিতৰত বিদ্যুৎ সংযোগ কৰা হৈছে। নানা জৈৱ-বৈচিত্ৰ্য আছে হেনো এই গুহাটোৰ ভিতৰত। কিন্তু আমাৰ দৃষ্টিগোচৰ নহ'ল। মুঠতে, গুহাটোৰ ভিতৰত থাকিলে বিশ্বব্ৰহ্মাণ্ড পাহৰি থাকিব পাৰিঃ কোনো শব্দ, কোনো কোলাহল কৰ্ণগোচৰ নহয়। আমাৰ জাগতিক চিন্তা, পাৰ্থিৱ ধন-দৌলত, মানৱীয় অহংকাৰ, এই গুহাটোত কিছুপৰৰ বাবে খৰ্ব কৰি থ'ব পাৰি।

২-২: মাউছ্‌মাই গুহাটোৰ চতুৰ্দিশ এক মনোমোহা ঠাই। এই গুহাটোক খাচী ভাষাত Nohsngithiang বুলি কোৱা হয়। ইয়াৰ ওচৰৰ মাউলাং শ্বিয়েম শৃঙ্গৰ পৰাই বাংলাদেশ চাব পাৰি।

আমাৰ সংগৃহীত তথ্য মতে, মেঘালয়ত এনেবোৰ গুহা-গহ্বৰৰ সংখ্যা প্ৰায় ৭৮৮ আৰু ইয়াৰে কিছু অনাবিস্কৃত হৈ আছে। কেৱল চেৰাপুঞ্জী এলেকাতেই ৪টা প্ৰধান গুহা আছে। তথ্যপাতি মতে, ভাৰত উপমহাদেশৰ ভিতৰত ৫টা দীৰ্ঘতম গুহা মেঘালয়তে অৱস্থিত। আমোদজনক দিশ এয়ে যে 'গ্ল'বেল ৱাৰ্মিং ৰ পৰিপ্ৰেক্ষিতত মালদ্বীপৰ নাগৰিকসকলৰ মাজত যেনেকৈ সমুদ্ৰ পৃষ্ঠত আৰু নেপালৰ নাগৰিকসকলৰ মাজত মাউণ্ট এভাৰেষ্ট শৃঙ্গত বৈঠক বহিছে, ঠিক তেনেকৈ মেঘালয়ৰ চৰকাৰী বিষয়া, শ্বিয়েম, এন. জি. অ' কৰ্মী, সাংবাদিক আৰু বিভিন্ন নাগৰিকসকলেও পাৰ্বত্য গুহাত সভা অনুষ্ঠিত কৰিছে। এতিয়া এনে গুহা–গহ্বৰ আদিয়েই আৰ্জনৰ অন্যতম পথ। সভাত কোৱা হৈছে ...'how the caves can augment income for the locals through adventure tourism!'

৩-১: এই মাউছ্‌মাই অঞ্চলতে আমি প্ৰত্যক্ষ কৰিছো মেঘৰ লীলা-খেলা। ঘন কুঁৱলীয়ে নিমিষতে চৌদিশ এন্ধাৰ কৰি পেলালে। আকৌ পোহৰ হ'ল। এনে অভিজ্ঞতা অনন্য!

এদিনৰ ভ্ৰমণৰ স্মৃতি লৈ আমি চেৰাপুঞ্জী এৰিলোঃ বহু ঠাই, বহু পাৰ্ক, আৰু অনাবিস্কৃত বহু শৈল-ভাস্কৰ্য প্ৰত্যক্ষ কৰিব পৰা নহ'ল। আমি আকৌ যাম... বিশেষকৈ বাৰিষা ইয়াৰ ৰেহ-ৰূপ হেনো বেলেগ!

চেৰাপুঞ্জী পাৰ হওঁতে আকৌ মেঘৰ ঢৌ পালোঃ কতো ৰাস্তা-ঘাট মনিব নোৱাৰি। আমাৰ গাড়ী লাহে লাহে চলিল। এনেকৈয়ে মেঘৰ আৰে আৰে আহিলো বহু দূৰ। আমি সকলোৱে আনন্দত উত্‌ৱাৱল হৈ পৰিলো— এক আচহুৱা অভিজ্ঞতা লাভ কৰি। সঁচাই সাৰ্থক নাম মেঘালয়— মেঘৰ আলয়!

৩-২: আজিকালি চেৰাপুঞ্জীৰ নাম চহৰা। ২০০৭ চনতে খাচী ছাত্ৰ সন্থা আৰু অঞ্চলটোৰ মুখিয়াল (শ্বিয়েম) লোকৰ অনুৰোধ ক্ৰমে মেঘালয় চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষই এই নামটো সলায়। অৱশ্যে নাম ফলকত এতিয়াও কিছু কিছু ঠাইত চেৰাপুঞ্জী বুলি লেখা আছে, কিছুমানত আকৌ দুয়োটাই বৰ্তি আছে। শ্বিলঙত যাত্ৰীবাহী বাছৰ কৰ্মীসকলে, 'চেৰা' 'চেৰা' বুলিহে চিঞৰে।

বিগত ১৮২০ চনত বৃটিছসকলে ঢাকাৰ পৰা আহি এই অঞ্চলত ভৰি দিয়ে আৰু উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰশাসনৰ কেন্দ্ৰ হিচাবে ইয়াক গঢ়ি তোলে। তেওঁলোকৰ মুখত 'চহৰা' শব্দটো 'চেৰা' ৰূপ পায় আৰু পিছলৈ 'পুঞ্জী' (গাঁও) লগ হৈ 'চেৰাপুঞ্জী' হৈ পৰে।

আজি এই 'গ্ল'বেল ৱাৰ্মিং ৰ প্ৰভাৱত মৌচিনৰাম চেৰাপুঞ্জী অঞ্চলত বৰষুণ কমি আহিছে। আচলতে বঙ্গোপসাগৰৰ পৰা সমতল ভূমিৰে মৌচুমী বতাহজাক বৈ আহি পাহাৰত খুন্দা মাৰে, যাৰ বাবে অঞ্চলটোত বেছি বৃষ্টিপাত হয়। কিন্তু ক্ৰমশঃ বৰষুণ কমি আহিছে, বনাঞ্চল কমিছে, কয়লা আৰু চূণশিল আদিৰ খনন কাৰ্য অব্যাহত আছে; তদুপৰি ঝুম খেতি আৰু বৰষুণ অনবৰত পৰাত ভূপৃষ্ঠৰ অংশ খহি অহাৰ ফলত অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্য কমিছে। এনে অভিলেখ আন্তৰ্জাতিক ক্ষেত্ৰত ৰখা হৈছেঃ

**Top 10 wettest places:**

1. Lloro : Colombia : 13,299.4/523.6
2. Mawsynram : India: 11,872.0/467.4
3. Mt. Walabale : Kauai, Hawaii: 11,684.0/460.0
4. Cherapunjee: India; 10,795.0/425.0

যিয়েই নহওক, বিগত ১৯৭৪ চনত চেৰাপুঞ্জীৰ বৰষুণৰ পৰিমাণ আছিল ২৪,৫৫৫.৩ মিলিমিটাৰ আৰু ইয়াৰ ভিত্তিতেই ইয়াক "Wettest place on Earth" বুলি ৰেকৰ্ড কৰা হৈছে।

৩-৪: যিয়েই নহওক, বৰষুণ বঢ়া-টুটা লৈ যেন চিন্তিত নহয়, এই অঞ্চলৰ মানুহ। ইয়াৰ প্ৰকৃতিৰ অনিৰ্বচনীয় ৰেহ-ৰূপ আৰু শীতল জলবায়ু আদিয়েই যেন ইয়াৰ গৌৰৱৰ উৎসঃ সেয়ে আজিও দেশী-বিদেশী লোক চেৰাপুঞ্জীলৈ যায়, নিজকে উজাৰি দিয়ে প্ৰকৃতিৰ বুকুত। গড় হিচাবে বছৰত প্ৰায় পাঁচ লাখ মানুহ এই মেঘালয়লৈ যায়।

এই বছৰ (২০১০) ফেব্ৰুৱাৰী মাহত চেৰাপুঞ্জীত Rain Rock Festival অনুষ্ঠিত হৈ যায় আৰু অঞ্চলটোত বনাঞ্চল ধ্বংস কৰাটো প্ৰতিৰোধ কৰাৰ বাবে প্ৰস্তাৱ লোৱা হয় আৰু rain harvest কৰা, স্থানীয় কলা-শিল্প, ক্ৰীড়া আদি সংৰক্ষণ, বৰ্ষা-সংগ্ৰহালয়, মাতৃতান্ত্ৰিক সমাজ অধ্যয়ন কেন্দ্ৰ স্থাপন কৰাৰো প্ৰস্তাৱ লোৱা হয়। তদুপৰি, খাচী পাহাৰত পৃথিৱীৰ ভিতৰত দুৰ্লভ পদ্মফুল প্ৰজাতি *Nymphaea tetragonolobes* নামৰ ফুল সংৰক্ষণৰ বাবে ১২ লাখ টকা ধাৰ্য কৰাটো আমাৰ বাবে এক সুখৰ খবৰ। যশস্বী লেখিকা-সাংবাদিক Mukhim এ দিয়া মন্তব্যটো প্ৰণিধানযোগ্যঃ "I am sure that Sohra will overcome all odds. It has withstood the servest of storms and nature's vagaries. I doff my hat to Sohra."

তদুপৰি, Bio-engineering wonder হিচাবে চিহ্নিত, 'Living Root Bridge' বিলাকক উন্নত কৰাৰ বাবে PMGSY ৰ আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে।

সেয়ে আকৌ দোহাৰিছো— এসোপা প্ৰোজ্বল স্মৃতি লৈ চেৰাপুঞ্জীৰ পৰা আহিলো। আহোতে, খাচী মহিলা এগৰাকীক কৈ আহিলো— 'কং, খুবলেই।'

৪-১: সি যি নহওক, সম্প্ৰতি ভ্ৰমণ এক প্ৰকাৰ মধ্যবিত্ত লোকৰ হ'বি হৈ পৰিছে। তদুপৰি, বিভিন্ন লোক, ছাত্ৰ-ছাত্ৰী আৰু চৰকাৰী বিষয়াসকলেও ভ্ৰমণ কৰি অনন্য অভিজ্ঞতা লাভ কৰিবলৈ উৎসুক হৈ পৰিছে। সেয়ে ই এক উদ্যোগলৈ পৰ্যবসিত হৈ পৰিছে। আজিকালি মানুহে এক উদ্দেশ্য লৈ দেশ-দেশান্তৰ ভ্ৰমণ কৰে আৰু পৰ্যটনৰ ধাৰণাও ন ন দিশত উদ্ভাসিত হৈছে, যেনে— সাংস্কৃতিক পৰ্যটন, দুঃসাহসিক পৰ্যটন, ধৰ্মীয়/ঐতিহ্য পৰ্যটন, বন্যপ্ৰাণী পৰ্যটন, চিকিৎসা/স্বাস্থ্য পৰ্যটন, বন্যা পৰ্যটন, চাহ পৰ্যটন, এথ্নিক পৰ্যটন, হাইৱে পৰ্যটন, মহাকাশ পৰ্যটন, গ্ৰাম্য পৰ্যটন, ইক' ট্যুৰিজম আৰু ক্ৰুজ্ পৰ্যটন ইত্যাদি।

৪-২: প্ৰতিবছৰে ২৭ ছেপ্তেম্বৰৰ দিনটো, বিশ্ব পৰ্যটন দিৱস' হিচাবে আৰু ২৫ জানুৱাৰীৰ দিনটো ভাৰতবৰ্ষৰ 'ৰাষ্ট্ৰীয় পৰ্যটন দিৱস' হিচাবে পালন কৰা হয়। সমগ্ৰ বিশ্বত সম্প্ৰতি পৰ্যটন উদ্যোগটোৰ ক্ৰমশঃ সম্প্ৰচাৰ ঘটিছে আৰু ইয়াৰ লগত জড়িত হৈ পৰিছে অনেক লোক, আবাল বৃদ্ধবণিতাসকলো। সেয়ে কোৱা হৈছে, পৰ্যটন এনে এটা উদ্যোগ য'ত 'মানুহৰ জীৱনৰ কথাও নিহিত হৈ পৰিছে।' নিজৰ সৃষ্টি-নৈপুন্যক উজাৰ কৰি দিছে, আন সৃষ্টি-উন্মুখ ব্যক্তিসকলৰ সন্মুখত। বিজ্ঞাপন প্ৰচাৰ, স্থানীয় শিল্প-কলা প্ৰদৰ্শন, ব'টিং, ওৱাটাৰ স্পৰ্টছ, ফল্ডাৰ শ্ব, ভিডিঅ' ফিল্ম, পষ্টাৰ, কেলেণ্ডাৰ, কাকত-আলোচনী, পৰিবহন, ৰিজৰ্ট, অন্‌লাইন্ ট্ৰেভেলিং, হোটেল, ট্যুৰ প্লেনাৰ, ম্যানেজাৰ, অপাৰেটৰ, গাইড, আদিৰ দ্বাৰা স্থানীয় লোকসকলে সংস্থাপন উলিয়াব পাৰে। তদুপৰি শিক্ষিত নিবনুৱাসকলে পৰ্যটন বিষয়ত ডিগ্ৰী লৈ উদ্যোগটো গঢ়ি তুলিব পাৰে, এক অনন্য মাত্ৰা প্ৰদান কৰি। আনহাতে, বৈদেশীক মুদ্ৰা আৰ্জনৰ বাবে এই উদ্যোগৰ ভূমিকা উল্লেখযোগ্য। চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষ, এন. জি. অ' কৰ্মী, সংবাদ মাধ্যম আৰু শুভানুধ্যায়ী ব্যক্তিসকলৰ সমূহীয়া প্ৰচেষ্টাৰ দ্বাৰা আমাৰ সৰ্বত্ৰ অৱহেলিত অঞ্চলকো সামৰিব পাৰি, পৰ্যটন থলী হিচাবে। বিভিন্ন খেল-মিটিং, চেমিনাৰ, কৰ্মশালা আৰু সজাগতা শিবিৰ পাতি আমাৰ সম্পদসমূহ সংৰক্ষণ আৰু প্ৰচাৰ কৰাৰ বাবে পৰ্যটন উদ্যোগটোৱে উল্লেখনীয় মাধ্যম। আজিকালি কলেজসমূহতো পৰ্যটন ম্যানেজ্‌মেণ্ট্ অন্তৰ্ভূক্ত কৰা হৈছে। তথাপি, বিশ্ব অভিলেখ স্থাপন কৰাৰ ক্ষেত্ৰত আমাৰ ভাৰতবৰ্ষ বহু পিচ পৰা। বিশ্বৰ Top 10 পৰ্যটন-স্থলীৰ তালিকাত ভাৰতবৰ্ষৰ নাম নপৰে। এই তালিকাৰ ১ম স্থানত আছে ফ্ৰান্স, ২য় স্থানত স্পেইন আৰু ৩য় স্থানত আছে ইউ. এছ. এ। তথাপি, আশা কৰিব পাৰি। অনাগত দিনত ভাৰতবৰ্ষই বিশেষকৈ সাংস্কৃতিক, আৰু এথ্নিক্ পৰ্যটনৰ ক্ষেত্ৰত নিজৰ নাম উজ্বলাব পাৰিব।

**প্ৰসঙ্গঃ**


1. Meghalaya: Timeless Enchantment: Deptt of Tourism, Govt. of India, New Delhi, 2003

2. চেৰাপুঞ্জীঃ এসময়ৰ ভুস্বৰ্গ, এতিয়া সিক্ত মৰুভূমি, মানস প্ৰতিম বৰা : 'দৈনিক অসম' ২৩ মে, ২০০৪

3. Cherapunjee: The Abode of Clouds: Jiten Malakar in **The North-East Times**. 18 Nov, 2000

4. May Sohra stand in test of Time: Patricia Mukhim in **The Telegraph**: 7 July, 2007

5. ভ্ৰমণ, পৰ্যটন আৰু সংস্থাপনৰ সম্ভাৱনাঃ জীৰেশ্বৰ কোচঃ ARSU (GDC) ৰ লেলা অধিবেশনৰ স্মৃতিগ্ৰন্থ, ২০১০

6. Tourism : Operations and Management: R. Roday, A. Biwal & V. Joshi, Oxford, 2009


0 0 0 0




# এন্‌ভেলপৰ বিলাপ

✍ ড° ৰজত চন্দ্ৰ ৰাভা
প্ৰবক্তা, অসমীয়া বিভাগ

জাৰকালিৰ কথা। সিদিনা আছিল শুক্ৰবাৰ। দিনৰ এঘাৰমান বজাতে বিভা বাইদেৱে ওচৰতে থকা চৰকাৰী ডাকঘৰৰ পৰা মোক লৈ আহিল। বাইদেৱে মোক লৈয়ে পোনচাটে নিজৰ পঢ়া চকীত বহি বগলী যেন বগা কাগজ এখিলা মেজত লৈ কিবা লেখিবলৈ ধৰিলে। কিছু সময় লেখাৰ পাছত সেইখন ফালি-চিৰি ডাষ্টবিনত পেলাই দিলে। তাৰ পাছত ৰান্ধনী ঘৰলৈ গৈ মাকক গৰম চাহ এপিয়লাৰ অৰ্ডাৰ দি পুনৰ আহি আন এখিলা কাগজত কিবাকিবি লেখিবলৈ ধৰিলে। এইবাৰ তেওঁ কোনেও নুবুজাকৈ মুখেৰে সৰু সৰু শব্দ কৰি লেখিবলৈ ধৰিলে—

মৰমৰ কৌশিক দা,

মোৰ দূৰণিবটীয়া মৰমকণ ল'বা...। তাৰ পাছত আৰু বহুত কিবা কিবি লেখি পুনৰ কাগজখিলা ফালি-চিৰি হাতেৰে চেপা মাৰি ডাষ্টবিনত দলিয়াই পেলাই দি কলমটো মেজৰ ওপৰতে ৰাখি চকীখনৰ পৰা উঠি 'অ' মা, চাহ হ'ল নে?' বুলি চিঞৰি ৰান্ধনী ঘৰলৈ গ'ল।

অলপ পাছতে সোঁ হাতত মাকে বনাই দিয়া চাহৰ পিয়লাটো লৈ বাওঁ হাতত দুখন বিস্ক্ ফাৰ্মৰ বিস্কুট লৈ মৃদু নৃত্য ভঙ্গিমাত মুখেৰে "তেৰে মেৰে বিচ্ মে কেইচা হ্যায় ইয়ে বন্ধন আন্ জানা" গানটো গাই গাই পুনৰ নিজৰ পঢ়া মেজৰ ওচৰলৈ আহি সমগ্ৰ শৰীৰটোৰ ভাৰ এৰি দি চকীখনত বহি পৰিল। তাৰ পাছত কিবা এটা গভীৰ চিন্তাৰে ভাৰাক্ৰান্ত হোৱাৰ দৰে লাহে লাহে বিস্কুটৰ সৈতে চাহ পিয়লাৰ জুতি ল'বলৈ ধৰিলে। চাহখিনি শেষ কৰি তেওঁ এইবাৰ পুনৰ কলমটো হাতত লৈ কাগজখিলাত লেখিবলৈ ধৰিলে। কিবা অলপ লেখি তেওঁ কিছু সময় ৰয়, পুনৰ লেখিবলৈ ধৰে। এইদৰে প্ৰায় চল্লিশ মিনিটমানৰ মূৰত লেখা হ'লত লিখনিখিনিৰ ওপৰত নিজে ভালকৈ এবাৰ চকু ফুৰালে। তাৰ পাছত মূৰটো দুবাৰমান লৰাই লৰাই নৃত্য ভঙ্গিমাতে কাগজখিলা বিভা বাইদেৱে নিজৰ লৰণু কোমল হাতেৰে সযত্নে ভাজ কৰি মোৰ ভিতৰত ভৰাই দি বক্ ফুলৰ দৰে বহল ওঁঠেৰে সুগন্ধিৰস (থু) লগাই বন্ধ কৰি মোৰ পিঠিৰ ওপৰত সযত্নে আৰু স্পষ্টভাৱে "মৰমৰ কৌশিক চৌধুৰী" বুলি লেখি নিজৰ বেগটোত ভৰাই থ'লে। তাৰ পাছত তেওঁ বাথ্‌ৰুমলৈ গৈ ভালদৰে মুখ হাত ধুই বাহিৰলৈ যোৱা সাজ পাৰ পিন্ধি মুখত কিছু প্ৰসাধন কৰি মোক ভৰাই থোৱা বেগটো কান্ধত ওলোমাই লৈ ওলাই গ'ল। কিছু দূৰত এখন ৰিক্সা ৰৈ থকা দেখি বাইদেৱে "এই ৰিক্সা" বুলি চিঞৰিলে। ৰিক্সাৱালাই লাহে লাহে আহি বিভা বাইদেউৰ কাষ পালে। বাইদেৱে ৰিক্সাত উঠি "ব'ল পোষ্ট অফিছলৈ" বুলি ক'লে। ৰিক্সাৱালাই চৰকাৰী ডাকঘৰৰ ফালে গতি কৰিলে। নিৰ্দিষ্ট স্থান পোৱাত বাইদেৱে ৰিক্সাৱালাৰ হাতত পাঁচ টকীয়া নোট এখন গুজি দি ৰিক্সাৰ পৰা নামি ডাকঘৰৰ সন্মুখতে থকা এটা ৰঙা চিঠিৰ বাকচত মোক ভৰাই দি গুচি গ'ল। তাতে মই মোৰ আত্মীয় কুটুম্ব পোষ্টকাৰ্ড, ইন্‌লেণ্ড লেটাৰ আদি বহুতো লগ পালো। আমি সেই ৰঙা বাকচতে বহু সময় ইটোৰ ওপৰত সিটো কৈ পৰি থাকিলো। বাকচৰ ভিতৰত উৎকট গৰমত আমি উশাহ নোপোৱা হ'লো।

এটা সময়ত এজন খাকি পোছাক পৰিহিত ধুনীয়া মোচ্ থকা থুলন্তৰ পুৰুষে চিঠিৰ ৰঙা বাকচটো খুলি আমাক খাকি ৰঙৰ ডাঙৰ মোনা এখনত ভৰাই লৈ গ'ল। তেওঁ আমাৰ পিঠিত লেখা আখৰবোৰ পঢ়ি দলিয়াই দলিয়াই কেইটামান ভাগত ভাগ কৰিলে। তাৰ পাছত আমাক ভাগে ভাগে খাকি মোনা পাচঁটামানত ভৰালে। এনেতে ৰঙা গাড়ী এখন ওচৰতে ওলালহি। সেই মানুহজনে আমি সোমাই থকা মোনাবোৰ দলিয়াই দলিয়াই গাড়ীত তুলিলে। সকলোবিলাক মোনা উঠোৱা হোৱাত গাড়ীখন ভোঁ ভোঁৱাই আঁতৰি গ'ল। এটা

সময়ত গাড়ীখন ৰ'ল। এইবাৰ উ-উ-উ-কৈ উঁকি মাৰি এখন দীঘলীয়া ৰেলগাড়ী আহি ৰ'ল। তাৰে এটা ডবাত মানুহজনে মোনাবোৰ তুলি দিলে। পুনৰ ৰেলখনে উ-উ-উ বুলি উঁকি মাৰি আঁতৰি গ'ল। ৰেলগাড়ীৰে আমি কিমানদূৰ আহিলো গমকে নাপালো। পিছদিনা পুৱা ৰেলখন এটা ষ্টেচনত লাগিল। এইবাৰ আকৌ আন এজন খাকি পোছাকধাৰী মানুহে আমি সোমাই থকা মোনাবোৰ আন এখন ৰঙা গাড়ীত তুলি দিলে। গাড়ীৰে কঢ়িয়াই আনি কিছুসময়ৰ ভিতৰত মানুহজনে মোনাবোৰ এঠাইত নমাই দিলে। তাৰ পাছত পুনৰ তেওঁ মোনাবোৰ কঢ়িয়াই আনি খুলিবলৈ ধৰিলে। উহঁ! এতিয়াহে সকাহ পালোঁ। ইমান সময়ে আত্মীয় কুটুম্বৰ সৈতে থেকেচা খাই খাই আহি থাকোঁতে মোৰ গোটেই শৰীৰটোৰেই লেবেজান হৈ পৰিছিল।

মানুহজনে মোৰ পিঠিৰ ওপৰত লেখাখিনি চাই মোক কৌশিকদাৰ হাতত তুলি দিলে। কৌশিকদাই বৰ হেঁপাহেৰে চাই মোক সাৱধানে খুলিলে। তাৰ পাছত মোৰ বুকুৰ মাজত সযত্নে কঢ়িয়াই অনা কাগজখিলা লৈ মোক তেওঁৰ কৰ্কশ হাতেৰে মোহাৰি চেপেটা কৰি ডাষ্টবিনলৈ দলিয়াই দিলে। হায়ৰে কপাল! ইমান যত্ন কৰি আলফুল কৈ কাগজখিলা বুকুৰ মাজত ভৰাই লৈ ইঠাইৰ পৰা সিঠাইলৈ আনিলো, এতিয়া মোৰ এনে গতিহে হ'ল! অ, আচল কথাটো ক'বলৈ পাহৰিছিলোৱেই। কি হ'ল জানে- কৌশিকদাই সেই কাগজখিলা পঢ়ি বাৰে বাৰে চুমা খাবলৈ ধৰিলে। আই ঐ দেহি! ক'তে মৰো মই। মোৰহে এনে দুৰ্গতি হ'ল। ০ ০ ০ ০

## কৌতুক

- এদিন এজন ইংৰাজ লোক এখন গাৱলৈ আহি খাল এটাত ভেনা মাখি উৰি থকা দেখি এজন গাৱলীয়া মানুহক ইংৰাজীত সুধিলে, "এই খালটোত কিয় ইমান ভেনামাখি উৰি আছে?" ভালকৈ ইংৰাজী নজনা গাৱৰ মানুহজনে উত্তৰ দিলে, "ইন দিজ খাল মে মেনি মেনি গৰৈ ফিছ এণ্ড মাগুৰ ফিছ মৰিং, হোৱেন পানী ইছ ড্ৰায়িং ডি ফিছ ইছ গেলিং, চো ভেনামাৰি ভূণ ভূণাইং।"

- এজন মনোবিজ্ঞানীয়ে প্ৰশ্ন কৰিলে— "যদি দুজন পুৰুষ আৰু এগৰাকী মহিলা এটা নিৰ্জন দ্বীপলৈ যায় তেন্তে পৰস্পৰে পৰস্পৰক কেনেকুৱা ব্যৱহাৰ কৰিব?"

  এজন মেধাৱী ছাত্ৰৰ উত্তৰ— ছাৰ এইটো দেশ, দেশলৈ কথা। যদি তেওঁলোকে আমেৰিকান হয় তেন্তে দুয়োজন পুৰুষে মহিলা গৰাকীৰ পৰা ক্ষমা বিচাৰি বেপাৰৰ কথা পাতিব। যদি তেওঁলোক স্পেনিচ হয় তেন্তে মহিলাগৰাকীয়ে দুই পুৰুষক মাৰি সমুদ্ৰত পেলাই দিব। যদি তেওঁলোক ব্ৰিটিছ হয় তেতিয়া পাৰস্পৰিক পৰিচয়ৰ অভাৱত গোটেই কেইটাই পিঠিৰ ফালে পিঠি দি ৰ'দ পুৱাব। আৰু যদি ভাৰতীয় হয় তেতিয়া এজনে মহিলাগৰাকীক বিয়া কৰাব আৰু আনজনে তাইৰ ওপৰত কবিতা লিখা আৰম্ভ কৰিব।

- ৰমেশে ৰাজেশক ক'লে— 'তোমালোক পতি-পত্নী দুয়োৰে সদায় কাজিয়া কৰি থাকা কিয়?'

  ৰাজেশ— 'আচলতে আমাৰ চিনাকি এক তৰ্ক প্ৰতিযোগিতাত হৈছিল যে।'

- গ্ৰাহক— 'কি ঘড়ী দিলেহে নচলেই দেখোন?'

  দোকানী— 'আপোনাকতো আগতেই কৈছিলোঁ যে এক ছেকেণ্ডৰো ইফাল-সিফাল নহ'ব।'

- এজন মানুহে আন এজনক সুধিলে, মৃত্যুৰ আগে-আগে মই এনে এটা কাম কৰি থৈ যাব বিচাৰোঁ, যাতে মানুহে মোক চিৰদিনলৈ মনত ৰাখে। কি কৰো বাৰু?

  দ্বিতীয়জন মানহ ঃ মানুহৰ পৰা টকা ধাৰলৈ ল'বলৈ আৰম্ভ কৰক, ভুলতো আৰু সেই টকা ঘূৰাই নিদিব।'

- শিক্ষকঃ 'আচ্ছা! মনজিৎ কোৱাচোন, ৰামে ফেইল কৰিছে, এই কথাগৈ ভৱিষ্যৎ কালত কি হ'ব?

  মনজিৎ ঃ 'ৰামে এই ক্লাছতে পঢ়িব ছাৰ।'

✍ শ্ৰীদীপজ্যোতি বড়ো
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

গল্প

# আকাশ, লতা আৰু কণমাই

মনীষা ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)



লতাই যোৱাকালি নিশা ১১ বজালৈ হিন্দী চিনেমা এখন চালে। সেয়েহে আজি শুই উঠাত অলপ পলম হ'ল তাইৰ। উঠিয়েই তাই খৰধৰকৈ দৈনন্দিন কৰি অহা কামবোৰ কৰিবলৈ ধৰিলে। মুখ ধুই উঠি তাই চাহ একাপ বনাই হাতত তুলি ল'লে। পাকঘৰৰ খিৰিকীখন খুলি দিয়াৰ লগে লগে এছাটি শীতল বতাহ ভিতৰলৈ সোমাই আহিল। ৰাতিপুৱা উঠিয়েই এই খিৰিকীখন খুলি দিয়া তাইৰ অভ্যাস। এই খিৰিকীখনৰ লগত তাইৰ সুখ-দুখৰ বহুতো কথাই জড়িত হৈ আছে। তাইৰ ভাল লাগে সেই দূৰণিত থকা পাহাৰবোৰ, কাষেৰে বৈ যোৱা সৰু নৈখন আৰু ৰাতিপুৱাই খৰি বুটলিবলৈ অহা মানুহবোৰলৈ চাই। যেতিয়াই তাইৰ মনত দুখ লাগে তেতিয়াই এই খিৰিকীখনৰ কাষলৈ তাই আহে। নিসংগতাৰ মাজত তাইৰ এনে লাগে, প্ৰকৃতিৰ এই বস্তুবোৰেই যেন তাইৰ আচল বন্ধু আৰু এনেকৈয়ে নিজকে শান্তনা দিয়ে তাই। তাই বৰ্তমান ব্যস্ততাৰ মাজেৰে সময়বোৰ পাৰ কৰিছে। আজি ৫ বছৰেই হ'ল তাই চিলঙলৈ অহাৰ। আহিয়েই তাই ভৰ্তি হৈছিল এখন বেচৰকাৰী চিকিৎসালয়ত এজনী নাৰ্চ হিচাপে। এতিয়াও কৰি আছে ইয়াকেই। দূৰৰ পৰাই তাই দেখিলে এজন সৰু ল'ৰা আৰু দুজনী সৰু ছোৱালী দলঙৰ ওপৰত কিবা এক ভঙ্গিমাত জপিয়াই জপিয়াই হাঁহি আছে। লতাই ভাবিলে কিমান সুখী সিহঁত! নাই কোনো সিহঁতৰ দুখ-বেদনা! ভগৱানে যদি সিহঁতকো সদায় এনেকুৱা সৰু কৰিয়েই ৰাখিলেহেতেন। সিহঁত তিনিটাই এক মূহূৰ্তৰ বাবে তাইক তাইৰ অতীতলৈ ঘূৰি যাবলৈ বাধ্য কৰাইছিল, যদিও তাই অতীতৰ সেই কথাবোৰ একেবাৰেই পাহৰি যাবলৈ বিচাৰে। ঠিক এনেকুৱাই আছিল তাইৰো অতীতৰ জীৱন। নাছিল কোনো বিষাদ! কেৱল আনন্দ-স্ফুৰ্তি, কেৱল উল্লাস। কিন্তু ডাঙৰ হৈ পালে কি? বিষাদেৰে জৰ্জৰিত এটি জীৱন!

আকাশ, লতা আৰু কণমাই তিনিও নলে-গলে লগা বন্ধু আছিল। নলে-গলে লগা বন্ধু মানে সিহঁতে অতি শৈশৱৰ কালৰ পৰাই একেলগে খেলা-ধূলা কৰি ডাঙৰ-দীঘল হৈছিল। সিহঁতে কত ধেমালিয়েই যে নকৰিলে শৈশৱত! গৰমৰ দিনত একেলগে সাঁতুৰি নৈত গা ধোৱা, বালিঘৰ সজা, লোকৰ বাৰীৰ আম-জাম, কঠাল আদি চুৰ কৰি খোৱা আদি কাহিনী কৈ যেন শেষ কৰিব নোৱাৰি। সিহঁত দুধনৈৰ উদয়পুৰ নামৰ গাওঁখনৰ বাসিন্দা। সিহঁতৰ দেউতাকহঁতে খেতি কৰিছিল। আকাশ আছিল ধনী খেতিয়কৰ ল'ৰা। যদিও সিহঁত তিনিও খেতিয়কৰ ঘৰৰ ল'ৰা-ছোৱালী আছিল তথাপিও সিহঁতৰ লক্ষ্যবোৰ আছিল সাগৰৰ দৰে বিশাল, সিহঁতৰো উচ্চকাংক্ষা আছিল আন দহজনৰ দৰে আকাশ চুবলৈ। সৰুৰে পৰাই সিহঁতৰ পঢ়াৰ প্ৰতি আগ্ৰহ আছিল। সিহঁতৰ ঘৰবোৰ ওচৰা-ওচৰি। সিহঁত তিনিটাই যেন এদিনৰ বাবেও ইজনে-সিজনক নেদেখিলে থাকিব নোৱাৰিছিল। সকলো সময়ত সিহঁত তিনিটাক একেলগে থকা দেখা গৈছিল। মেলা-উৎসৱ আদি হ'লেও সিহঁত তিনিটাই একেলগে গৈছিল। মুঠতে সিহঁত তিনিটাই লগলাগি হ'লে আৰু বেলেগ কাকো নালাগিছিল। সেই কাৰণে গাঁৱৰ মানুহবোৰে তিনিওকে জোকাইছিল আৰু ঠাট্টা কৰি

কৈছিল, "আকাশ ওলালানে তুমি সতিনী দুজনীক লৈ!' সিহঁতে খং কৰিছিল আৰু কৈছিল, "ও! তহঁতৰ হিংসা লাগিছে হ'বলা?'

যুগৰ পৰিৱৰ্তন হ'ল। লগতে মানুহবোৰেও যুগৰ লগত খোজ মিলাই যাবলৈ বাধ্য হ'ল। আকাশ, লতা আৰু কণমাইও ডাঙৰ হ'ল আৰু এনেকৈয়ে সোণালী শৈশৱৰ পৰা আঁতৰি আহি একো একোজন ডেকা-গাভৰুত পৰিণত হ'ল। গাঁৱৰ মানুহবোৰে তিনিওকে খুব মৰম কৰিছিল কাৰণ তিনিও মেধাৱী ছাত্ৰ-ছাত্ৰী আছিল। আকাশে সদায় সপোন দেখিছিল সি এজন ভাল প্ৰফেছাৰ হ'ব আৰু তাৰ আৰ্জিত সকলো জ্ঞান বিলাই দিব ছাত্ৰ-ছাত্ৰীক। আকাশে সৰুতে এবাৰ কৈছিল, "লতা আৰু কণমাই, কোৱাচোন তোমালোকে ডাঙৰ হ'লে কি কৰিবা? মই কি কৰিম জানানে? মই ডাঙৰ হ'লে বহুত ধন ঘটিম আৰু সামাজিক কাম কৰিম।" আৰু এদিন সেই আকাশেই মেট্ৰিক পৰীক্ষাত ষ্টাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ গুৱাহাটীলৈ গৈছিল পঢ়িবলৈ। সি গুৱাহাটীৰ বি. বৰুৱা কলেজত নাম লগাইছিল, কলা বিভাগত। লতা আৰু কণমাইও উত্তীৰ্ণ হৈছিল যদিও প্ৰথম বিভাগত উত্তীৰ্ণ হ'ব পৰা নাছিল। সিহঁত দুয়োজনীয়েই থাকিল দুধনৈত আৰু দুধনৈ কলেজতে নামভৰ্ত্তি কৰিলে। যি আকাশে এদিন লতা আৰু কণমাইক নেদেখিলে থাকিব নোৱাৰিছিল সেই আকাশেই গৈছিলগৈ উচ্চ শিক্ষা লাভৰ অৰ্থে সিহঁতৰ পৰা বহুত আঁতৰলৈ। লতা আৰু কণমাই দুয়ো ৰূপে-গুণে, কামে-কাজে একোতে কম নাছিল। সকলো সলনি হৈছিল আধুনিকতাৰ কোবাল সোঁতত। মানুহৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ সকলোৰে পৰিৱৰ্তন হৈছিল। মানুহবোৰে গালে-মুখে ইটো-সিটো Up to date বস্তু ঘঁহি-ঘঁহি নিজকে আনৰ সন্মুখত দেখনিয়াৰ কৰি তুলিবলৈ ব্যস্ত হৈ পৰিছিল। পৰীক্ষাৰ শেষত বা কেতিয়াবা পূজাৰ বন্ধ আদিত আকাশ ঘৰলৈ আহিছিল। আহিলেই লতা আৰু কণমাইক লগ ধৰিছিল, সিহঁতৰ খবৰ লৈছিল নিজৰ কথাবোৰ আপোন মনেৰে কৈ গৈছিল।

এদিন দুদিন কৰি বছৰ বাগৰিছিল আৰু এদিন বুৰঞ্জীত অনাৰ্চসহ বি.এ. ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত এম. এত নামত লগাইছিল আকাশে। এনেদৰে সঠিক সময়ত সঠিকভাৱে সকলো কাম সমাপ্ত হৈছিল। আকাশে প্ৰথমে দুধনৈ কলেজতে বুৰঞ্জী বিভাগৰ প্ৰৱক্তাৰূপে কামত যোগদান কৰিছিল। লতা আৰু কণমাইয়ে বি. এ. পাছ কৰাৰ পিছত আৰু নপঢ়িলে। সিহঁতেও এনেয়ে থকা নাছিল। কণমাইৰ চৰকাৰী হাইস্কুলত সৌভাগ্যক্ৰমে চাকৰিটো হৈ গৈছিল। দেউতাকে লতাক এখন ফাৰ্মাচী খুলি দিছিল। আকাশ আকৌ দুধনৈলৈ অহাত সিহঁত তিনিওজনে আগৰ দৰেই সঘনে লগ কৰা হৈছিল। সিহঁতক দেখিলে এনে লাগিছিল যেন সিহঁত সেই শৈশৱৰ আকাশ, লতা আৰু কণমাইহে। ইমান বছৰ দূৰে দূৰে থাকিলেও সিহঁতক কোনেও বেলেগ কৰিব পৰা নাছিল আৰু এই ক্ষেত্ৰত যেন সময়েও হাৰ মানিছিল। লাহে লাহে আকাশৰ বন্ধুত্বৰ পৰা পিছলি আহি লতা আৰু কণমাই উভয়ে আকাশৰ প্ৰেম নামৰ নদীখনত বুৰ যাবলৈ আৰম্ভ কৰিলে। কি অদ্ভুত এই প্ৰেম! শৈশৱৰ বন্ধুত্ব আৰু অৱশেষত প্ৰেম। আকাশে কিন্তু বুজিব পৰা নাছিল সিহঁতৰ মনৰ কথা। তেতিয়া প্ৰায়েই সিহঁতে শৈশৱত বহাৰ দৰে নদীৰ পাৰৰ আঁহত গছজোপাৰ তলত বহিবলৈ ধৰিছিল আৰু অনৰ্গল কৈ গৈছিল নিজৰ নিজৰ কথা। মনৰ আচল কথাটো খুলি ক'ব নোৱাৰি দুয়োজনীয়েই কেতিয়াবা মন মাৰি বহি থাকিছিল। দিনে-নিশাই মনে মনে দুয়োজনীয়ে কেৱল আকাশৰ কথাই ভাবি থাকিছিল। সপোনৰ জগতত থাকি আবেগ বিহ্বল হৈ দুয়ো অকলে অকলে নিজৰ সৈতে গোপনে কথা পাতিছিল অনবৰতে। কণমাইয়ে ভাবিছিল তাইনো কি উপায়েৰে তাইৰ অন্তৰৰ কথা জনাব আকাশক। এবাৰ ভাবিছিল, "কৈয়েই দিও নেকি মুখেৰে, আকাশ মই তোমাক ভাল পাওঁ, বহুত বহুত ভাল পাওঁ। তাকো বহুত আগৰ পৰাই, এয়া যেন তুমি উপলব্ধি কৰিব নোৱাৰিবা। নাই, মই মুখেৰে ক'ব নোৱাৰো, লাজ লাগে।" বহুত পৰৰ পিছত তাই স্থিৰ কৰিছিল তাই এখন চিঠি লিখি জনাই দিব। চিঠিখন তাক অহা কালিয়েই নিশ্চয়কৈ দিব তাই। ইপিনে লতাৰো সেই একেই অৱস্থা। তায়ো এখন চিঠি লিখিছিল আকাশক অহাকালিলৈ দিব বুলি। আকাশক আঁহত গছজোপাৰ তলত ৰৈ থাকিবলৈ ক'বৰ বাবে তাই তাইৰ খুৰাকৰ সৰু ল'ৰাজনক আকাশহঁতৰ ঘৰলৈকে পঠিয়াই দিলে। লতাইও জানে যে অহাকালি যিহেতু ৰবিবাৰ গতিকে আবেলি সি তাত যোৱাটো স্বাভাৱিক।

ৰবিবাৰৰ ৰাতিপুৱা লতা আৰু কণমাইৰ গাত হুচ্ নোহোৱা হৈছিল। কি কৰিব কি নকৰিব ভাবি তত নোহোৱা হৈছিল। সুৰুযটোৱে লাহে লাহে পশ্চিম আকাশৰ পৰাও মেলানি মাগিবলৈ ধৰিছিল। আকাশে আঁহত জোপাৰ তললৈ গৈ প্ৰকৃতিৰ ৰেহ-ৰূপ উপভোগ কৰি আছিল। এনে সময়তে কণমায়ে সাজি-কাচি ওলালেহি আকাশক লগ ধৰিবলৈ। পিছফালে হাতত যোৱাকালি লিখা চিঠিখন এটা ধুনীয়া খামত ভৰাই লুকুৱাই আনিছে। এনেদৰে সাজি-কাচি অহা দেখি

আকাশে ক'লে, "কেনিবা যাবা নেকি? একেবাৰে নাচনীজনী হৈ ওলালাহিযে!" কণমায়ে ক'লে, "নাই নাযাও ক'লৈকো। তোমাক এটা বস্তু দিবলৈকেহে আহিছিলো।" "এইটো লোৱা" বুলি কৈ চিঠিখন তাক দিয়েই তাই ঘৰমুৱা হৈ দৌৰ মাৰিলে। লতাইও আহি আছিল সেই সময়তে। কণমাইক দৌৰি-দৌৰি অহা দেখি সুধিলে, "হাৰে, কণমাই তই! ইমান দৌৰিছ কেলৈ?" কণমাইয়ে ভালদৰে কথাটোৰ উত্তৰ নিদি "পিছত গম পাবি" বুলি কৈ তাৰাতাৰি গ'লগৈ। আঁহতজোপাৰ তলত আকাশে কণমাইৰ চিঠিখন পঢ়ি আছিল। লতাই গছজোপাৰ পিছফালৰ পৰা আঁৰ হৈ চালত সকলো কথা গম পালে। তাইৰ এনে লাগিল যেন বজ্রপাতহে পৰিল মূৰৰ ওপৰত। এটা অস্ফুত ক্রন্দন অন্তৰৰ গুপুত কোণৰ পৰা ওলাই আহিল। তাইৰ খুব চিঞৰি চিঞৰি কান্দিবলৈ মন গ'ল। মূৰটো আচন্দ্রাই কৰিব ধৰিলে। চকুৰে একো মনিব নোৱাৰা হৈ পৰিল। যন্ত্রণাত তাই যেন বাগৰি পৰিব। কোনোমতে নিজকে চম্ভালি তাই তাৰ পৰা উভতি আহিল। ঘৰলৈ আহি তাই বিচনাত বাগৰি ঘণ্টাৰ পিছত ঘণ্টা ধৰি কেৱল কান্দিয়েই থাকিল। জীৱনত প্রথমবাৰৰ বাবে তাই কোনোবা পুৰুষ এজনক ভাল পাইছিল, তাকো আজি হেৰুৱালে। নলিনীবালা দেৱীৰ কবিতা এফাঁকি তাইৰ মনলৈ আহিল—

"কোন কাৰ জগতৰ
কোন কাৰ মৰমৰ
চকুৰ চিনাকি মাথো দুদিনৰ
সসীমৰ ৰূপ তৃষ্ণা অসীমত বুৰ যাব
থহি গ'লে জৰী মৰমৰ।"

অৱশেষত এদিন তাই সিদ্ধান্ত লৈছিল, তাই এই গাঁওখনত আৰু এখন্তেকো থাকিব নিবিচাৰে। তাই গুচি যাব আকাশহঁতৰ কাষৰ পৰা চিৰদিনৰ বাবে বহু দূৰণিলৈ...। ০০০০

## *মহৎ লোকৰ বাণী*

- এখন দুৱাৰ বন্ধ হ'লে আন এখন দুৱাৰ খোল খায়। বন্ধ দুৱাৰখনক লৈ হতাশ নহ'বা, খোলা দুৱাৰখন বিচৰাত মনোনিবেশ কৰা। এয়াই জীয়াই থকাৰ মূলমন্ত্র।

  - আলেকজেণ্ডাৰ গ্রাহাম বেল।

- জীৱনত কেতিয়াও পৰাজিত নোহোৱাটো গৌৰৱৰ কথা নহয়। কোনো পৰাজয়তে ভাগি নপৰি আগবাঢ়ি যোৱাটোহে গৌৰৱৰ কথা।

  - জৱাহৰলাল নেহেৰু

- মানুহক ক্ষমতাই দুর্নীতিপৰায়ণ নকৰে। যেতিয়া মূৰ্খই ক্ষমতা পায়, তেতিয়া সি ক্ষমতাক কলুষিত কৰে।

  - জর্জ বার্নাডশ্ব।

**সংগ্রহ ঃ মালবিকা ৰায়, উচ্চতৰ মাধ্যমিক ২য় বর্ষ (কলা)**

# যুৱ-মানসিকতা, উচ্ছৃংখলতা, শিক্ষানুষ্ঠান আৰু সামাজিক আন্তঃক্ৰিয়া— এটি আলোচনা

✍ পাৰুল নাথ
প্ৰবক্তা, শিক্ষা বিভাগ

আৰম্ভণিঃ

শিশুৰ বিকাশৰ প্ৰক্ৰিয়াত অৰিহণা যোগোৱা বিভিন্ন সংস্থাৰ ভিতৰত শিক্ষানুষ্ঠান অন্যতম। ই হ'ল মানুহৰ বৃহত্তম সমাজৰ সৰলীকৃত, পবিত্ৰ আৰু সুন্দৰভাৱে ভাৰসাম্যতা বজাই ৰখা এখন সমাজ। শিক্ষানুষ্ঠানৰ পাঠ্যসূচী, কাৰ্য্যসূচী, নীতি-নিয়ম, শৃংখলাবদ্ধতা ইত্যাদিৰ ব্যৱস্থাই শিক্ষাৰ্থীৰ মানসিক ক্ৰিয়া আৰু আচৰণ অধিক শৃংখলাবদ্ধ আৰু অনুশাসিত কৰি তোলে। শিক্ষানুষ্ঠানৰ লগত জড়িত হৈ থাকে মূলতঃ ভৌতিক আৰু মানৱসম্পদসমূহ। তাৰোপৰি সামাজিক অনুষ্ঠান হিচাপে স্বীকৃতি লাভ কৰা শিক্ষানুষ্ঠানৰ যোগেদি সামাজিক জীৱনো প্ৰতিফলিত হয়।

এখন শিক্ষানুষ্ঠানৰ সফলতা বা বিফলতা নিৰ্ভৰ কৰে সেই অনুষ্ঠানৰ পৰিবেশ, মানৱ সম্পদ, যেনে- শিক্ষক বা শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক, বাহ্যিক আচৰণ, প্ৰৱণতা নীতি-নিয়ম, নিয়মানুবৰ্তিতা ইত্যাদি দিশবোৰৰ ওপৰত। আন্তঃক্ৰিয়া হ'ল একোখন অনুষ্ঠানৰ উন্নয়নৰ মূল ভেটি। ইয়াৰ সহায়ত একোখন সুন্দৰ সমাজ গঢ় লৈ উঠে। আৰু প্ৰতিগৰাকী সদস্যই নিজকে চিনাকি দিয়াৰ সুযোগ লাভ কৰে। সেয়ে প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে প্ৰতিযোগিতাৰ মনোভাৱেৰে নিজ নিজ কাৰ্য্যত অৱতীৰ্ণ হ'ব লাগে।

বৰ্তমান যুগটোৱেই হ'ল প্ৰতিযোগিতাৰ যুগ। আজি চেতন বা অচেতনভাৱে প্ৰত্যেকগৰাকী ব্যক্তিয়ে প্ৰতিযোগিতাৰ দৌৰত অংশগ্ৰহণ কৰিছে। আধুনিকতাৰ প্ৰলেপ সানি লৈ যুৱক-যুৱতীসকলে জীৱনৰ বাটত অগ্ৰসৰ হৈছে। অধিকাংশ কিশোৰ-কিশোৰীয়ে আধুনিকতাৰ নামত অসজ পথেৰে আগবাঢ়িছে। প্ৰগতিৰ স্তম্ভস্বৰূপ যুৱ শক্তিৰ অৱক্ষয় ঘটিছে। ৰাস্তা-ঘাট, শিক্ষানুষ্ঠান, ঘৰ সকলোতে যেন এক বিশৃংখল পৰিবেশে গা-কৰি উঠিছে। জীৱনৰ প্ৰতিটো দিশতে অভিনৱত্বৰ পূৰ্ণ প্ৰকাশ ঘটোৱাৰ মূল সময়খিনিয়েই হ'ল কৈশোৰ কাল। কৈশোৰ কালতে ল'ৰা-ছোৱালীয়ে ভৱিষ্যতৰ পথ সুগম কৰাৰ প্ৰচেষ্টা হাতত ল'ব লাগে। জীৱনৰ লক্ষ্য স্থিৰ কৰি সেই লক্ষ্যত উপনীত হোৱাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিব লাগে। কিন্তু বেছিভাগ সমাজতে ইয়াৰ বিপৰীত ধৰ্মী অৱস্থাই বিৰাজ কৰিছে। মুষ্টিমেয় কেইজনমানৰ বাহিৰে সকলোৰে স্খলন ঘটিছে। যুৱ মানসিকতাৰ বিৰূপ ভাৱধাৰাই সামাজিক পৰিবেশ বিনষ্ট কৰিছে। কেৱল প্ৰয়োজন। এই প্ৰয়োজনৰ যেন শেষ নাই। অতি প্ৰয়োজনে বেছিভাগকে হতাশাত ভোগাইছে। হতাশাই সৃষ্টি কৰিছে বিশৃংখলতাৰ। চাৰিওফালে যেন এক উচ্ছৃংখলতাই বিৰাজ কৰিছে। উদাহৰণস্বৰূপে— নীতি-নিয়মৰ অৱমাননা, মূল্যবোধৰ অৱক্ষয়, সংহতিৰ অভাৱ, জাতীয় চেতনাৰ অজ্ঞতা, ইত্যাদি।

সাধাৰণতে দেখা যায় যে যুৱক-যুৱতীসকলে আত্মপ্ৰেমৰ ধাৰণাৰে উদ্বুদ্ধ হৈ আত্মকেন্দ্ৰিক হৈ পৰে। আনুভূতিক আৰু কাল্পনিক ধাৰণাৰ প্ৰাবল্য বেছি হোৱা হেতুকে দিবাস্বপ্নৰ মায়াজালত উটি-ভাহি ফুৰে। নীতি-নিয়ম, নৈতিকতাক বিসৰ্জন দি অন্য পথলৈ গতি কৰে। অপৰাধমূলক কাম কৰি সামাজিক জীৱনত নানা সমস্যাৰ উন্মেষ ঘটায়। অবাঞ্চিত তথা অসামাজিক কাম কৰি উৎসাহিত হয়। মাক-দেউতাকৰ অবাধ্য হোৱা, অনাহকতে কাজিয়াত লিপ্ত হোৱা, ধুমপান তথা ৰাগিয়াল দ্ৰব্য সেৱন কৰা, শ্ৰেণীত উপস্থিত নথকা, পঢ়াৰ সময়ত আড্ডা মাৰা, অনুশাসন মানি নচলা, ৰাস্তাত বিশৃংখল আচৰণ প্ৰদৰ্শন কৰা, একেখন বাইকতে তিনি চাৰিজনকৈ উঠি ধুমুহাৰ গতিৰে অগ্ৰসৰ হোৱা ইত্যাদিবোৰ

উচ্ছৃংখল মানসিকতাৰ বিকৃত ৰূপ।

সেয়ে মানসিক দিশৰ ইতিবাচক বিকাশ ঘটাবলৈ মাক-দেউতাক, শিক্ষক আৰু সমাজৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে। ইয়াৰ বাবে সামাজিক আন্তঃক্ৰিয়াৰ প্ৰয়োজনকো নুই কৰিব নোৱাৰি। কিয়নো আন্তঃক্ৰিয়াই পাৰস্পৰিক আচৰণ সংশোধনৰ দিশত সহায় কৰে আৰু এজনে আনজনৰ দুৰ্বল দিশসমূহ সবল কৰাত সহায় কৰি সামাজিক জীৱন সুন্দৰতম কৰি তোলে।

যুৱ মানসিকতাক শৃংখলিত ৰূপত গঢ় দিয়াৰ বিভিন্ন উপায় আছে। তাৰ ভিতৰত সবাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হৈছে পৰিবেশ। পৰিবেশ বুলিলে ইয়াত মূলতঃ ঘৰুৱা পৰিবেশ, স্কুলীয়া পৰিবেশ আৰু সামাজিক পৰিবেশক বুজোৱা হৈছে।

ঘৰখনত এক সুন্দৰ পৰিবেশ সৃষ্টি কৰাৰ মূল দায়িত্ব হ'ল মাক-দেউতাক তথা জ্যেষ্ঠজনৰ। অনুকূল পৰিবেশে শিশুৰ বিকাশত তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শৈশৱ কালতে সাঁচ বহুওৱা কোমলমতীয়া মনৰ পাপৰি খোল খায় কৈশোৰ কালত আৰু তদ্ৰূপ ব্যক্তিত্ব গঢ় লৈ উঠে। গতিকে ঘৰুৱা পৰিবেশ ইতিবাচক হোৱা নিতান্তই দৰকাৰ। যেনে-

- ঘৰখনত কাজিয়া-পেঁচাল থাকিব নালাগে
- অনাহকতে ল'ৰা ছোৱালীক শাস্তি দিব নালাগে
- সিহঁতৰ সৈতে বন্ধুত্বপূৰ্ণ আচৰণ প্ৰদৰ্শন কৰিব লাগে
- সিহঁতৰ ব্যক্তিসত্বাক শ্ৰদ্ধা কৰিব লাগে
- সিহঁতক আবেগিকভাবে নিৰাপত্তা প্ৰদান কৰিব লাগে
- মৰম-স্নেহেৰে সিহঁতক যিকোনো কথা বুজাই দিব লাগে
- যিকোনো সমস্যা সমাধানত সিহঁতক সহায় কৰিব লাগে
- সিহঁতক অত্যধিক ভয় খুৱাব নালাগে
- অৰ্থনৈতিক দিশৰ কথা সিহঁতক অবগত কৰাব নালাগে
- প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত সিহঁতৰ পছন্দৰ ওপৰত গুৰুত্ব দিব লাগে
- সিহঁতৰ নৈতিক আৰু আধ্যাত্মিক দিশত প্ৰভাৱ পেলাব পৰা দৃষ্টান্ত দাঙি ধৰিব লাগে
- সিহঁতক প্ৰমূল্যবোধৰ শিক্ষা প্ৰদানত গুৰুত্ব দিব লাগে
- আদৰ্শগত প্ৰভাৱেৰে সিহঁতক প্ৰভাবান্বিত কৰিব লাগে ইত্যাদি।

ঘৰখনৰ পিছতে শিশুৰ বিকাশত অৰিহণা যোগোৱা সংস্থাটো হ'ল স্কুল। স্কুলত শিক্ষক-ছাত্ৰৰ সম্বন্ধ মধুৰ আৰু বন্ধুত্বপূৰ্ণ হ'ব লাগে। যুৱ মানসিকতাৰ বিকৃত ছবিখন বুজি লৈ সেইমতে সিহঁতৰ আচৰণ সংশোধনত গুৰুত্ব দিব লাগে। অৰ্থাৎ কৈশোৰৰ উচ্ছৃংখলতাৰ কাৰণসমূহ কি কি বা সিহঁতে কি কাৰণত শ্ৰেণীকক্ষত সমযোজিত হ'ব পৰা নাই সেই বিষয়ে বহলভাৱে অধ্যয়ন কৰাটো নিতান্ত জৰুৰী। তাৰোপৰি যিসকল কিশোৰ-কিশোৰীয়ে উচ্ছৃংখল পৰিবেশৰ সৃষ্টি কৰিছে বা নীতি-নিয়ম বিসৰ্জন দিছে সেইসকলক মাতি আনি মৰমেৰে বুজাই দিব লাগিব যাতে সিহঁতে নিজৰ দোষসমূহ হৃদয়ঙ্গম কৰিব পাৰে। তাৰোপৰি অভিভাৱক আৰু শিক্ষক একগোট হৈ সিহঁতৰ ভুলবোৰ আঙুলিয়াই দি শুদ্ধ পথেৰে আগবাঢ়ি যোৱাৰ বাবে অনুপ্ৰাণিত কৰিব লাগিব।

অৱশ্যে অকল যে ঘৰ বা স্কুলীয়া পৰিবেশে উচ্ছৃংখল যুৱ মানসিকতাৰ শৃংখলিতকৰণত দায়িত্বপূৰ্ণ ভূমিকা পালন কৰিব এনে নহয়। এইক্ষেত্ৰত সুস্থ সামাজিক পৰিবেশৰ প্ৰয়োজন অধিক। উদাহৰণস্বৰূপে- সমাজ অবিহনে ব্যক্তিৰ সুস্থ বিকাশ সম্ভৱ নহয়। গতিকে এখন সমাজত কি ঘটিছে বা কি কি প্ৰচলিত হৈ আছে সমাজৰ মুৰব্বী বা প্ৰশাসনে জনা উচিত। কিশোৰ-কিশোৰীসকলৰ কিছুমানে সমাজত কেনে ধৰণৰ আচৰণ প্ৰদৰ্শন কৰিছে বা কিয় কৰিছে সেয়া জানিবলৈ প্ৰতিজন ব্যক্তিয়ে সচেতন হোৱা উচিত। ধৰাহ'ল চৈধ্য বা পোন্ধৰ বছৰীয়া ছাত্ৰৰ দল এটাই অসামাজিক কামত লিপ্ত হৈ পঢ়াৰ ফালে পিঠি দিছে। তাৰ বাবে দোষ কাৰ? ছাত্ৰজনৰ-অভিভাৱকৰ নে সমাজখনৰ? যদি সেই দল ছাত্ৰই মদ খাইছে তেন্তে সিহঁতে ক'ৰ পৰা মদ পাইছে? নিশ্চয় সমাজৰে এখন দোকানত! নিঃসন্দেহে এইটো সত্য যে ব্যৱসায়ৰ মূল উদ্দেশ্যই হ'ল সফলতা। কিন্তু যদি সেই সফলতাই কাৰোবাৰ জীৱনলৈ দুৰ্যোগ নমাই আনে বা সমাজৰ অৱনতি ঘটায় তেন্তে সফলতাৰ মূল্যায়ন কেনেধৰণে কৰা হ'ব! একেদৰে, জুৱা খেলা, চোৰ কৰা, নীতি-নিয়ম উলংঘা কৰা ইত্যাদি ইত্যাদি কামবোৰত লিপ্ত হৈ থকা ব্যক্তিসকলে সুন্দৰতাৰ বিনাশ ঘটাই জীৱন কলুষিত কৰি তোলে।

**সামৰণি ঃ** গতিকে যুৱ-উচ্ছৃংখলতাৰ অবসান ঘটাবলৈ আমি এক ঐক্যবদ্ধ প্ৰচেষ্টা হাতত ল'ব লাগিব। ঘৰ, শিক্ষানুষ্ঠান আৰু সমাজৰ মাজত আন্তঃক্ৰিয়া আৰু পাৰস্পৰিক বুজাবুজিৰ মনোভাৱ গঢ়ি তুলিব লাগিব। ঘৰ, সমাজ, জাতি বা দেশৰ মঙ্গল সাধনৰ বাবে যিসকল কিশোৰ-কিশোৰী বিপৰীত দিশে গতি কৰিছে সেইসকলক অনুকূল দিশত অৱতীৰ্ণ কৰাব লাগিব। হতাশা বা নিৰাশাক প্ৰশ্ৰয় নিদিবলৈ সিহঁতক অনুপ্ৰাণিত কৰিব

লাগিব। যুৱ শক্তি অসীম আৰু ই ভৱিষ্যতৰ প্ৰাণ। এই সীমাহীন শক্তি বা ক্ষমতাখিনি যাতে সিহঁতে সৎ কামত খটুৱাই দেশ বা জাতিৰ প্ৰগতিত সহায় কৰিব পাৰে সেই লক্ষ্যৰে আমি সকলোৱে সহযোগিতাৰে সহায়ৰ হাত আগবঢ়াব লাগিব। দেশৰ ভৱিষ্যতৰ নাগৰিকসকলক উৎকৃষ্ট মানৱসম্পদ হিচাপে গঢ়ি তুলিবলৈ গঠনমূলক চিন্তা-চৰ্চাৰ অতি প্ৰয়োজন। অসামাজিক বা অপৰাধমূলক কামত লিপ্ত হৈ জীৱন বিনষ্ট কৰাৰ দিশত আগবঢ়া কিশোৰ-কিশোৰীসকলে সু-সংগঠিত কাৰ্য্য প্ৰণালীৰে সমস্যা সমূহৰ সমাধানৰ পথ প্ৰশস্ত কৰিব লাগে আৰু সিহঁতক স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনাৰ বাবে অভিভাৱকসকলে মনোবিজ্ঞানসন্মত পদ্ধতি অৱলম্বন কৰিব লাগে। সমাজৰ সদস্যসকলৰ পাৰস্পৰিক সহায়-সহযোগিতাৰ জৰিয়তেহে মূল্যবোধৰ বীজ ৰোপণ কৰি বিপথে পৰিচালিত হোৱা কিশোৰ-কিশোৰীসকলক শুদ্ধ পথেৰে আগবঢ়াত সহায় কৰিব পাৰি।

0 0 0 0

[বিষয়টো উগ্ৰ যুৱ মানসিকতাক সামৰি লিখা হৈছে।]

---

## *সাঁথৰ*

ক) লোৰ দামুৰি, লোৰ গাই যিমানেই খীৰায়, সিমানেই পায়।
উত্তৰ ঃ দমকল

খ) এক মোন চুপাৰি, গণিব নোৱাৰে বেপাৰী।
উত্তৰ ঃ তৰা

গ) চাৰিটা বস্তুৰ চাৰিটা ৰং, মুখত দিলে হয় এটা ৰং
উত্তৰ ঃ তামোল, পাণ, চূণ, চাধা

ঘ) ভোঁ ভোঁ কৰে ভোমোৰা নহয়, লগুণ পিন্ধে বামুণ নহয়।
উত্তৰ ঃ যঁতৰ

ঙ) তিনিটা আখৰৰ জন্তুৰ নাম প্ৰথম আখৰ কাটিলে হয় ছোৱালীৰ নাম শেষৰ আখৰ কাটিলে হয় ল'ৰাৰ নাম
উত্তৰ ঃ হৰিণা

সংগ্ৰহ ঃ মিচ্ মনীষা ৰাভা,
স্নাতক প্ৰথম বৰ্ষ

# নৃগোষ্ঠীয় ৰাজনীতিৰ দৃষ্টিকোণৰ পৰা ৰাভাসকলৰ স্বায়ত্বশাসন দাবীৰ আন্দোলনঃ এক চমু আলোকপাত

ধ্রুৱজ্যোতি দাস
অংশকালীন প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

বিশেষকৈ স্বাধীনতাৰ পিছৰ সময়ছোৱাৰ পৰা (Post-independence period) ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলত পাহাৰে-ভৈয়ামে বসবাস কৰি থকা বিভিন্ন নৃগোষ্ঠীসমূহৰ স্বকীয় ঐতিহ্য, জাতীয় পৰিচয়, নিজস্ব ভাষা-সংস্কৃতি আদিক সুৰক্ষা দিয়াৰ বাবে নৃগোষ্ঠীয় ৰাজনীতিয়ে (Politics of Ethnicity and identity) এক শক্তিশালী আহিলা হিচাপে কাম কৰি আহিছে। উত্তৰ-পূবৰ পাহাৰ-ভৈয়ামৰ সৰু বৰ প্ৰায় জনজাতিয়ে নৃগোষ্ঠীয় ৰাজনীতিৰ জৰিয়তে স্বকীয় সামাজিক, ৰাজনৈতিক, ভাষিক তথা সাংস্কৃতিক মৰ্য্যদা বজাই ৰাখিবলৈ পূৰ্ণ-স্বায়ত্তশাসন বা পৃথক ৰাজ্যৰ (Greater Autonomy or Separate State) দাবীৰে উত্তৰ-পূবৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰে ৰাজনীতিত এক বিশেষ প্ৰভাৱ পেলাই আহিছে। সাম্প্ৰতিক কালত উত্তৰ-পূব তথা অসমৰ জনসংখ্যাৰ গাঁঠনি (Demograpy) আৰু ৰাজনীতিৰ চৰিত্ৰৰ (Naure of Politics) পৰিবৰ্তন সাধন কৰাত নৃগোষ্ঠীয় ৰাজনীতিয়ে এক বিশেষ উপাদান হিচাপে কাম কৰি আছে।



উত্তৰ-পূব তথা অসমৰ মঙ্গোলীয় নৃগোষ্ঠীৰ অন্তৰ্গত এটি উল্লেখযোগ্য আৰু স্বকীয় ভাষা-সাহিত্য-সংস্কৃতি তথা ঐতিহ্যৰে মহিমামণ্ডিত জনগোষ্ঠী হ'ল— ৰাভা জনগোষ্ঠী। স্বাধীনতাৰ কেবাদশকৰ পাছতো ৰাভাসকল আৰ্থিক, শৈক্ষিক, বৌদ্ধিক, সামাজিক, আনকি ৰাজনৈতিক আদি সকলো ফালৰ পৰা পিছপৰি থাকিব লগা হোৱাত (Sense of relative deprivation) আৰু উচ্চ বৰ্ণৰ অসমীয়াসকলৰ লগতে বঙালী হিন্দুৰ দ্বাৰা শোষিত হোৱাত (Assamese Chauvinism) আৰু অসমৰ আন আন জনগোষ্ঠীসমূহৰ বিশেষকৈ বড়ো, মিচিং, তিৱা, কাৰ্বি আদি জনগোষ্ঠীসমূহৰ নৃগোষ্ঠীয় ৰাজনীতি আৰু স্বায়ত্তশাসনৰ আন্দোলনৰ দ্বাৰা উদ্বুদ্ধ আৰু অনুপ্ৰাণিত হৈ এচাম উঠি অহা শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ ৰাভালোকে (Middle class Rabhas) নিজস্ব জাতীয় পৰিচয় আৰু ঐতিহ্য জীয়াই ৰখাৰ বাবে আৰু নিজৰ জনগোষ্ঠীটোৰ সকলোপ্ৰকাৰৰ উন্নয়ন সাধনৰ স্বাৰ্থত এক দীঘলীয়া আন্দোলনত ব্ৰতী হ'ল। এইদৰে ৰাভাসকলৰ নিজৰ জাতি আৰু নিজৰ মাটি (ৰাভা-হাছং) সকলো ফালৰ পৰা সুৰক্ষা দিয়াৰ বাবে আৰু নিজৰ ভূমিত ভূমিপুত্ৰ (Sons of the Soil) হিচাপে অস্তিত্ব বজাই ৰখাৰ বাবে ৰাভা-হাছং আন্দোলনৰ সূত্ৰপাত হ'ল আৰু ই এই আন্দোলনৰ বিভিন্ন পৰ্য্যায়ত আন্দোলনটোক সফল ৰূপ দিয়াৰ কাৰণে বিভিন্ন ৰাভা-জাতীয় সংগঠনৰ জন্ম হ'ল, যেনে— অসম ৰাভা সন্মিলন (1926), সদৌ অসম ৰাভা সন্মিলন (1965), ৰাভা জাতীয় পৰিষদ (1971), নিখিল ৰাভা সাহিত্য সভা (1973), নিখিল ৰাভা ছাত্ৰ সন্থা

(1980), নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতি, ৰাভা-হাছং সুৰক্ষা পৰিষদ ইত্যাদি। এই ৰাভা জাতীয় অনুষ্ঠানসমূহে সম্প্ৰতি ৰাভা-হাছং আন্দোলনক সফল ৰূপ দিয়াৰ বাবে অতি সক্ৰিয় ভূমিকা পালন কৰি আছে।

নৃগোষ্ঠীয় ৰাজনীতি আৰু ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ ৰাজনীতিত (Politics of Six Schedule) অনুপ্ৰাণিত হৈ অসমৰ বড়ো, মিচিং, তিৱা আদি আন আন জনগোষ্ঠীসমূহৰ দৰে ৰাভাসকলেও ৰাজনৈতিকভাৱে সচেতন হৈ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ (Selft-determination) সাব্যস্ত কৰাৰ বাবে আৰু নিজৰ জাতি মাটিৰ সুৰক্ষা দিয়াৰ বাবে ৰাভা-হাছং আন্দোলন আৰম্ভ কৰিলে আৰু সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত ৰাভা-হাছং দাবী কৰিলে। 1988 চনত Rabha Hasong Demand Committee গঠন হোৱাৰ লগে লগে ৰাভা-হাছঙত স্বায়ত্তশাসন দাবীৰ আন্দোলনৰ যাত্ৰা আৰম্ভ হ'ল আৰু ইয়াত নিখিল ৰাভা জাতীয় পৰিষদ আৰু নিখিল ৰাভা ছাত্ৰ সন্থাই যুটীয়াভাৱে ৰাষ্ট্ৰ আৰু চৰকাৰৰ ওচৰত পূৰ্ণ স্বায়ত্তশাসনৰ দাবী উত্থাপন কৰিলে। এই দাবী অনুসৰি ৰাভা-হাছং স্বায়ত্ব শাসিত পৰিষদ গঠন হ'ল আৰু ৰাভাসকলৰ সপোন ৰাজ্য ৰাভা-হাছং (Rabha-Hasong) পশ্চিম অসমৰ ৰাভা অধ্যুষিত দুখন জিলা কামৰূপ আৰু গোৱালপাৰা-কামৰূপ জিলাৰ ৰাণীৰ পৰা গোৱালপাৰা জিলাৰ জয়ৰামকুছিলৈ সীমা নিৰ্দ্ধাৰণ কৰি আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ প্ৰায় $316 km^2$ ভূমি আৰু মেঘালয়ৰ উত্তৰাঞ্চলৰ পাহাৰৰ পাদদেশ সামৰি আৰু দুধনৈক প্ৰধান কাৰ্য্যালয়/সচিবালয় হিচাবে লৈ 1995 চনত ৰাভা-হাছং গঠনৰ দাবী উত্থাপন কৰা হ'ল।

1995 চনত অসমৰ তদানীন্তন কংগ্ৰেছৰ মুখ্যমন্ত্ৰী মাননীয় হিতেশ্বৰ শইকীয়া, অসম চৰকাৰৰ মুখ্য সচিব আৰু ৰাভা জাতীয় সংগঠন নিখিল ৰাভা জাতীয় পৰিষদ, নিখিল ৰাভা ছাত্ৰসন্থাৰ বিষয়ববীয়াসকলৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয় আৰু প্ৰস্তাৱিত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ গঠিত হয়। এইদৰে চুক্তি অনুসৰি, ৰাভাসকলৰ সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, ৰাজনৈতিক, ভাষা-সাংস্কৃতিক আদি সকলো ফালৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি আৰু ৰাভা সমাজৰ আশা-আকাঙ্খাৰ প্ৰতি সঁহাৰি জনাই ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত ৰাভা হাছং স্বায়ত্বশাসনৰ দাবী পূৰণ কৰা হ'ল যদিও সঁচা অৰ্থত ৰাভাসকল আকাঙ্খিত স্বায়ত্তশাসন লাভৰ পৰা বঞ্চিত হৈ থাকিল। বৰ্তমান বহুকেইটা ৰাভা জাতীয় সংগঠনৰ সক্ৰিয় ভূমিকাত ৰাভা হাছং পূৰ্ণ স্বায়ত্বশাসনৰ দাবী আৰু আন্দোলন তীব্ৰতৰ হৈ উঠিছে আৰু তেওঁলোকে পথবন্ধ, অসম বন্ধ, ৰাভা-হাছং এলেকা বন্ধ, চকাবন্ধ, অৰ্থনৈতিক অৱৰোধ আদি কাৰ্য্যসূচীৰ জৰিয়তে প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰৰ ওপৰত হেঁচা দি আহিছে আৰু তেওঁলোকে পৰিষদত নিৰ্বাচন অনুষ্ঠিত কৰাৰ কাৰণেও দাবী জনাই আহিছে। ৰাভা হাছঙৰ অবিৰত সংগ্ৰামত মাজে-সময়ে অজনজাতীয় বিশেষকৈ ৰাভা-হাছং অঞ্চলৰ গাৰো আৰু মুছলমানসকলৰ লগত ৰাভাসকলৰ সংঘাত হোৱা তথা হিংসাত্মক কাৰ্য্যকলাপ সংঘটিত হোৱা দেখা গৈছে।

ৰাভাসকলৰ সপোনৰ ৰাজ্য ৰাভা-হাছঙক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত ৰাভাসকলৰ নিজৰ অস্তিত্ব, নিজৰ জাতি-মাটিৰ সুৰক্ষাৰ হেতু এক সুকীয়া আৰ্হিত গঢ় দিয়াত ৰাষ্ট্ৰযন্ত্ৰ তথা চৰকাৰে শীঘ্ৰেই চিন্তা আৰু সুব্যৱস্থা কৰা উচিত, বিশেষকৈ দুটা কথাৰ ওপৰত গুৰুত্ব দিয়া উচিত (ক) বহিৰাগত বিশেষকৈ বাংলাদেশী প্ৰব্ৰজন আৰু অনুপ্ৰবেশৰ ফলত বেদখল হোৱা খিলঞ্জীয়া সহজ-সৰল ৰাভাসকলক (Tribal landalienation) ভূমি বেদখলৰ পৰা মুক্ত আৰু সংৰক্ষণ কৰাৰ স্বাৰ্থত আৰু (খ) আন আন আগবাঢ়ি যোৱা, জনজাতীয় জনগোষ্ঠী যেনে- বড়ো, মিচিং আদিৰ উন্নয়ন সাধনৰ লগতে ৰাভা সকলৰো সৰ্বপ্ৰকাৰৰ উন্নয়ন কথা বিবেচনা কৰি চৰকাৰে শীঘ্ৰেই ৰাভা-হাছংৰ সঠিক নিৰ্মাণৰ পদক্ষেপ লোৱা উচিত। 0 0 0 0

## *মহৎ লোকৰ বাণী*

পৃথিৱীখন শাসন কৰে কেৱল কিতাপে, অন্ততঃ পৃথিৱীৰ সেইবোৰ জাতিক কিতাপে শাসন কৰে- যিসকলৰ লিখিত সাহিত্য আছে। গ্ৰন্থ অবিহনে এটা জাতিৰ কোনো অস্তিত্ব নাই, কোনো পৰিচয় নাই—

- ভল্টেয়াৰ

শিক্ষাই হৈছে মূল উপায় যি মানৱ জীৱনলৈ সুখ শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

- এৰিষ্টটল

সংগ্ৰহ ঃ **বিশ্বজিৎ কছাৰী,** উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)

# পেটুৰাৰ হাস্যকৰ পৰিয়াল

ধ্ৰুৱজ্যোতি সিংহ ৰায়
স্নাতক ৩য় বৰ্ষ (কলা)



গৈ গৈ নোপোৰা গাঁৱত পেটুৰা পেটেলৰ ঘৰ। তাৰ ঘৰ সকলোৱে চিনি পায়, নোপোৰা মানুহ নাই। ঘৰত পেটুৰাৰ বাহিৰে আছে পত্নী ৰচকী আৰু দুই পুত্ৰ লেলাই আৰু সবাই। পেটুৰাৰ আপোনপেটীয়া পেটটো আৰু লেলাই আৰু সবাইৰ কাহিনী সকলোৰে বাবে ৰগৰৰ কথা।

এদিনাখনৰ কথা, সবাইয়ে ঘৰৰ চোতালত জমা হোৱা বৰষুণৰ পানীখিনি কোৰেৰে কাটি লৈ নলাটোত পেলাই দিছিল। ঠিক সেই সময়তে তাৰ লগৰ কণটিলৌৱে আহি তাক দেখি সুধিলে, 'বোলো সবাই, কি কৰিছা?' সবাইয়ে আকৌ ইংৰাজীতে কথা কৈ বৰ ভাল পায়। যিহকে মুখত আহে তাকে কয়, তাতে আকৌ কনটিলৌৰ নিচিনা কোনোবা ইংৰাজী নুবুজা মানুহ হ'লেতো কথাই নাই, তাৰ মুখত ইংৰাজী আখৈ ফুটাদি ফুটে। সবাইয়ে প্ৰশ্নটো শুনা মাত্ৰকে উত্তৰ দিলে— "ডিছ ইজ দ্যা বুটিকোৰ, কাটিং দ্যা নলা, হোৰ্ হোৰ্কে ওৱাতাৰ গইং টো হোলা।' বুজাই নুবুজাই মুৰ দুপিয়াই কনটিলৌৱে খোজ ল'লে।

আন এদিনৰ কথা। লেলাইয়ে স্কুলৰ প্ৰথম বেঞ্চখনৰ প্ৰথম স্থানত বহি আছিল। মাষ্টৰে তাক প্ৰশ্ন কৰিলে— 'লেলাই কচোন মানুহটো গছত ওলমি আছে। এইটো কোন কালৰ উক্তি?' লেলাইয়ে টপৰাই উত্তৰ দিলে 'মৰণ কালৰ ছাৰ।'

এদিন সবাই বাটেদি গৈ থাকোতে কাষৰ নাৰিকল জোপাৰ পৰা নাৰিকল এটা সৰি পৰিল। ঠাইতে সবাইয়ে নাৰিকলটো বুটলি লৈ আহি থাকোতে সৰু ল'ৰা এটাই সুধিলে 'সেইটো কি?' সবাইয়ে স্বভাৱতেই ক'লে 'Woman banana' ল'ৰাটোৱে একো বুজিব নোৱাৰি তাৰ মানে কি বুলি সোধাত সি ক'লে, 'তহঁতে তাকো নাজান নে? নাৰিকল শব্দটোৰ নাৰি শব্দটোৰ ইংৰাজী হ'ল 'Woman' আৰু কলৰ ইংৰাজী শব্দ হ'ল 'Banana'।

পেটুৰাই এবাৰ বজাৰৰ পৰা পাউৰুটিৰ পেকেট এটা আনি পত্নী ৰচকীক দি ক'লে— 'ভাল দৰে থ'বা যাতে পৰুৱাই পাব নোৱাৰে।' দুপৰীয়া ভাত পানী খাই বৈ বিচনাত পৰি পেটুৰাই সুধিলে— 'পাউৰুটিৰ পেকেটটো ভালদৰে থ'লানে?' ৰচকীয়ে মাত লগালে 'মই পৰুৱাই পাব নোৱাৰাকৈ ডি.ডি.টি দি থৈছো।' পেটুৰাৰ আহিবলৈ ধৰা টোপনি ভাঙি গ'ল।

লেলাই আৰু সবাইয়ে এদিনাখন আগচোতালত বহি বাৰেভচহু গল্প কৰি আছিল। লেলাইয়ে মাত লগালে— 'জান, মোৰ লগৰ ভাগ্যবন্ত ইমান ভাগ্যবান। এবাৰ কি হ'ল জান? সি সোৱণশিৰিত পৰিল। পানীত পৰি সি এগালমান পানীৰ লগতে সেণো এসোপা খালে। পাছত তাক উদ্ধাৰ কৰি তাৰ পেটৰ অপাৰেচন কৰি সোণবোৰ উলিওৱা হ'ল। সেই সোণৰ মূল্যৰে তাৰ অপাৰেচনৰ খৰচ আৰু শ্ৰাদ্ধ বিধিৰ খৰচো হ'ল। ভাবি চাচোন সি কিমান ভাগ্যবান।' সবাইয়ে ক'লে— 'সঁচাই! আমিও যদি ভাগ্যবন্তৰ দৰে ভাগ্যবান হ'লোহেঁতেন।' লেলাইৰ সেইদিনা অসমীয়া বিষয়ৰ পৰীক্ষা আছিল। প্ৰশ্নকাকতখনৰ প্ৰশ্নবোৰৰ মাজত এটা প্ৰশ্ন দেখি সি গভীৰ চিন্তাত পৰিল। প্ৰশ্নটো আছিল, 'শংকৰদেৱে ক'ত শিক্ষা গ্ৰহণ কৰিছিল? সি ভাবিলে শংকৰদেৱতো বৰ চোকা আছিল। গতিকে কটন কলেজতে পঢ়িছিল ছাগে। এই বুলি ভাবি সি উত্তৰত তাকে লিখি দিলে।

পেটুৰাৰ আগৰ আপোনপেটীয়া স্বভাৱটো বয়সৰ লগে লগে গাঢ় হৈ আহিল। নিজৰ পেটটোৰ বাহিৰে সি তেনেকৈ অন্য চিন্তা একো কৰিব নোৱাৰে। এদিনাখন পেটুৰাই আগচোতালৰ চকীত বহি তামোল চোবাই আছিল। তেনেতে সবাইয়ে গৈ বাপেকক দেখুৱালে, 'চোৱাচোন পিতাই মোৰ পিন্ধি থকা গেঞ্জীটোৰ অৱস্থা একেবাৰেই নাই। অ'ত ত'ত ইমানবোৰ ফাঁট মেলিছে! পিন্ধিবই নোৱাৰি।' পেটুৰাই গেঞ্জীটোৰ ফালে চাই ক'লে— 'তোৰ গেঞ্জীটো ফাটিহে গৈছে, পিন্ধিব পাৰিবি। তোৰ ককায়েৰে যে আজি কিমান দিনৰ পৰাই অকল গেঞ্জীৰ হাত কেইটাহে পিন্ধি আছে। তই দেখা পোৱা নাই?' 0 0 0 0

# টুক্ৰেশ্বৰী দেৱালয়

শ্ৰীহীৰামণি সিংহা
স্নাতক ৩য় বৰ্ষ (কলা)

কৃষ্ণাইৰ পৰা তিনি কিঃ মিঃ পশ্চিমে ৰাষ্ট্ৰীয় ঘাই পথৰ দক্ষিণত টুক্ৰেশ্বৰী পাহাৰ। এই টুকেশ্বৰী পাহাৰত টুক্ৰেশ্বৰী দেৱালয়। ই এটা প্ৰকাণ্ড শিলৰ ওপৰত প্ৰতিষ্ঠিত এখনি শক্তি পীঠ। পাহাৰৰ নামনিত মন্দিৰ, ভোগঘৰ আৰু এটা ডাঙৰ সভাঘৰ বা নাট ঘৰ আছে। চৌহদত এটি সৰু নিজৰা আৰু পানী জমা হৈ থকা সৰু পুখুৰী এটা আছে। ইয়াত যাত্ৰীসকলে মুখ হাত ধুই তলৰ মন্দিৰ আৰু পাহাৰৰ মন্দিৰ দৰ্শন কৰাৰ নিয়ম। পাহাৰৰ ওপৰত জয়-বিজয় আৰু শিৱৰ স্থান আছে। তাত শিৱলিঙ্গ আছে। ইয়াত পঞ্চ-পাণ্ডৱ আৰু কাহুলীৰ থান আছে। পাহাৰৰ চূড়াত টুক্ৰেশ্বৰী দেৱীৰ সিদ্ধপীঠ আছে। সতীৰ দেহৰ এটুকুৰা (টুকুৰা) ইয়াত পৰিছিল কাৰণে ইয়াৰ নাম টুক্ৰেশ্বৰী হোৱা বুলি লোকে কয়। 'টুকুৰা' মানে অংশ, সেয়েহে ইয়াৰ নাম টুক্ৰেশ্বৰী হ'ল। আন এটা জন প্ৰবাদ আছে যে এই পাহাৰৰ কাষত 'টুকুৰা' নামে এজন মানুহে গৰু ৰাখিছিল। কিছুদিনৰ পৰা সি মন কৰিলে যে তাৰ গৰুৰ পালৰ পৰা এজনী খীৰতী গাই সদায় দুপৰীয়া নোহোৱা হয় আৰু আবেলি আহি লগ লাগে। এদিন ঘটনাটোৰ পম খেদি টুকুৰাই গম পালে যে এই গাইজনী পাহাৰৰ ওপৰলৈ চোতাল যেন বহল শিলটোৰ পূব কোণত ঠিয় হৈ গাখীৰ দি আছে। গাখীৰ দিয়াৰ পিছত তাই নিজে নিজে আকৌ নামি আহিল আৰু পূৰ্বৰ দৰে পালৰ লগত লগ হৈ থাকিল। টুকুৰাই আহি সকলো কথা বিজনীৰ ৰজাক বিবৰি ক'লে। ৰজাই কথাটো প্ৰথমে বিশ্বাস কৰিবলৈ টান পাইছিল। কিন্তু দুদিনমান পিছত ৰজাক সপোনত কোনো অদৃশ্য শক্তিয়ে আদেশ কৰিলে যে সেই ঠাইত ৰজাই এটি মন্দিৰ সাজি পূজা কৰিব লাগে। অৱশেষত ৰজাই তাত এটি মন্দিৰ সজাই দেবোত্তৰ মাটি দান কৰি পূজা অৰ্চনাৰ ব্যৱস্থা কৰিলে। সেইদিন ধৰি টুকুৰাৰ নাম অনুসৰি উক্ত মন্দিৰৰ নাম টুক্ৰেশ্বৰী ৰখা হয়।



ভাৰতবৰ্ষত বহুতো তীৰ্থ স্থানত বান্দৰ থকা দেখা যায়। কিন্তু টুক্ৰেশ্বৰী পাহাৰত থকা বান্দৰ সমূহৰ কথা সুকীয়া। এই বান্দৰ সকলৰ মাজত এহাল ৰজা-ৰাণী আছে। ৰজা-ৰাণীয়ে প্ৰসাদ বা চাউল নোখোৱা পৰ্য্যন্ত আন আন বান্দৰ সকলে তাক নাখায়। ৰজা ৰাণীৰ মৃত্যু হ'লে বান্দৰসকলে সিহঁতৰ মাজত পুণৰ নতুন এহালক ৰজা ৰাণী পাতি লয়। ৰজা ৰাণী বা দলপতিক সন্মান কৰি ৰূপৰ বাটিত প্ৰসাদ দিয়া হয়। ৰজাৰ ৰাজত্ব শেষ হোৱাৰ লগে লগে বান্দৰসকলৰ মাজত এটি খেলি মেলি পৰিবেশৰ সৃষ্টি হয়।

দুৰ্গাপূজা আৰু বাসন্তী পূজাৰ সময়ত টুক্ৰেশ্বৰী মন্দিৰত মহা সমাৰোহেৰে পূজা আৰু মেলা উৎসৱ অনুষ্ঠিত হয়। এই দেৱালয়ৰ পূজাৰীগৰাকী ব্ৰাহ্মণ সম্প্ৰদায়ৰ। ইয়াত নিতৌ পূজা-অৰ্চনা হয়। জমিদাৰী অধিগ্ৰহণৰ পিছত দেৱালয়ৰ দায়িত্ব পৰিচালনা সমিতিৰ হাতত অৰ্পণ কৰা হয়। দুৰ্গা পূজাৰ সময়ত ইয়াত মহ বলি দিয়া হয়। টুক্ৰেশ্বৰী দেৱালয় কেৱল গোৱালপাৰা জিলাৰ ভিতৰতেই নহয় সমগ্ৰ অসমৰ ভিতৰতে এক লেখত ল'বলগীয়া ধৰ্মস্থান। ইয়াক পৰ্য্যটকৰ বাবে অধিক আকৰ্ষণীয় কৰি তুলিবলৈ ৰাইজৰ লগতে চৰকাৰ বিশেষভাবে যত্নপৰ হোৱা উচিত। ০০০০

# সেউজীয়া সপোনবোৰ

✍ মণিকংকণা নাথ
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

শান্ত সমাহিত মোৰ অনুভৱ
অনুভৱৰ বোকোচাত উঠি
মই দেখা নিতে
নিত্য নতুন সাৱলীল স্বপ্ন।
প্ৰাণৰ স্পন্দন, দুচকুৰ লোতক মচি
বুকুৰ দলিচাত ৰঙা ফুলবোৰ সিঁচি
অনুভৱ হয়
এয়া মোৰ নতুন জনম
নিশাৰ অন্ধকাৰ পাহৰি
আঁকোৱালি লও এটি নিজম পুৱা
য'ত কেৱল সেউজীয়া বৰষুণবোৰ,
আবেলিৰ আকাশত সাতৰঙী ৰামধেনু,
বিহংগিনীৰ সুৰীয়ামাত
আৰু
মোৰ আপোন আপোন লগা
বুকুৰ টুকুৰা-টুকুৰ সপোনবোৰ!!!



# যন্ত্ৰণা

✍ কপিল নাথ
স্নাতক ২য় বৰ্ষ (কলা)



হৃদয়ৰ বাগিছাত যন্ত্ৰণাবোৰ
যেতিয়া মদাৰৰ দৰে ফুলি থাকে,
যেতিয়া আশাৰ নদী শুকাই যায়
তেতিয়া বেদনাৰ বালিচৰত
ৰাতিয়ে কবিতা লিখে
অশ্ৰুৰ সাগৰত।
হিয়া উজাৰি ক'ব লগা আছিল
কিন্তু কোৱা নহ'ল!
কাৰণ, লাজুকীয়া শব্দবোৰে বাট হেৰুৱালে
বাউলী হৈ অহা বৰদৈচিলাৰ মেৰপাকত
সোণবৰণীয়া মনটোৱেও ঋতু বিচাৰে
কাৰোবাৰ হিয়া দুফাল কৰি পাব বিচাৰে
কিবা এক সেউজীয়া কোমল অনুভূতি!

# কবিতা

✍ জিন্টি বৰুৱা
স্নাতক ৩য় বৰ্ষ (কলা)

সেই একেটাই মাথো সপোন
নুৰিয়াই নুৰিয়াই কঢ়িয়াই ফুৰো
যি মোৰ বুকুৰ আপোন
নুসুধিবা
পথ কিমান যোজন
চোৰা চোৰা
জিঘাংসাৰ বুকুত ধৰিছে পচন
এফোটা প্ৰেমত
নিষেচিত হয় সপোন
মধুৰ জীৱনৰ।





# আনে নুশুনাকৈ বজাবা বাঁহী

✍দীনেশ ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

হালধীয়া সংগীত এটিৰে
গুণ গুণাই বাঢ়ি আহে
এটি দুখৰ উৎসৱ
উচুপি উচুপি মই অসুখী হওঁ।

তোমাৰ বুকুৰ ৰক্তবৰ্ণ কলিজাত
মোক লালন কৰা সুখৰ দীঘলীয়া উকিৰে
দুখৰ ঋতুত উন্মনা হওঁ
উৎসৱৰ ৰং এটিৰে ৰঙীণ হওঁ
তুমি বজালে বাঁহী
টোপা টোপে সৰে
মোৰ অভিমানী চকুলো
তুমি বজাবা বাঁহী কেৱল মোৰ বাবেই
অ মোৰ প্ৰেমিক কানাই
তুমিয়েই টুটাৱা মোৰ বুকুৰ উচুপনিবোৰ
পিচে আনে নুশুনাকৈ বজাবা বাঁহী
ভালপোৱাৰ সুৰেৰে।

# মোৰ হিয়াৰ কবিতা

✍জিতুপন ৰাভা
স্নাতক ৩য় বৰ্ষ (কলা)

পুৱাই নহা ৰাতিটো তোমাৰ গানকে শুনিলো
একোকে নক'লো
আজি বুকু মোৰ এখন সেউজীয়া ঘাঁহনি
ৰাতি পুৱালেই সাৰি থাকিব নিয়ৰ হৈ
তোমাৰ চকুপানী
এই বাৰিষাৰ শেষত তুমি মোক ক'লৈ লৈ যাবা
আকৌ শৰতৰ শেষত
য'লৈকে নগ'লেও তোমাৰ সতে
মই হেৰাই থাকিম
প্ৰাচীন বাগিচাৰ ফুল আৰু সুমথিৰা
যদি শিপা মেলা পথাৰত মই বজাই থাকো বাঁহী
যদি নৈখনৰ বালিৰে আঁকি থাকো মোৰ শৰীৰ
যদি জোনটো হৈ তোমাক পৰ দিও খিৰিকী মুখত
যদি প্ৰিয় চৰাই এটাৰ ঠোঁটত মই হওঁ ৰ'দচিকুণ গান
কি বৰষুণ হৈ মোক তিয়াই যাবা অ' বনকুঁৱৰী!
তোমাৰ তৰা দুচকুত সোণালী ঘোঁৰা দুটি
উঠিছে জঁপিয়াই
আজি নীল আন্ধাৰৰ মাজত
মোৰ জ্বলি যোৱা হিয়াখন দেখি।



# নিৰিবিলি নিশা

বিতোপন ৰাভা
স্নাতক ২য় বর্ষ (কলা)

নিৰিবিলি নিশাৰ নিজম পৰত
কোনেনো বাঁহী বায় আপোন আপোন সুৰত
মধুৰ ঝংকাৰ তোলা বুকুৰ মাজত,
ক'ত পালা তুমি ইমান হৃদয়স্পর্শী মায়া
হেৰা, পথিক নিশাৰ ছয়াময়া?
তোমাৰ বাঁহীৰ সুৰে বাৰে বাৰে
মোৰ হৃদয়ত এমুঠি মিঠা আবিৰ সানে,
তোমাৰ বাঁহীৰ সুৰৰ ছন্দে ছন্দে
নীলা দুচকুত মোৰ
বৰষাই বৃষ্টি খেলে।
কোন দেশৰ পথিক, হেৰা তুমি অচিনাকি
উমাল আৱেশে চৌদিশ গ'ল যে ছানি,
প্রশান্ত সাগৰ তোমাৰ হৃদয়ত
মাণিক মাধুৰীৰ গৰাকী তুমি,
বতাহে বতাহে দিয়াহি
স্নিগ্ধ সুবাসৰ সপোন সুৰভি।
নাইনে ভাগৰ, নাইনে অৱসাদ বজাবলে...
সুৰৰ এই মধুৰ ধ্বানি!
নিতাল-নিস্তব্ধ এই ধৰা
কিন্তু তুমি সাৰে আছা কাৰ বাবে
সোণৰ শেতেলি তুমি ক'ত এৰিলা,
এচেৰেঙা নিভাঁজ ৰ'দালিৰ আশাত
ক'ৰপৰা কেনি ঘূৰিলা
ধূলিৰ বাটত জানোচা তোমাৰ জিৰণি
চকুত নাইনে টোপনি?
মই এতিয়া গভীৰ নিদ্রাত
সাৰে আছা তুমি বাঁহীটি বাই;
সাৰে থাকিম মই সপোন বিলাই
যদিহে তুমি সপোনৰ ৰংবোৰ
ওৰেটো নিশা দিয়া উপচাই।

# মিচ্‌ড্‌কল, চুইচ্ অফ্, নেটৱৰ্ক ইত্যাদি



দিপু সিংহ
উচ্চতৰ মাধ্যমিক ২য় বর্ষ (কলা)

মিচ্‌ড্‌কল নামাৰিবা, পাৰিলে ফোন এটাকে কৰিবা
নহ'লে মই অকলে চাব পৰাকৈ
এটা ভাল ৰোমাণ্টিক মেছেজ
অৱশ্যে, গুড্ নাইট দিয়াৰ সময়তহে....

এয়াৰচেলৰ প্রিপেইড কানেক্‌চন্ লগতে
মোৰ ৮৮৮ লাইফটাইম চিম্‌কার্ডখন
ৰিছার্চ ভৰাব নোৱাৰাৰ বাবে ইনকামিংহে আছে,
আউটগয়িং নাই।
আজি ৰাতি হৃদয়ৰ দুৱাৰ খুলি
ফ্রি মঞ্চত কথা পাতিম দিয়া...
পঁচিশ টকীয়া কার্ড এখন ভৰাই ল'ম, নহ'লে
পঞ্চাশ টকীয়া-লগতে পাৱাৰ কার্ড এখন
কিন্তু ... তুমি মবাইল অন্ ৰাখিবা...।

আজি এসপ্তাহমান ধৰি তোমাৰ মবাইলৰ
নেটৱৰ্ক বিজি... কেতিয়াবা আউট অৱ ছার্ভিচ
ফোনো নাই, মিচ্‌ড্‌কলো নাই
মই ফোন লগালেই হ'ল
কোৱা যে... প্লিজ বেয়া নাপাবা পাপা আহিছে
পিচত কথা পাতিম দিয়া... কিন্তু
কালি নিশাৰ পৰাই তোমাৰ মোবাইলৰ চুইচ্ অফ
চুইচ্ অফ মানে কি... হয় প্রেমৰ বেটাৰী ল' নহ'লে
মই ভবাৰ দৰে আন এটা কলত ব্যস্ত হৈ আছা

ডায়েল কৰিলেই হ'ল— কম্পিউটাৰে ক'ব
আপুনি বিচৰা এয়াৰচেলৰ গ্রাহকজনে
আন এটা কলত ব্যস্ত হৈ আছে
কিছু সময় পিছত পুনৰ চেষ্টা কৰক।
এই কিছুসময় অনন্ত সময় নহয়গৈতো?

# অপেক্ষাৰ অন্তত

শ্ৰী ৰবেন ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)



মিত্ৰ হে বুকুত শেল হানি গুচি গ'লা কিয়?
বাস্তৱে যে কিমান জেৰা কৰে মোক
নিৰ্জনতা বিচাৰি কিহৰ হুমুনিয়াহ
দুইওঁঠত গুজি হুমুনিয়াহৰ আৰ্তস্বৰ?
শ্ৰমপিষ্ট শৰীৰত শিলতকৈও গধুৰ
অদ্ভুত পোছাক পিন্ধাই
কৌশলী কায়দাৰ যাতনাৰ কলিজাত
অনামিকা...
আহৰি পালেই খামুচি ক্ষত কৰে মমতা।
আজি আকৌ এজাক বৰষুণ
কি যে বৰষুণ
দীঘলীয়া দীঘলীয়া বৰষুণ
উস্! বৰষুণত কিমানলৈ তিতিম
কিমানলৈ খুলিম পোছাক
আৰু কিমানলৈ?

মোৰ দুখৰ দিনত শেলুৱৈ ধৰা সপোনত
সপোনবোৰ ভঙাৰ পাছতো
মিলনাশ্ৰুৰ পুলকেৰে
ৰৈ থাকো মই নৈৰ ঘাটত।

তৰা ভালপোৱা, জোন ভালপোৱা, আকাশ ভালপোৱা
জানো ভালৰ বাবে নহয় .........?
আজিও অকলে আছো
চকুৰ তলত দুটা কলহ ভৰাই
সযতনে ৰাখিছো চকুৰ পানী
জয়াৰ চেনেহেৰে।
ঠন্ ঠন্কৈ ভাঙি যোৱা স্মৃতিৰ চিত্ৰপট...
নিষ্প্ৰভ নিথৰ মোৰ এই মানৱ শৰীৰ
বেহানি হ'লে বিক্ৰী কৰিলোহেঁতেন
মোক এজন মানৱ শৰীৰ

কিনোতা বেপাৰী লাগে
চৌদিশৰ মিনতি, মমতা, ইমান আহুকাল
শৰীৰটো থকা বাবে...!
সিদ্ধাৰ্থৰ দাবানল সংগীতৰ মূৰ্চ্ছনাত
পুৰবীও ম্লান আজি
শুনিছো মাজনিশা ফাগুণৰ আকাশত
কেতেকীৰ কৰুণ বিননি!
পৰাজয়ৰ গ্লানি শিৰত লৈ
ওৰে জীৱন পঙ্গু হৈ চকুলো টুকি
বেদনাৰ হাতত বন্ধ হ'লো
নৱ সিদ্ধাৰ্থ হোৱাৰ সপোনৰ অপূৰ্ণতাত
পুৰবীৰ সুৰৰ পৰশেৰে আত্মৰতিৰ শতেক ভৰষালৈ
কাৰ বাবে কি থৈ যাম!
পথাৰত অপ্ৰেমৰ বীজ গজিছে
হৃদয়ৰ পৰা হৃদয়ৰ দূৰত্ব বাঢ়িছে
ইজনে সিজনৰ সপোন কাঢ়িছে
ধুনীয়া পৃথিৱীৰ মৰমৰ কথা পাহৰিছে
এতিয়া ইচ্ছাই চৰম সত্য
যিহেতু, আমি প্ৰতিজনে একোখন সেউজীয়া বুকুৰ গৰাকী
যাৰ অৰ্থ বিশাল আকাশৰ অৰ্থ...।

# গোলাপ

✍ বিশ্বজিৎ কছাৰী
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

কাৰ বাবে ফুলিলা তুমি
তোমাৰ তাৰুণ্য আৰু দীপ্তিত ধৰা হৈ পৰে বিনন্দীয়াজনী
ধৰণীৰ পুষ্পবনৰ সকলোকে জিনি
কাৰ বাবে ৰূপ ল'লা তুমি মন মোহিনী?

যৌৱন দেহ তোমাৰ প্ৰেমোন্মাদিনী কেশ
অথচ বুজি নোপোৱা লতা ফুলৰ আৱেশ
তেনেহ'লে নেলাগে ফুলিব।
আন ফুলৰ অন্তৰ জ্বলাব!

তোমাৰ হিয়াৰ স্পৰ্শত,
থন্ ধৰি উঠে লতা ফুলৰ জেউতি;
হৈ উঠে তাই জাতিস্কাৰ।
তেন্তে কৰা কিয় তাইক প্ৰতাৰণা, তিৰস্কাৰ?
তুমি যিয়েই নকৰা
হিয়াৰ মৰম বলিয়া লতা ফুলে
ৰয়হি তোমাৰেই অপেক্ষাত
দিবানে এবাৰলৈ বুলি
তোমাৰ গা গছত বগাবলৈ?
লতা ফুলৰ সপোন পূৰণ কৰিবলৈ।





# নাৰী

✍ মৌচুমী বড়ো
স্নাতক ২য় বৰ্ষ (কলা)

মোৰ বুকুত গজি উঠিছিল
সৃষ্টিৰ আদিম পাত।
মাতৃ শব্দৰ কল্লোলে
স্পন্দিত কৰিছিল মোৰ বুকু
মই ত্ৰিলোক পুজিতা,
মই সীতা, সবিতা, মই বন্দিতা
মই জননী, মই বসুন্ধৰা,
মই অৰুন্ধতী, মই উৰ্মিলা,
মই সৰমা, মই গান্ধাৰী,
মই সৰস্বতী, মই ৰুদ্ৰচণ্ডী,
মই মাদাৰ টেৰেচা, মই কল্পনা চাওলা,
অথচ যুগে যুগে মই
লাঞ্ছিতা, বঞ্চিতা, ধৰ্ষিতা, অপমানিতা,
তথাপিও মোৰ ধমনীত বয়
দয়া, ক্ষমা আৰু সহিষ্ণুতাৰ নিজৰা।
মই নাৰী
মোৰ বুকুত গজি উঠিছিল
সৃষ্টিৰ আদিম পাত।

# মই গোৱালপাৰা

✍ সুৰভি ৰাভা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

মই গোৱালপাৰা!
এই জিলাৰ সদৰ ঠাই
ইয়াতে জীয়াই আছো
মই নানা জাতি উপ-জাতিৰে
এখন বিচিত্ৰ ঠাই।
মোৰ মূৰৰ ওপৰেদি বৈছে
বিশাল মহাবাহু আৰু আছে
মোৰ হৃদয়ৰ মাজতে বহু নদ-নদী
বাহ! কি বিশাল অপূৰ্ব ঠাই
মই গোৱালপাৰাহে ভাই।
মোৰ ৰাজহাড়ৰ মাজতে গঢ়ি উঠিছে
লক্ষাধিক ঘৰ আৰু চলাচল কৰিছে
অগণন মটৰ-গাড়ী, তথাপিও মই শান্তিৰে ঠাই।
মোকে লৈ চলিছে কত ৰাজনীতি
কৰিছে কতই আত্মগোপন
পূৰ্বতে বাজিছিল ইয়াত শান্তিৰ ধ্বনি
আৰু বাজিছিল অহিংসাৰ ধ্বনি
মোৰ বুকুৰ মাজতে।
সেই কথা ভাবি আজি
চকুলোৰে ওলাই আহে নিগৰি নিগৰি
অঙঠাৰ দৰে পানী।
তথাপিও মই যে গোৱালপাৰা।
মোৰেই তেজ-মাংস খাই জীয়াই আছে
লক্ষ লক্ষ নিৰ্দয় মানৱ।
চলাই গৈছে উৎপীড়ন, বিধ্বংসী হাবি-বন।
তথাপিও মই গোৱালপাৰা
জীয়াই থাকিব খোজো
স্বকীয় বৈশিষ্ট্যৰে দি পৰিচয়
হৈ ৰ'ব খোজো চিৰজ্যোতিষ্মান, চিৰস্মৰণীয়
অসমীয়া জন মানসত!





# প্ৰেয়সী

✍ ৰাতুল ৰাভা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

মনেৰে গঢ়িলো প্ৰতিমা তোমাৰ
থাপনা কৰিলো হৃদয়ত;
বৰণ কৰিলো প্ৰাণৰ মাজত
আদি ৰূপ অন্তৰত।

তুমিয়েই মোৰ আনন্দ অশ্ৰুৰ
গাঁঠি নলগা মণি ধাৰি;
তোমাৰ ডিঙিতে কৰে তিৰ বিৰ
জানোচা ছুলেই যাব সৰি।

অচিনাকি তুমি জীৱন পথত
তথাপি মোৰেই সহযাত্ৰী
নাভাবো কেতিয়া যাত্ৰা শেষ হ'ব
জানিছো যেতিয়া তুমি লগৰী।

তোমাৰ সান্নিধ্যত নেদেখাও দেখিলো
শুনিলো অনেক নুশুনা কথা;
নোহোৱানে তুমি প্ৰাণৰ প্ৰেয়সী
নয়নৰ মণি প্ৰিয়তমা মোৰ!

# শান্তিৰ সন্ধান

কপিল দেৱ ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

বন্ধ কৰা সেই
গুলি বাৰুদৰ শব্দ।
আৰু বন্ধ কৰা
সহস্ৰ মানুহৰ আৰ্তনাদ।।
আমিয়েই মানৱ
জ্ঞানদাতা ভগৱান।
গঢ়িছো আমিয়েই
এই ধ্বংসাত্মক সংগঠন।।
এইবাৰ ৰাখিম আমি
সোণালী ভৱিষ্যতৰ আস্থা।
সকলোতে কৰিম
কেৱল শান্তি প্ৰতিষ্ঠা।।
প্ৰগতিৰ পথেৰে আগবাঢ়ো
আহা লগে ভাগে।
একোকে নেলাগে আমাক
মাথো শান্তি লাগে।।





# তোমাৰ চাৱনি

গৈব্যাঞ্জলী কছাৰী
স্নাতক ২য় বৰ্ষ (কলা)

তোমাৰ চাৱনিৰ গভীৰতাই
যেতিয়া ক'লে—
... জীৱনটো পঢ়ি চাওঁ আহা
বয়সীয়া পাতবোৰ লুটিয়াই
চাওঁ ক'ত আছে আদিপাঠ প্ৰেমৰ
কেনেকৈ যে ক'ৰ পৰা আৰম্ভ হয়
জীৱনত প্ৰেমৰ যাত্ৰা
জিৰোৱাৰ ঘাট যে থাকে কত
জুকিয়াই চাই লিখিবলৈ সাৰাংশ
অথবা মূলভাব
সময়ৰেই দেখোন নাটনি হয়!
জীৱনক ভাঁজে-ভাঁজে জনাৰ বাবেইতো
প্ৰয়োজন প্ৰিয় হৃদয়ৰ,
হৃদয়ক বুজিব পৰা তোমাৰ চাৱনিয়ে
ঠিকনাটি দিলে সংগোপনে
ভাগৰুৱা জীৱনক পঢ়ি চাবলৈ...।

# বাৰিষাৰ এটি ৰাতি

মামনী ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

ঘৰৰ চালত জম-জমাই পৰি থকা
বৰষুণ জাকৰ সৈতে
ওৰে ৰাতি উচুপি আছিলো মই।
জিৰ্ জিৰ্, জৰ্ জৰ্ বৰষুণৰ ৰাগিত
ৰাতিটো ক্ৰমে হৈ উঠিছিল হিংস্ৰ।
বুকুৰ ভিতৰত হেঁচি ৰখা
তোমাৰ স্মৃতিবোৰ উজাৰ খাই আহি
ছিটিকি পৰিছিল মোৰ দেহৰ
কোঁহে কোঁহে, উশাহে নিশাহে
সেমেকা বতাহ জাকে জীপাল
কৰি তুলিছিল
হিংস্ৰ ৰাতিৰ মাদকতা।
বৰষুণত জুৰলি জুপৰি হৈ
ডাঠ-ঘন এন্ধাৰত ডুবি
ৰাতিটো নিমজ নিমজকৈ আগবাঢ়িছিল।
তোমাৰ স্মৃতিৰ চাকনৈয়াত উজুতি খাই
ময়ো ডুবি গৈছিলো এসাগৰ যন্ত্ৰণাত
সেই বাৰিষাৰ এটি ৰাতি।



# মোৰ পৃথিৱী

পনোজ ৰায়
স্নাতক ১ম বৰ্ষ (কলা)



চিৰ নতুন পৃথিৱীৰ পুৱাত,
আকাশ উজলোৱা পোহৰ
সপোন গঢ়াৰ বাসনাত,
নিগৰি আহক এজাক বৰষুণ আৰু
সহস্ৰ সেউজীয়াৰ মৃদু গুণ গুণ।
ধুৱাই নিয়ক মোৰ পৃথিৱীৰ,
সজীৱ সেউজ পৰিধি।
জীপাল প্ৰতি ক্ষণত
জাগি উঠা মোৰ সপোন
যেন কোমল কুঁৱলী।
নিশাৰ নীৰবতাৰ কোলাহলে
মোৰ সপোন কিয়বা ভাঙে
কেতিয়াবা কিয়বা সৰি সৰি পৰে,
যদিও পুনৰ গঢ়ে!
সপোন সপোন ৰাতি
আৰৱা কুঁৱলী ফালি
আঁকি লওঁ মোৰ সপোনবোৰ
জোনাকৰ সিপাৰৰ ধুনীয়া দেশত
মই আৰু মোৰ পৃথিৱী
যেন চিৰনতুন।

# হৃদয়ৰ গোপন কথা

মুন মুন কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)



হৃদয়ৰ এমুঠি গোপন কথা
কাৰোবাৰ হিয়াৰ আলহী
হিয়াৰ দুৱাৰ নহ'ল মুকলি,
করুণ নিস্তব্ধতাত আজি
হেৰাল হিয়াৰ গোপনতা।
সময়ৰ সত্য আৰু বাস্তৱ ৰায়
স্বতঃস্ফূর্ত ভাৱে গোপনতাত স্বীকাৰ
স্বাৰ্থহীন ভাবে বন্ধ গতি
পানীৰ যুৱলিত উটি অহা
হৃদয়ৰ ভাষাৰ নাওঁ
হয়তো ভীষণ অহংকাৰী
কঠোৰ হিয়াৰ গৰাকী
সেইবাবেই ছাগে হিয়াৰ স্তব্ধতা।
নিমজ গধুলিৰ বিবৰ্ণ মুখ
তাতেই লুকাই আছিল পৃথিবীৰ গোপনতা
সেইবাবে হয়তো কাকো নজনাকৈ
হৃদয়ৰ গোপন ৰচনা
কিন্তু,
এতিয়া আন্ধাৰৰ গোপন সময়
অকলে বিনায় য'ত আকাশৰ জোন
চৌদিশে কলুষিত বতাহ
উৰি আহে স্মৃতি
কিন্তু নোৱাৰিলো...
ক্ষণে ক্ষণে শান্ত-অশান্ত হিয়াৰ
অন্তিম পথত যাত্ৰা,
এতিয়া, এতিয়া উদাসীন হিয়া
সুখ-দুখ আৰু পোৱা-নোপোৱাবোৰক লৈ।

# পলাশৰ জুই

গীতিমা ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

পলাশৰ জুইৰ দৰে উমি উমি জ্বলা,
মোৰ মনৰ খবৰ!
ফাগুণৰ ঠিকনাত লিখি দিলো চিঠি,
সময় পালে এদিন, পঢ়ি চাবা এবাৰ!

যৌৱনৰ কৃষ্ণচূড়াই
দেহ-মনত লগায় থৌকি বাথৌ,
লুকাভাকু খেলে হৃদয় ৰবি,
তোমাক নজনোৱাকৈয়ে মই
হৃদয়ত অংকিত কৰিলো,
তোমাৰেই প্ৰতিচ্ছবি।
অজানিতে বহি গ'ল হিয়াত
কিবা-এক গভীৰ দাগ
যাৰ বাবে মই আজি অনুতপ্ত
তথাপিও ৰৈ আছো নীৰৱে

ফাগুণৰ পচোৱাই যেন আনিব এছাটি
শীতল বতাহ তাৰেই প্ৰতীক্ষাত।



# তুমি মোৰ হ'বানে

✍ ৰবিতা কুমাৰী পাঠক
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

শাওণৰ বতৰত
বেদনাৰ শিপাবোৰে
কেনেদৰে হৃদয় ভেদিছে !
আহিবা জানো তুমি
মোৰ হৃদয়ত সেউজীয়া ৰং বোলাবলৈ?
যিদিনা বুজিবা তুমি
আকাশৰ বিশালতা
সেইদিনা জানিবা তুমি
প্ৰেমৰ গভীৰতা।
হেঁপাহ এটি বৈ গ'ল
তোমাৰ এটি মিচিকিয়া হাঁহি চাবলৈ।
কাৰণ মোৰ মনত জাগি উঠিছে
প্ৰেমৰ উত্তাল বন্যা
তুমি মোৰ হ'বানে.....?



# তুমি

✍ দেৱজিৎ ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)



পূৰ্ণিমাৰ জোনৰ দৰে
উজ্বলি উঠিছা
গোলাপৰ ৰঙা পাহিৰ দৰে
দুগাল গঢ়িছা।
ডালিমৰ গুটিৰ দৰে
সৰু সৰু দাঁত
কঁকাল খামুচীয়া,
নিতম্ব পদুমৰ পাত।
হৰিণাৰ দৰে চকু যুৰি তোমাৰ
তিল ফুলীয়া নাক
সুন্দৰ দেহাত তোমাৰ
শোভে গুলপীয়া সাজ।
ক'ৰনো ৰূপহী তুমি
চঞ্চলা তোমাৰ মন
মৌৰ দৰে মিঠা তোমাৰ
মুখৰ মধুৰ বচন।
লগৰীৰ সৈতে লগে ভাগে
ফুৰিবলৈ যোৱা
সবাৰো লগতে মোৰো
মনটো ভুলোৱা।
তোমাৰ মনটোও হ'বলা
উগুল থুগুল কৰে,
গোটেই নিশাটি তোমাৰ
টোপনিকো হৰে।
মোৰ মনৰ বেথা
নাজানা যে তুমি।
লগৰীৰ চকুত ধূলি দি
মোলৈ চাই থাকা জুমি জুমি।
মনটো কৰে উগুল থুগুল
ভবিয়ে কৰে যাওকি নাযাও
তোমাৰ ঘৰৰ পদুলি পাৰ হ'লে
পিছলৈ এবাৰ উভতি চাওঁ।

# ঘড়ী

সত্যজিত কলিতা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

মই এটা ঘড়ী
এটা নতুন ঘড়ী
মোক দোকানৰ পৰা কিনি
নিয়া হৈছিল।
ঠিক ছোৱালীয়ে মাকৰ ঘৰ এৰাৰ দৰে
মই দোকান ত্যাগ কৰিছিলো
মোক তেওঁ যিখন হাতত পিন্ধিছিল
সেই হাতখনেই মোৰ আপোন হৈ পৰিছিল।
তেওঁ দিনটো মোক পিন্ধিছিল,
তেতিয়া মোৰ ভাল লাগিছিল
আৰু মোৰ ভাল লাগিছিল
যেতিয়া মোৰ ফালে এবাৰ চাই তেওঁ
দিনটোৰ কাৰ্যপন্থা হাতত লৈছিল।
কিন্তু যেতিয়া মোক খুলি থৈছিল,
তেতিয়া মই খুব নিসংগ হৈছিলো।
টিক্ টিক্ কৈ হোৱা মোৰ
নিশাহৰ শব্দত নিজেই বিৰক্ত হৈছিলো।
নিজৰ অজানিতে মই হাতখনৰ প্ৰেমত পৰিছিলো
কিন্তু ...
মই দেখোন লাহে লাহে
এলাগী হ'লো
সেই হাতখনত দেখা পালো
এটা নতুন ঘড়ী
আৰু মই ৰ'লো তেওঁৰ টেবুলৰ এচুকত পৰি
এয়াই নেকি সঁচা প্ৰেমৰ পৰিণতি?



# এই সময় সুখৰ নহয়

আকাশ দাস
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

আপুনি নজনাকৈ কাৰোবাৰ
চিকাৰ হ'ব পাৰে
চিকাৰীও হ'ব পাৰে
গোপনে কাৰোবাৰ কবৰ খান্দি থাকিব পাৰে
এই সময়
সুখৰ নহয়।
দুখৰ সংগী বিচাৰি
হাবাথুৰি নোখোৱাই ভাল
এটা ভয়ংকৰ পকনীয়াত পৰি আছেনেকি?
নতুন সুঁতি এটাই
নৈখনক গতিময় কৰি তুলিব পাৰে
কিন্তু ইয়াত তেনে কোনো নদী নাই, পানী নাই
বিশ্বাসৰ হাতখন আগবঢ়াই নিদিব
আত্মঘাতী বোমাই আপোনাৰ
হাতখন, হৃদয়খন
বিচ্ছিন্ন কৰিব পাৰে জানেনে?
বজাৰখনত জুই,
মানুহৰ কিনা-বেচা ক্ৰমাৎ ওপৰলৈ উঠিছে
কমিছে হৃদয়ৰ দাম
কমিছে আপোন মানুহৰ মাত
কমিছে ভালপোৱা..... ভালপোৱা.....।

# মোৰ বাস্তৱ জীৱন

✍ অলকা দাস
স্নাতক ৩য় বৰ্ষ (কলা)

সৌ সিদিনাৰ পৰাই
মোৰ অন্তৰত ৰক্তিম হৈ জ্বলিবলৈ লৈছিল একুৰা জুই
যোল্ল, সোঁতৰ, ওঠৰ, বৰ্ষৰ পূৰ্বৰ
কোনোবা এটা দিন আছিল
এই ৰক্তিম জুইকুৰাৰ প্ৰাৰম্ভণি।
যিদিনাৰ পৰা জন্ম হৈছিল
অশান্তি বোলা অশৰীৰী, অবিনাশী
অদৃশ্য এক কুৎচিৎ শক্তিৰ।
সময়নদীৰ অটল গৰ্ভত অতবোৰ
বছৰ পাৰ হোৱাৰ পিছতো
দপ্ দপকৈ জ্বলি থকা এইকুৰা জুই
যেন নুমাবলৈ মান্তি নহয়!

বৰং পূৰ্বতকৈ দুগুণ, তিনিগুণে
উদ্ধত হৈ জ্বলিবলৈ লৈছে এইকুৰা জুই।
পৰিণতিত সকলো বিলাক
পুৰি পুৰি সৰ্বস্বান্ত হোৱাৰ দুৱাৰ মুকলি হৈ আহিছে।
খোৱা পিন্ধা, সকলোতে এই অশান্তিয়ে
বিভীষিকা হৈ থিয় দিছে!
অস্তগামী মোৰ মনটোৱে
আশাৰ প্ৰদীপ এগছি
দেখিছে যদিও তাৰ নিশ্বাস নাই!
সেই গছি আশাৰ প্ৰদীপৰ পিছে পিছে,
দৌৰি দৌৰি ভাগৰিও
মই ওচৰ চাপিব পৰা নাই!
শান্তিৰ নে যন্ত্ৰনাৰ প্ৰদীপ সেইগছি?
নিজেই নাজানি মই হাবুডুবু খাই
উটি ভাহি ফুৰিছো
কালৰ প্ৰতাৰণাত!!





# দুধনৈ মহাবিদ্যালয়

✍ বৰ্ণালী কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)

জেউতি তুমি ন সূৰুযৰ
উৎস তুমি জ্ঞান প্ৰদীপৰ
তোমাৰ জ্ঞান বন্তিৰ দীপালিয়ে
নাশ কৰে অজ্ঞতাক
চিৰ চেনেহী এই শিক্ষাভূমি
নাজানো কৰিব স্তুতি, অথবা পুজিব তোমাক
হে দুধনৈ মহাবিদ্যালয়
আমাৰ চেনেহৰ দুধনৈ মহাবিদ্যালয়।।

ঊনৈশ বাসত্তৰত তুমি জনম লভিলা
শিক্ষাৰ ভূষণেৰে আমাক সজালা
শান্তিৰ-উন্নতিৰ প্ৰতীক তোমাক
নতশিৰে জনাইছো প্ৰণাম
ৰূপে গুণে অতুলন তুমি
আমি গাও তোমাৰেই প্ৰগতিৰ গান।
হে দুধনৈ মহাবিদ্যালয়
আমাৰ আদৰৰ দুধনৈ মহাবিদ্যালয়।।

আমি সংহতিৰ শক্তিৰে বঢ়াম তোমাৰ মান
সন্ধ্যাৰ সহস্ৰ তৰা হৈ
বন্তি জ্বলাম তোমাৰ থাপনাত
জনাও সেৱা তোমাৰ চৰণত
আশীষ দিয়া আমাক
বঢ়াব পাৰো যেন তোমাৰ সন্মান
হে দুধনৈ মহাবিদ্যালয়
আমাৰ হেঁপাহৰ দুধনৈ মহাবিদ্যালয়।।



# তোমাৰ বাবেই হেৰাই যোৱাৰ প্ৰস্তুতি

হৰিপাল খাখলাৰী
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

হঠাতে উভালি পৰিল মোৰ ইচ্ছাৰ অৰণ্য।
ৰাশি ৰাশি শালগছ, আমলখি, দেৱদাৰু
যুদ্ধ বিধ্বস্ত সৈনিকৰ দৰে,
আজিও শুই আছে শুকান মাটিত।

ঠিক তুমি আঁতৰি যোৱাৰ
পিছৰ পৰা মোৰ সপোনৰ
সেউজীবন ক্ৰমাৎ ক্ষয়িষ্ণু

বুঢ়া নক্ষত্ৰৰ দৰে
শেতা পোহৰ এচমকা
ক'ৰবাত হেৰাই যোৱাৰ প্ৰস্তুতি।

জনাইতো,
হেৰাই গ'লে আৰু নাহে উভতি
তুমি আৰু বৰষুণহীন এই মুলুকলৈ
য'ত ইচ্ছাৰ অৰণ্য নাই
নাই হেঁপাহৰ এখনি নৈ।

# এবুকু মৰমৰ অপেক্ষাত

হিৰুমণি চৌধুৰী
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

হৃদয়ত এখিলা
গোপন পাতৰ দৰে,
সোমাই আছা তুমি।

ৰিক্ত হিয়াৰ
কোনোবা এচুকত লিখিছো,
তোমাৰেই নাম।

তোমাৰ পৰশ পাবলৈ
উন্মাদ হৈ পৰা;
স্পৰ্শকাতৰ হৈ পৰা
সেই অবুজ হিয়াখন!

উচুপনিৰ মাজেৰে
নিগৰিত হৈ অহা;
সেই অতৃপ্ত হৃদয়ৰ
অব্যক্ত বেদনাবোৰ!

ক্ৰমাৎ নিথৰ হৈ যাব খোজা
সেই মৰমেৰে
আবৃত হিয়াখন,



আছেযে কেৱল
তোমাৰেই মৰমৰ অপেক্ষাত.....।

# তোমাৰ কথা মনত পৰিলে

✍ জোনাকী ৰাভা
স্নাতক ৩য় বৰ্ষ (কলা)



তোমাৰ কথা মনত পৰিলে
বুকুখন কিবা উদং উদং লাগে
শৰীৰটোৱে ঢলং পলং খোজেৰে
বিচনালৈ গতি কৰিব খোজে।
'এই কি খবৰ? ভালনে তোমাৰ?'
'ওহো নহয়।'
'কিয়?'
'তোমাক দেখা নাই যে'
'ছিম্পল, ফটোখন চাই লোৱা।'
মনত আছে জানো তোমাৰ
ফোনত পতা লাজকুৰীয়া কথাবোৰ
পাহৰিলা চাগে
বগা কাগজত নীলা চিয়াহীৰে
কাষত মোক বিচাৰি
তোমাৰ মৰমৰ হাতেৰে লিখা
মৰম সনা চিঠিবোৰৰ কথা!
এৰা, প্ৰেমটো যদি থাকিলে হেতেন
তোমাক লৈ নিলিখিলো হেতেন
স্মৃতিৰ কবিতা।।
হৃদয়ত জুই নুজ্বলিলে হেতেন
ৰাতি উজাগৰে
উচুপি উচুপি নাকান্দিলো হেতেন
প্ৰেমতে মগন হৈ থাকিলো হেতেন
আজীৱন..........
হাৰি গ'লো
মই এতিয়াও
বুজিব নোৱাৰিলো তোমাক
নোৱাৰিলো বুজিব তোমাৰ
হৃদয়ৰ ভাষা!

# অভিনয়

✍ মণ্টু কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)

আহিছিলা কিয় তুমি
মোৰ হিয়াৰ মাজলৈ!
মিছা মৰম দি
মাথো কৰিলা অভিনয়
উপলব্ধি কৰিব আজি কোনে
মোৰ হিয়াৰ স্পন্দন
কৰে হিয়াই বাৰে বাৰে
মাথো তোমাক ৰোমন্থন
আছিলো তোমাৰ কল্পনাত
সুখী হৈ অতীতত
কৰিছিলো বহুতো আশা
তোমাক লৈ জীৱনত
আহিছিলা কিয় তুমি
মোৰ হিয়াৰ মাজলৈ
মৰুভূমিৰ মৰিচীকা হৈ
আজি গুচি গ'লা বহু দূৰলৈ!



# সংগী

✍ মুকেশ ৰাভা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)



বৰষুণত তিতি হ'লো জুৰুলি-জুপৰি
নাই এটিও ছাতি;
তোমালৈ মোৰ পৰিছে মনত
এই নিজম ৰাতি।
ছাতি লয় মানুহে
বৰষুণৰ ভয়ত;
ভাত খায় মানুহে
পেটৰ ভোকত।
অসৎ সংগৰ মানুহ
অকালত মৰে;
প্ৰেমবিহীন মানুহ
দানৱ হৈ পৰে।
নাথাকে মানুহ
জীয়াই চিৰদিন;
মৰিবই লাগিব সকলোৰে
এদিন নহয় এদিন।
জানি শুনি সকলো
কাষ চাপিছো তোমাৰ;
নিচিঙিবা নাভাঙিবা
মিঠা সপোন মোৰ।
হৃদয় আকাশ জুৰি
তোমাৰ সোঁৱৰণী সমলয়
জীৱন সঙ্গী কৰাৰ প্ৰতিশ্ৰুতিৰে
আগবাঢ়িছো মই।।



# বৰ্ষা নাহিবা ৰাতি

✍ অৰূপ নাথ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

সেমেকা শীতল ৰাতি
বৰ্ষা যেতিয়া আহে
গধূৰ হয় হিয়া
কলিজা ফালি ওলাই আহে
দীঘল হুমুনীয়াহ
বুকুৰে সহিব নোৱাৰা হয়
বোজা প্ৰতাৰণাৰ
ছেদেলি-ভেদেলি হয় সপোন
শুকাই যায় সাগৰ কল্পনাৰ
আশাবোৰে নেপায়
ইটোৰ পৰা সিটো পাৰ
কষ্টদায়ক হয়
তেনেকুৱা নিশা
নাহে টোপনি......
কটাব লগা হয়
কৰি ইকাটি-সিকাটি
নাহিবা বৰ্ষা
নাহিবা ৰাতি
নাহিবা হুমুনিয়াহ
বুকু ফাটি ফাটি।



# বৰষুণ

✍ কল্যাণ চান
স্নাতক ৩য় বৰ্ষ (কলা)

তুমি এজাক বৰষুণ,
পৰিছিলা আকাশৰ পৰা
মইও খেলি হৈছিলো মতলীয়া
যেনিবা মই মলয়া বতাহ।

তুমি এজাক বৰষুণ,
পৰিছিলা হৃদয়ৰ পঁজাত
মইও পাতিছিলো প্ৰেমৰ মেলা
যেনিবা তুমি জীৱন লগৰীয়া।

তুমি এজাক বৰষুণ,
ক্ষণিকৰ বাবে আহিছিলা
আকৌ দূৰণিৰ দেশলৈ গুচি গ'লা
যেনিবা বিচাৰিও বিচাৰি নোপোৱা।

তুমি এজাক বৰষুণ
পলকত আহি হঠাৎ হেৰাই গ'লা
চুব খুজিও যেন চুব নোৱাৰা
যেনিবা তুমি মৰুৰ মৰিচিকা।

তুমি এজাক বৰষুণ
আহিলা গুচি গ'লা
দিছিলা, লৈ গ'লা
মোৰ মৰম, প্ৰেৰণা
আজি যেন মই বৰ অকলশৰীয়া।



# অনুভূতি

✍ প্ৰাণজিৎ সিংহা
স্নাতক ১ম বৰ্ষ (কলা)

জীৱনৰ আছে
কিমান গভীৰ অৰ্থ
তোমাক লগ পাইহে বুজিলো।
সপোনো যে কেতিয়াবা
দিঠক হয়

তোমাক দেখিহে জানিলো।
পৃথিৱীখন যে ইমান ধুনীয়া
তোমাৰ মুখেৰেহে শুনিলো।
কল্পনাও যে কেতিয়াবা
বাস্তৱ হয়

তোমাৰ পৰাহে শিকিলো।
আকাশ খন যে ইমান নীলা
আজিহে মই ভালদৰে দেখিলো।
তুমিয়েই যে মোৰ হিয়াৰ
এমুঠি জোনাক
এতিয়াহে অনুভৱ কৰিলো।

# অবুজ মন

✍ দিশা শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)

কোনেনো জানে মন বতাহ কিয় বলে!
ক'বানে তুমি
কিয় মোৰ মনটো উৰি যায় দূৰ দিগন্তলৈ?
আঙুলিৰ ফাঁকেৰে কিয় সৰি পৰে
বুটলি অনা জোনাকী মুকুতা !
পাৰ ভাঙি মলয়াই কোন পলকত
নিলে উৰুৱাই মোৰ অবুজ মনক
গমকে নাপালো।
ইয়ে এতিয়া চুব খোজে
কৃষ্ণচূড়াৰ ৰঙাখিনি
বোধহয় তুমিও নাজানা
চঞ্চল মনৰ এই দুৰু দুৰু স্পন্দনে
কি কব খোজে
মোক ... তোমাক.....।



# নগৰীত মেটেকা ফুল



ডঃ ফণীভূষণ দাস
মুৰব্বী, দৰ্শন বিভাগ

মুহূৰ্ত্ততে সামৰি থ'লি কিয়
পৃথিৱীৰ ভাৰ

মেটেকা ফুল হৈ ছিটিকি পৰি ৰ'লি
এই পাষাণ নগৰীত

পাষাণ নগৰীত
থেতেলা খোৱা ফুল !

অকস্মাৎ কেনেকৈ
দেওলগা এটা দুপৰে
প্ৰাচীন দৈত্যৰ দৰে
হুঙ্কাৰি হুঙ্কাৰি
শিলত আছাৰি তোক....
শিলত আছাৰি হায়!

নিৰ্বাক নিস্পন্দ
ধুমুহাই উৰুৱাই নিয়া পঁজাটিৰ চাল হৈ
ফাটি দুফাল হোৱা লাওৰ খোলাটি হৈ
তই শুই আছ

নাই তোৰ কেঁচাপাত বৰণৰ মাত
চকুত চাকিৰ পোহৰ

বতাহত মাথো বিয়পিছে
দেহ বিচাৰ গীত এটিৰ মায়াৰে
তোৰ হিয়াৰ সুগন্ধ

মেঘ মাটি বননিয়ে
আঁকিছে তোৰ ছাঁ তেজৰ ৰঙেৰে

প্ৰিয়জনে অশ্ৰু-টোপালত তোৰ মুখ

মুহূৰ্ত্ততে সামৰি থ'লি কিয়
পৃথিৱীৰ ভাৰ

মেটেকা ফুল হৈ শুই ৰ'লি
শিল কঠিন মানুহৰ
নৰকৰ গলিত

ৰ'দে পোৰা দেহৰ
ভোকে দহি নিয়া প্ৰাণৰ

পাষাণ নগৰীত
থেতেলা খোৱা ফুল

# অভিমান

বিনোদ ৰাভা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান)

তুমি আহিবা
আঁকোৱালি ল'বা মোৰ মৃত শৰীৰক
তুমি কান্দিবা
আঁকোৱালি সেই স্মৃতিৰ চকুলোক;
ভাগি যাব
তোমাৰ সকলো অভিমান
হেৰাই যাব
তোমাৰ সকলো জ্ঞান;
ভাগৰি পৰিবা তুমি
নিজ সাৰ্থকতাক সাৱটি
ভাগি যাব তোমাৰ সপোন
আৰু তুমি এদিন নহয় এদিন
মোৰ স্মৃতিক ল'বা আঁকোৱালি।





# তুমি অনন্যা

✍ ড° **নিৰূপা ৰয় বৰুৱা**
প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

(নোবেল বঁটা বিজয়ী মাদাৰ
টেৰেছালৈ উচৰ্গিত)

হে চিৰকুমাৰী মহীয়সী
অতুলনীয় তোমাৰ প্ৰাণশক্তি
আৰু মানৱ প্ৰেম।
মানৱ সেৱাই ব্ৰত একমাত্ৰ
তাতেই কৰিছা আত্মসৰ্গ।

বিশ্বশান্তিৰ বাবে
নিপীড়িত মানৱক বিলাইদি
কৰিছা মহামহত্বৰ
বীজ ৰোপন।
তুমিয়েই মহানুভৱতাৰ
উজ্বল নিদৰ্শন।

তোমাৰ ধৈৰ্য্য
সাহস
আৰু অফুৰন্ত
কৰ্মই
জগত প্ৰেৰণা

তুমি অনাথৰ নাথ
আৰু কৰুণাৰ প্ৰতিমূৰ্তি।
এক বিশাল
অনুষ্ঠান।

তুমি যুগস্ৰষ্টা
কিম্বা ইতিহাস
কিম্বা কিম্বদন্তি।

তোমাৰ আছে
সাগৰ সদৃশ
উদাৰ আৰু
বহল মন।

মমতাৰে পৰিপূৰ্ণ
দুখন হাত
আৰ্তজনৰ প্ৰতি
গভীৰ ভালপোৱা
আৰু
মমতাবোধ।
ঈশ্বৰ ভক্তি
তোমাৰ নিৰৱচ্ছিন্ন গতি।

তুমিয়েই গঢ়া
গান্ধী কুষ্ঠ আশ্ৰম
প্ৰেম নিবাস
কিম্বা
শান্তি নগৰ
আৰু নিৰ্মল শিশু ভৱন।

দহৰ বাবেই
উচৰ্গিত
তোমাৰ জীৱন।

তুমি অনন্যা
তুমি অনন্যা।

# এটি অবুজ কবিতা



✍ বীৰেন ভূঞা
মুৰব্বী, পৰিসংখ্যা বিভাগ

(১)
সুখ-দুখৰ বালিচাপৰিত,
মোৰ চেনেহৰ পঁজা;
তাৰে এচুকত আছে মোৰ
স্মৃতিৰ সঁফুৰা, যতনাই ৰখা।

মোৰ সপোন সৰে শীতৰ নিয়ৰ হৈ
উৰুখা চালেৰে
পাৰকৰা উজাগৰী নিশা;
ফুল হৈ ফুলে হৃদয়ত,
তলসৰে, মৰহি বিষাদত
পখী হৈ উৰে মন,
দিগন্তৰ ইপাৰে-সিপাৰে,
ডেউকাত বান্ধিলৈ নীড়মুখী আশা।

য'ত বুকুৰে সপোন সাজে,
ভাঙে, নিমিষতে
অজুহাত পালে;
হেঁপাহৰ হৰিণী মোৰ,
দেও দি নাচে তাতে
শৰত আহিলে।

(২)
মোৰ কল্পনাৰ আকাশত,
তৰা জিলমিল তোমাৰ মুখ;
কোলাত সুখৰ এবুকু,
বোকোচাত হেৰুৱাৰ দুখ।

জানানে বাৰু!
তোমাৰ আবেগ নীলা
দুচকুৰ আকুলতাতে,
নিঃসংকোচে, গুচি আহো মই
তোমাৰ সতে, চিলমিল টোপনিতে;
খোজ দি অজান বাটেৰে,
কেতিয়াবা সাগৰ পাৰেৰে
নতুবা, পাহাৰ তলিৰে।

কত যে অন্তহীন কথা পাতো
আবেগেৰে-তোমাৰ সতে,
গোপনে গোপনে;
জোনাকে আবৰা দুপৰ নিশা
নিশব্দে, আপোন মনে।

(৩)
এদিন আবেলি আহিম বুলি কৈছিলা
নাহিলা!
অপেক্ষাৰ কতদিন, কতৰাতি পাৰ হ'ল,
কত সপোন মলঙি গ'ল, কত মান-অভিমান;
ৰখা নাই মনত আঘাতৰ ধনিষ্ঠামান
কিনো হ'ব, ৰাখি খতিয়ান!

তুমি বাৰু, কেতিয়াবা লিখিছানে,
প্ৰেমৰ কবিতা,
নিদ্ৰাহীন ৰাতি, চাকিৰ পোহৰত,
আবেগৰ অনুভূতিত-বাট চাই নঙলা মুখত,
অথবা, বিষাদৰ চকুপানীৰে?

থাওক দিয়া! এইবোৰ কথা,
দুকুৰি ফাগুন উলটি গ'ল,
বৰ অভিমানে;
বুকুৰ বালিচৰত, লিখি থ'লো
মনে মনে আৰু এটি নাম...;
অনুভৱৰ আবেলিত মোৰ,
এতিয়া-বসন্তৰ গুণ গুণ গান।

# English Section



# What I want

Jeuti Marak
H. S. 2nd year (Arts)

I want freedom
A freedom of a bird,
That soars high in the sky
Free from all worries of life,

I want peace
peace of mind,
I need a friend to share and care
I need a friend to speak
My desire, my wish,
I think life is beautiful
I want to link it accordingly.
Free from all sorrows and anxieties.

# Light



Wrestlind R. Marak
H. S. 2nd year (Arts)

The light has a thousand eyes
And the day but one
Yet the light of the bright world dies
with the dying sun.

The mind has a thousand eyes
And the heart but one
Yet the light of a whole life dies.
When love is done.

# Desert of our lost love

Prabin Prasad
T.D.C 3rd year (Arts)

In the desert of our lost love
You will not my forever
There is a deep dark sea with pain and
lonely heart in me.
I am like a featherless bird!
You will never understand my emotions
Yet I admire you truly dear
My feeling with tender love and care
You will never understand.

As you can never count the stars,
And find the needle in the desert.
Same you will never understand my
True love and my care for you
I am like sands, sand of desert,
I am in the
"Desert of our lost love"

# Permanent Name



✍ Nakul Kachari
T. D. C. 3rd year (Arts)

Many come and many departed,
Many thought and many deed,
Some praise and some blame,
Some satisfy and some starve,
Some get fame and some get stain
In the realm of full intention
To get permanent name.

Towards my goal
I take my first step to go ahead,
With courage and zeal.
Dreams, I have never seen
to get a permanent name..
But, the right path still not known to me,
Almighty!
Oh! will Thou beside me and guide me?



# Childhood

✍ Laxmi Sharma
T. D. C 2nd year (Arts)

A New-born rose my childhood was!
Spreading its petals to fly in the air,
in the sun.

My childhood is my sun
My childhood is my moon
My childhood welcomes happiness into my life
Oh my childhood! Why do you vanish?
Come, come again and return my happiness
of that freedom which will never come again.
My enjoyment, my purity, my ambivalence!

# Interpreting the "IDEOLOGY OF TEACHING": A Self Psychological Approach

Naren Das
Lecturer, Deptt of English

Within the framework of the "Ideology of teaching" I would like to deal with two mini narrative frameworks i.e.. "the ideological idea of a good teacher" and "the problematic dynamic variables of teaching." These two mini narratives will constitute the main narrative framework of my essay simultaneously.

At first, I would now like to discuss the issue "the ideological idea of a good teacher" in brief detail. As the tittle itself indicates that, for me, the ideological of a good teacher is 'conditioned' or 'ideological'. It is 'ideological' or 'conditioned' not only because it is personal. Of course, a teacher may be 'good' for someone, bad for someone and 'Mr. Average' or 'Mrs. Average' for someone. The idea of a man is continually shifting. The idea of a 'good teacher' also depends on the degree to what extent the teacher influences his/her students. The more he/she influences through his/her personality the more he/she is a good teacher. And, to influence others, means to act 'exercising power'. The act of influencing was earlier attacked by the Greek Orator Plato in the context of poetry in his 'The Republic'. It was largely because it deeply affected the individual's own thought and feeling. To influence others, means loosening his own original thought and feeling that is not something 'holy'.

The idea of a 'good teacher' is also for me, ideological because history teaches us that fact. Think about Guru Parsurama who taught the great archers of history-Dronacharya, Droupada and Karna. But, the political context comes into focus when we get to know that Karna got education from Parsurama not as a 'shudra' but as an 'aryaputra'. The same context comes out in the great teaching career of Guru Dronacharya. He is worshipped all over the Indian myths as a great and good teacher. But, what he did to Ekalabya and Karna is silent in history. This biasness of Guru Dronacharya is cleanly wiped out by the grand details of the heroic acts of his other shisyas especially Arjuna. Even Guru Drona had a extra-love for Arjuna. What I get interesting here is-how such a biased guru can be a good or great Guru who is adorned throughout entirety?. It is because of the ideological condition of society. Drona was the guru of the Aryans and the Aryans were the ruling class of his society. A society is governed by the ideology of the powerful class. History conforms to ideology and power. So, as Drona was the guru of the Aryans, History or myth, whatever makes him a 'good teacher' throughout entirety. Thus, we can establish the fact that the idea of a 'good teacher' is political.

Now, lets turn to the second issue. While dealing with the second issue, I will treat it from my own personal experience as a teacher. I am not quite sure whether "teaching precedes learning" or "learning precedes teaching." But, it is quite obvious that teaching is incomplete without learning. I 'teach' something to someone and if that something is not received quite 'properly', then my teaching will be of no use. That sense of utmost 'utility' is long gone from our teachings. Now, I would like to make a psychological approach to the idea of teaching itself.

When I entered the classroom as a teacher,

I feel alone and detached a while. But, I gradually become one of the students community by loosening my "authority of a teacher." But, for a while, I feel myself as a finite man with infinite ideas- my conscious and unconscious ideas, within the "continually evolving infinite classroom atmosphere." I, suddenly, begin a process of "essentialization" of myself by differentiating myself from the huge multitude of the students. I do so because of the physical gap between us, the psychological gap, my mental state and the different signalling eyes of the students and the beeloud-like sound of them. Even the inanimate object like the 'trace' of the blackboard, the uncleaned duster, the staring gaze of the walls and the twinkling sunshine through the windows begin to respond me. The cracking sound of the fan move along with my moving mind.

So, gradually I feel a vast gap between me and the students.

If you look from outside the classroom, I am 'inside'. But, from my 'inside', there is a wall between my consciousness and unconsciousness- between my 'outside' appearance and 'inside' gaze- between their consciousness and my lecture- between their appearance and their unconsciousness-between their acts of receiving and the infinite possibility of my ideas, and so on. So, when I try to tread upon the act of going 'inside' the 'consciousness' of the students, I feel moving my 'finite' being around the 'infinity', I am trying to control the different movements of different centres, but I feel being consumed myself by that infinity. But, apparently, I am an 'independent variable' and my definite aim is to 'signal my thoughts' to the dependent variables, the students who are less experienced and younger than me. Can my ideas, thoughts be experienced by them?

Gradually, I feel that the entire classroom is divided into 'different centres'. The classroom is the space where different centres are pulling each other. One of them will be of mine which is high and above the other centres and the others will be of each and every students. In such circumstance, my centre is 'to hold' the other centres. I will have to pull all of the students to my centre to the world of my thoughts and feelings. Thus, the teaching itself turns into a power game where my consciousness is pulling the other conscious beings to its centre. Meanwhile, the talking faces, the idly sitting faces, the staring faces and the up and down shuttering faces-all also 'engaged' themselves to pull my 'consciousness' to their centres. My 'unconsciousness' all the time clicks whether I should go forward or not in my act of teaching. Thus, the entire classroom turns into a battlefield where my consciousness troubles with my unconsciousness, the students' consciousness with my thoughts, their unconsciousness with their consciousness.

It is because of the gap between the teacher and the students, all suffer from disintegration. It is for the growing gap that the students, 'repressed' or 'hidden self' begins to grow within their 'apparent beings' and his/her 'desire' grows-desire to have an open air, desire a have to talk with his/her friends etc. When the teacher receives the air of those desiring eyes, he/she will exercise power. But, what most noteworthy here is that the teacher also at that time suffers from disintegration, his/her 'unconsciouness' dominates his/her 'conscious' being at that time. Then, teaching can no longer be effective. It also suggests at the same time that the classroom becomes a space where the centre is the centre and, at the same time, the centre is being 'decentred' by the other centres. So, ultimately, there is the exercise of pulling one centre by the other centre. I am pulling my students to my centre and they are also pulling me to their centre. To pull them into my centre, I will not even hesitate to exercise my authority or power over them. Thus, the whole idea of 'teaching' itself becomes authoritarian.

This act of exercising power and authority, this attempt to bridge the gap between one centre and the other itself becomes diplomatic. It becomes diplomatic in the sense that the teacher will try to

'fill-up' the gap between him/her and students through language. And, language, the bridge between the teacher and his students itself is the most 'slippy' one. It is because, there is 'no meaning' in the language and, at the same time, there are infinite meanings in the language. For example, when we refer a dictionary for the meaning of a word, that dictionary gives a 'suggested' meaning of that. But, what interesting here is that it refers to the another word at the same time. And when you refer to another word, you got the same process. Ultimately, what you get there is the 'infinite process of signification'. The words will make a chain but, without 'no meaning' in it. There is just 'an attempt' to signify. So, through such a to medium, would it be possible to 'bridge up' the vast gap between the teacher and students? Even language has another limitation. Language can never 'leap up' to the height of emotion. The more emotion the more is language ineffective. And as a teacher of literature, I have faced such problem. Even, what language should be the medium of teaching is controversial. Is it authentic or plausible to convey our own indigenous culture through a foreign tongue?

It is largely because of our dependence on the 'verbal medium' that the gap increases between the teacher and the students. The more the gap the more the involution of the unconsciousness. And, unconsciousness disturbs the classroom atmosphere. Language can never fully picturise the world of "The lake Isle of Innisfree" (W.B. Yeats) and "Love Among the Ruins" (Robert Browning). To feel that world, the students will have to 'feel' my emotion enhaning from the 'feeling' of the poem. So, it becomes a matter of reaction. How I do react to the poem and how the students react to my feelings of the poem-these two matter a lot.

Then, there is the idea of transcendence involved into it. My being will be transcended by the feeling of the poem. Meanwhile, I will have to transcend myself into the students' being. The students will also have to transcend themselves and rise upto me. Thereby transcendence, we will completely 'involve' into together and constitute simultaneously "a different world of our own."

Hence, the more transcendence the more effective teaching. ♦

## *Quote*

♦ The best way to escape from a problem is to solve it.

**-Bredon Francis**

♦ Non Cooperation with evil is on sacred deity

**-Mahatma Gandhi**

♦ A crime is a kind of disease and should be treated as such.

**-Mahatma Gandhi**

♦ Real freedom is of the mind and spirit; it can never come to us from outside.

**-Rabindranath Tagore**

♦ If a man could have half his wishes, he would double his troubles.

**Benjamin Franklin**

*Collected by*: **Nakul Kachary**
T.D.C 3rd year (Arts)

# A Study of the Educational Problems of Rabha Women of Dudhnoi area in Assam

Satyabati Rabha
T. D. C, 1st years (Arts)

A large number of Tribal have been residing from time immemorial, both in the plain and in the hilly districts of Assam. Their mode of living, customs, traditions, languages, vocations, commerce and culture are all different from one another.

Rabhas are one of the important tribal community of Assam. They have been living in Assam since ancient times. Most of the Rabha people are residing mainly in rural areas of Assam. Rabhas have their own culture, language and traditions. Their mode of living very simple and they believe other people easily. They worship their great God 'Baykhow'.

The problem of education of Rabha women which attracts our attention immediately in Dudhnoi area is that of conservative traditional women status through ages which has been considered to be inferior to that of men. Even to day, in spite of the recognition of women status equal to that of man, the condition of majority of them is as wretched and pitiable as ever. The present Rabha society also can not deny women education.

It has been felt that the role of women in the matter of building the character of would be citizen, economic reconstruction of the country and social reform remains undeniable and unchallenged. Particularly with respect to the management of household, building of the character of children, development of human resources and for parenthood is really great. Not only that in modren times, the role of women goes much beyond their home in bringing up of their children. So, in changing competitive age education of Rabha women is also most important part of education.



Women education is that which is given to women for their better development. If we educate a boy, we educate only one person of society. But if we educate a girl, we educate a family or a society.

A review shows that Rabha women have innumerable problems in pursuing from elementary to higher level in any part of India. Mainly inhabitants of Dudhnoi area are farmers, small businessmen and a few government and private employees. The people of Dudhnoi area are mostly cultivator. The cultivators face financial hardship in most part of the year due to natural circumstances, old method of agriculture, population explosion etc. The socio-economic condition of the area is not satisfactory. So, these people live below poverty and a huge majority of children in the age group of 6-14 years do not attend the school regularly as the poverty compels the children to work at home. The girls are more useful at home and hence a very large proportion of them are engaged in domestic works. In rural area of Dudhnoi illiterate mothers do not fully realise the importance of education for their children. They are not conscious about education. So, the

problems of Rabha women education are very significant at present.

Recently in a visit paid to some of the villages (under Dudhnoi area) in Goalpara District, We met some people of this area and enquired about the various problems of Rabha women in the matter of education. From this survey we came to know about the causes of problems of Rabha women education in these area. They are as follows-

a) Economic backwardness
b) Lack of social attitudes
c) Lack of education facilities in rural areas.
d) Lack of female teachers.
e) Lack of proper supervision and guidance.
f) Lack of proper incentives to parents and children.
g) Lack of need based curriculum.
h) Poor condition of infrastructure
i) Lack of Co-educational aspects
j) Illiteracy of parents.
k) Lack of vocational and technical education.
l) Educational wastage and stagnation of girls.

The above mentioned causes are mainly responsible for the illiteracy of the Rabha women in this area.

(Researchers conducted a survey as a part of research work done in the field of Rabha women education in the last 10 years in Assam and found the above problems) ♦

## *Golden Words*

◆ Books and friends should be new but good.

**–Florence Nightingale**

◆ What God gives us is not to be kept under lock and key but to be shared with the deserving.

**–Mother Teresa**

◆ Hear the wise words of great persons and follow them.

**–Swami Sivananda**

◆ Forget injuries, never forget kindness.

**-Confucius**

◆ Never speak an unnecessary word.

**-Mahatma Gandhi**

◆ Evil grows if good people do nothing.

**-Swami Vivkanada**

◆ Don't look down upon the poor. If you want to kill, kill your proud.

**-Mahatma Gandhi**

**Sailendra ch Rabha**
T. D. C 1st year (Arts)

# Magnetar : Super Strong Magnetized Neutron Star

**Abdul Kader**
Lecturer, Dept. of Physics

In the Universe, there are so many stars, some one large and some one small. Modren astronomers believe there are more than $1 \times 10^{22}$ numbers of stars, in the universe. The largest star, if placed at the sun's positions, would easily engulf the Earth, Mars, Jupiter and Saturn. The smallest white dwarf stars are about the size of the Earth, and neutron stars are less than about 20 km in diameter. All stars are composed of hot glowing gas. the outer layer of some stars are so empty that they can be described as redhot vacuums. Other stars are so dense that a tea spoonful of the material composing the outer layers would weight several tones. Stars are made chiefly of Hydrogen and a smaller amount of Helium. Even the most abundant of the other elements present in stars like as Oxygen, Carbon, Neon and Nitrogen are generally present in very small quantities.

Every star varies in temperature from that of the core, the temperature of which is measured in the million of degrees, to that of the atmosphere that is relatively cool. The coolest stars are red while the hottest stars are blue. A smaller population of brighter but cooler stars known as super giants which occupy the upper most region of the H.R. diagram (Hertzs prung- Russell diagram). By the process of Thermo nuclear fusion, when the core of a supergiant has exhausted its helium, the core will again contract and if the core is sufficiently massive, additional nuclear reactions will be triggered during this contraction. These nuclear reactions convert carbon and other elements into increasingly heavier elements, until the core may consist largely of iron. Some supergiant stars then form astronomical bodies known as White dwarf, Neutron stars or Black-hole. If the mass of the collapse core less than 1.4. $M_\odot$, it will be White dwarf, the mass of the core ranges from 1.5 $M_\odot$ *to 2 $M_\odot$, it will be Neuton star and Black hole is formed if the mass varies from 2 $M_\odot$ to 3 $M_\odot$. In the case of Neutron stars, the atomic nuclei are forced so close together that they fuse to form neutrons. When this occurs, the core stops contracting and remains as a Neutron star, which rapidly spinning, extremely dense star consisting mainly of closely packed neutrons.

Few years ago, astronomers found the evidence for a new class of Neutron stars having magnetic field strengths 100 times stronger than the typical Neutron stars. These high magnetic field Neutron stars are known as Magnetars which were first discovered by Robert C. Duncan and Christopher Thompson in 1992. Due to the strong magnetic field, magnetars behave differently than the other typical neutron stars. The magnetic field of a magnetar slows the rotation of the star. In addition, the magnetic field periodically wrinkles and cracks the star's solid crust, releasing gamma-rays and X-rays from the star's interior which is the cause of starquakes.

These magnetars reveal themselves as Soft Gamma ray Repeaters and Anomalous X-ray pulsars which are shortly known as SGR and AXP. According to the current information, there are 16 magnetars : 6 SGRs (4 confirmed, 2 candidates), and 10 AXPs (9 confirmed, 1 candidate). From the observations, it is estimated that about 10% of supernova explosions lead to a magnetar. The remainders are known as pulsars that is rotating

* $M_\odot$= Mass of the Sun, billion= $10^9$

neutron stars. The ages of supernova remnents identified that SGRs are younger than AXPs. The natural sequence shows that a magnetar spends the first stage of its life as SGR (roughly 1,000 yrs) and the next 3,000 to 4,000 years as AXP.

A magnetar's interior is a super fluid of viscosity like mixed of neutrons, protons, and electrons making it super conductor of electricity. But the magnetar's exterior crust is made of magnetizable metal like iron. These two components can rotate independently- which is what researchers believe leads to starquake. The discrepancy arises because the magnetar's magnetic field is frozen into the crust. The field emits ''magnetic dipole'' radiation that shows the crust down over time. The super-fluid component is not slowing down as much as the crust. Eventually, the extra angular momentum in the spinning super- fluid gets transferred to the crust and that causes the starquakes. During the starquakes, the magnetic field becomes unstable and abruptly re-arranges itself into a state of lower energy, violent seismic waves wrinkle the star crust, producing a displacement in the foot-prints of the magnetic field. The field lines can act like stretched strings, generating elastic-type waves called Alfven waves, which in turn accelerate clouds of particles above the surface of the magnetar. This is what ultimately produces the $\gamma$-ray (Gamma-ray) bursts.

